Content includes AI-generated material

www.newsnextone.com
# e সংবাদ


Sacn to Donate
NEWSNEXTONE.COM

## ধেমাজিৰ পানবাৰী বনাঞ্চলত অগ্নিকাণ্ড



বিতং বাতৰি ৬ পৃষ্ঠাত

WEDNESDAY, MARCH 12, 2025 ■ বুধবাৰ, ২৭ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭৫ Guwahati, Assam ।। মূল্যঃ এটকা

## বন্দুক! ডিব্ৰুগড় বিমানবন্দৰত চাঞ্চল্য

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১১ মাৰ্চঃ** ডিব্ৰুগড় বিমান বন্দৰত এগৰাকী যাত্ৰীৰ বেগৰ পৰা এটা ৯ এম এম বন্দুকৰ শেষাংশ ৩ পৃষ্ঠাত

## ননীৰ মটৰবাইক চুৰি কৰা মুখ্য চোৰ আশ্ৰফক গ্ৰেপ্তাৰ

**ই-সংবাদ, ১১ মাৰ্চঃ** ৰাইডাৰৰ বাইক চুৰি ঘটনাত গুৱাহাটী আৰক্ষীয়ে আন এক বৃহৎ সফলতা লাভ কৰিছে। ৰাইডাৰ শেষাংশ ২ পৃষ্ঠাত

## দৰিদ্ৰ পোহাৰীক ঘোঁচা ভব্য ডাক্তৰৰ

**ই-সংবাদ, ১১ মাৰ্চঃ** দৰিদ্ৰৰ ওপৰত বৰমতা দেখুওৱা এগৰাকী চিকিৎসকৰ বৰ্বৰতাক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি শেষাংশ ৪ পৃষ্ঠাত

### ভণ্ড পূজাৰী বিনোসহ ৬ জনক গ্ৰেপ্তাৰ

## লাহোৱালত ডাইনীৰ সন্দেহত গাৰ নোম শিয়ৰি উঠা কাণ্ড সংঘটিত



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১১ মাৰ্চঃ** কথাতে কোৱা হয় যে অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব নোৱাৰিলে এখন সমাজ উন্নতিৰ শিখৰত উপনীত হ'ব নোৱাৰে। য'ত বৈজ্ঞানিক যুক্তিযুক্ততা বিলুপ্ত হয়, তাত অন্ধবিশ্বাস, কু-সংস্কাৰে চানি ধৰে। এই কথাৰ সাৰমৰ্ম উপলব্ধি কৰিব নোৱাৰাৰ ফলতে আজিও সমাজৰ একাংশ শেষাংশ ৫ পৃষ্ঠাত



বিটিচি অঞ্চলক লৈ আছুৰ কিছু নতুন চিন্তা-চৰ্চা

## আজি দ্বিতীয়টো গোচৰত জামিনৰ ৰায়

### প্ৰসংগ মহবুবুল হক

**ই-সংবাদ, ১১ মাৰ্চঃ** বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় মেঘালয় চমুকৈ ইউএছটিএমৰ উপাচাৰ্য মহবুবুল হক কেতিয়া মুকলি আকাশৰ তললৈ আহিব সেয়া কাইলৈ ঠিৰাং হ'ব। কিয়নো দ্বিতীয়টো শেষাংশ ৪ পৃষ্ঠাত

### চৰকাৰৰ চূড়ান্ত দমন নীতি! প্ৰতিবাদ কৰা বাবেই বিহিলে শাস্তি

# প্ৰাপ্য বিচাৰি ৬৪গৰাকী প্ৰৱক্তাই হেৰুৱালে চাকৰি

### ২৩ দিন ধৰি প্ৰতিবাদ কৰা প্ৰৱক্তাৰ চকুত আজি চকুলো

**ই-সংবাদ, ১১ মাৰ্চঃ** ৮ বছৰে চাকৰি থকা পলিটেকনিকৰ ফাউণ্ডাৰ ফেকাল্টীসকলে বাজেট অধিৱেশন চলি থকাত তেওঁলোকৰ পঞ্চম পৃষ্ঠাত



## বিধানসভাৰ ভাষণতো মিডিয়াক ধমক হিমন্তৰ

**ই-সংবাদ, ১১ মাৰ্চঃ** সংবাদ মাধ্যমক নীতিপাঠ শিকোৱাৰ ক্ষেত্ৰত নিজেই নিজৰ বিৰুদ্ধে প্ৰতিযোগিতাত নামিছে অসমৰ শেষাংশ ২ পৃষ্ঠাত



চামগুৰিত নিহত যুৱ কংগ্ৰেছীৰ খবৰ ল'লে ভূপেন বৰাই, মঙলবাৰে

## কাৰ্বি পাহাৰৰ সৌৰ শক্তি প্ৰকল্প বন্ধৰ দাবী অজিত ভূঞাৰ

**ই-সংবাদ, ১১ মাৰ্চঃ** পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ ১৮ হাজাৰ বিঘা ভূমি পুঁজিপতি গোষ্ঠীক গতাবলৈ সাজু হৈছে ৰাজ্য চৰকাৰ। বিষয়টোক লৈ বিৰোধী কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতিয়ে তীব্ৰ বিৰোধিতা কৰি থলগিৰীৰ ভূমি পুঁজিপতিক গতাই দিয়াৰ সিদ্ধান্ত বাতিল কৰিবলৈ ৩ পৃষ্ঠাত

## তামিলনাডুক গালি দি বিপদত ধৰ্মেন্দ্ৰ প্ৰধান

**চেন্নাই, ১১ মাৰ্চঃ** তামিলনাডুৰ শিক্ষা নীতিত কোনো পধ্যেই মানি লোৱা নহ'ব কেন্দ্ৰৰ হস্তক্ষেপ- দিল্লীক এই স্পষ্ট বাৰ্তা প্ৰদান কৰিছে তামিলনাডুৰ মুখ্যমন্ত্ৰী এমকে ষ্টেলিনে। হিন্দী বনাম শেষাংশ ৪ পৃষ্ঠাত

### ৰাষ্ট্ৰপতি শাসন স্বত্বেও হিংসা ৰোধত ব্যৰ্থ কেন্দ্ৰ চৰকাৰ

## মণিপুৰক লৈ পুনৰ সৰৱ গৌৰৱ গগৈ

**নতুন দিল্লী, ১১ মাৰ্চঃ** ৰাষ্ট্ৰপতি শাসন বলবৎ কৰাৰ পিছত শেহতীয়াকৈ গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰদান কৰা এক নিৰ্দেশে আকৌ হিংসাৰ জুই জ্বলাইছে মণিপুৰত। ৰাজ্যখনৰ কাংপোকপিকে ধৰি কেইবাটাও প্ৰান্তত পুনৰ দেখা দিয়া সংঘাতপূৰ্ণ পৰিস্থিতিক সদনত সৰৱ হৈ পৰিল যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ। মণিপুৰত শান্তি শেষাংশ ৩ পৃষ্ঠাত

### লাহে লাহেৰ দেশ অসম

## সৰ্বানন্দক তাচ্ছিল্য সৌগতৰ

**নতুন দিল্লী, ১১ মাৰ্চঃ** 'লাহে লাহে মানুহৰ ভূমি অসম'! অসমক লৈ সংসদৰ মজিয়াত এনে মন্তব্য কৰিছে তৃণমূল কংগ্ৰেছৰ সাংসদ সৌগত ৰায়ে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সমালোচনা ২ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ননীৰ মটৰবাইক চুৰি কৰা মুখ্য চোৰ

ননীৰ চুৰি হোৱা বাইকখন উদ্ধাৰৰ পিছতে আজি চুৰি কাৰ্যৰ মাষ্টাৰমাইণ্ডক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যিজন চোৰে গেষ্ট হাউচত সোমাই ৰাইডাৰ ননীৰ বাইকখন চুৰি কৰিছিল সেইজন চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষী। ৰাইডাৰ ননীৰ বাইক চুৰি কৰা মূল অভিযুক্ত আশ্ৰফ আলীক গ্ৰেপ্তাৰ কৰিছে। গুৱাহাটী আৰক্ষীয়ে মুখ্য চোৰ আশ্ৰফ আলীক গ্ৰেপ্তাৰ কৰাৰ লগতে আশ্ৰফ আলীৰ পিতৃ জাকিৰ আলীকো গ্ৰেপ্তাৰ কৰিছে। বাইক চুৰি কাণ্ডৰ সৈতে আশ্ৰফ আলীৰ পিতৃ জড়িত বুলি আৰক্ষীয়ে সন্দেহ কৰিছে আৰক্ষীয়ে। গুৱাহাটী আৰক্ষীৰ এটা দলে গোৱালপাৰা জিলাৰ আগিয়াত অভিযান চলাই আশ্ৰফ আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এদিন পূৰ্বে ১০ মাৰ্চত ইউপি-১৩-বিডব্লিউ-৭৩৭৫ নম্বৰৰ বাইকখন উদ্ধাৰৰ কৰাৰ লগতে বাইকখন গুৱাহাটীৰ পৰা সৰবৰাহ কৰা ২৩ বছৰীয়া আশ্ৰাফুল দেৱান, ৩২ বছৰীয়া ফিৰোজ কাজীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ দলে ফকিৰগঞ্জৰ প্ৰেম বজাৰ এলেকাত বাইকখন উদ্ধাৰ হয়। বাসানীপাৰা গাঁও আৰু বালাটাৰী গাঁৱৰ নিজ নিজ গৃহৰ পৰা আশ্ৰাফুল আৰু ফিৰোজক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। গুৱাহাটী মহানগৰীৰ পূব মণ্ডলৰ অতিৰিক্ত সহকাৰী আৰক্ষী আয়ুক্ত অনুৰাগ শৰ্মা আৰু বশিষ্ঠ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত এই অভিযান চলিছিল। ৫ মাৰ্চৰ নিশা গুৱাহাটীৰ সৰুসজাইৰ কালি মন্দিৰ পথৰ মনিকাঞ্চন উপ-পথৰ মেডি গেষ্ট হাউচত চাৰিজনীয়া দলৰ সৈতে থকাৰ সময়তে নিশা ২ বাজি ৪০ মিনিটত বাইকখন চুৰি হোৱাৰ তথ্য চিচিটিভিত বন্দী হৈছিল। বাইক আৰোহী উত্তৰাখণ্ডৰ বাসিন্দা ননীয়ে ছয় মাহ পূৰ্বৰ পৰা সমগ্ৰ দেশ ভ্ৰমণ আৰম্ভ কৰিছে। মহিলাৰ সৱলীকৰণৰ প্ৰচাৰৰ বাবে বিভিন্ন ৰাজ্যৰ ৩০ হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰি অসমলৈ আহিছে। ননীয়ে তাইৰ পোহনীয়া মেকুৰী হুকুমৰ সৈতে ৪ মাৰ্চত গুৱাহাটীত বাইক চলাই গুৱাহাটীত উপস্থিত হৈছিল। বাইকখন চুৰি হোৱাৰ খবৰ তেওঁৰ 'ৰাইডাৰ ননী' ফেচবুক পেজৰ পৰা প্ৰকাশ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বানন্দক তাচ্ছিল্য সৌগতৰ

কৰিবলৈ গৈ অসমৰ মানুহক লৈ কৰা টিএমচিৰ সাংসদগৰাকীৰ এক মন্তব্যই বিতৰ্কৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমতো। সংসদত কেন্দ্ৰীয় চৰকাৰে উত্থাপন কৰা বিধেয়ক সন্দৰ্ভত নিজৰ মন্তব্য ৰাখিবলৈ গৈ অসমক লৈ কটু মন্তব্য কৰে সৌগত ৰায়ে। তেওঁ সোণোৱালক কটাক্ষ কৰি কয়, "এই বিধেয়কখনৰ বিষয়ে কোৱাৰ পূৰ্বে মই মন্ত্ৰীগৰাকীলৈ এটা অনুৰোধ কৰিব বিচাৰো, তেওঁ ডিব্ৰুগড়ৰ পৰা আহিছে, ব্ৰহ্মপুত্ৰৰ পাৰৰ ভূমিৰ পৰা আহিছে। তেওঁ 'লেণ্ড অৱ লাহে লাহে'ৰ পৰাও আহিছে, যিখন লাহে লাহেৰ ঠাই।" সৌগাত ৰায়ৰ এই মন্তব্যৰ পিছতে সদনৰ মজিয়াতে তেওঁক তাৎক্ষণিকভাৱে উভতি ধৰে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে। তেওঁ কয়, "এই ধৰণৰ কথাই অসমৰ জনতাৰ অনুভুতিত আঘাত হানে। এয়া সঠিক নহয়। আমি সকলোৱে এটা পৰিয়ালৰ দৰে বাস কৰো। আপুনি কিয় এনেধৰণৰ শব্দ ব্যৱহাৰ কৰিছে।" লক্ষণীয় যে, শেহতীয়াকৈ প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ এক প্ৰতিবেদনৰ পিছত অসমৰ কৰ্মসংস্কৃতিক লৈ চৰ্চা আৰম্ভ হৈছে। এই প্ৰতিবেদনৰ পিছতে অসম 'লাহে লাহে মানুহৰ দেশ' বুলিও একাংশই তীক্ষ্ণ বাক্যবান প্ৰয়োগ কৰা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদৰ এক প্ৰতিবেদন অনুসৰি অসমত দৈনিক গড় কামৰ সময় মাত্ৰ ৫.৮৭ ঘণ্টা, যিটো দেশৰ ভিতৰতে সৰ্বনিম্ন সময়ৰ ভিতৰত অন্যতম। গোৱা তালিকাৰ তলত থকাৰ বিপৰীতে অসম ইয়াৰ ঠিক ওপৰতে আছে। উল্লেখ্য যে, ভাৰতৰ সামগ্ৰিক কৰ্ম সময় প্ৰতিদিনে ৭ ঘণ্টাৰো অধিক হোৱাৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ গড় কৰ্ম সময়ৰ ক্ষেত্ৰত যথেষ্ট পিছ পৰি আছে। নাগালেণ্ড, মেঘালয়, মণিপুৰ, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা- সকলো ৰাজ্যতে কৰ্ম সংস্কৃতিৰ গতি লেহেমীয়া। অৱশ্যে দেশৰ আন প্ৰান্তত ছবিখন সম্পূৰ্ণ পৃথক। দমন আৰু ডিউত দৈনিক গড় কৰ্ম সময় ১১.১৩ ঘণ্টা, দাদৰ আৰু নগৰ হাভেলীত ১০.১ ঘণ্টা, আৰু ৰাজধানী দিল্লীত ৮.৩ ঘণ্টা। ফলত এই আঞ্চলিক বৈষম্য লক্ষ্যণীয় হৈ পৰিছে। মন কৰিবলগীয়া যে, নাগালেণ্ডৰ গ্ৰাম্য অঞ্চলত দৈনিক গড় কৰ্মসময় ৫.৭ ঘণ্টা, যিটো দেশৰ ভিতৰতে তৃতীয় সৰ্বনিম্ন। ইয়াৰ বিপৰীতে, মাত্ৰ ৫.৮ ঘন্টা কৰ্ম সময়েৰে তালিকাত চতুৰ্থ স্থানত আছে অসম। অসমৰ চহৰাঞ্চলক দৈনিক কৰ্মসময় মাত্ৰ ৬.৩৫ ঘণ্টা। উল্লেখ্য যে, 'অসমৰ মানুহ এলেহুৱা'- এই প্ৰবাদ বহু পুৰণি। কিন্তু শেহতীয়াকৈ প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক পৰামৰ্শদাতা পৰিষদে প্ৰকাশ কৰা দেশৰ গড় কৰ্ম সময়ৰ তালিকাত অসমে তলৰ পৰা দ্বিতীয় স্থান লাভ কৰাৰ পিছত বহুতেই পুৰণি প্ৰবাদশাৰীক নায্যতা প্ৰদান কৰিছে। তাৰ মাজতে সংসদৰ মজিয়াত তৃণমূলৰ সাংসদ সৌগাত ৰায়ে অসমক লৈ কৰা মন্তব্যই বিতৰ্ক দুগুণ বৃদ্ধি কৰিছে। সাংসদগৰাকীৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে সামাজিক মাধ্যমতো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাৰ ভাষণতো মিডিয়াক ধমক

মুখ্যমন্ত্ৰী। সোমবাৰে এটা ছেটেলাইট নিউজ চেনেলক সংবাদমেলৰ মাজতে আক্ৰমণৰ লক্ষ্য কৰি লৈয়ো হেঁপাহ নপলোৱা মুখ্যমন্ত্ৰীয়ে আজি বহিঃৰাজ্যৰ এগৰাকী বাইকাৰ্ছৰ বাইক চুৰিৰ ঘটনাৰ আলম লৈ অসমৰ প্ৰতিগৰাকী সাংবাদিকে খবৰ এটা পালে প্ৰথমে কি কৰিব লাগে সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সাংবাদিসকলে অসমৰ বদনাম হোৱা কোনো কাম কৰিব নালাগে। চুৰি হোৱা কথাটো সত্য যদিও সেয়া প্ৰচাৰ কৰিলে অসমৰ বদনাম হোৱাৰ পূৰ্ণ সম্ভাৱনা থাকে। মুখ্যমন্ত্ৰীয়ে সেয়ে খবৰটো পোৱা মাত্ৰকে সাংবাদিকক বাতৰিটো প্ৰকাশ নকৰি মুখ্যমন্ত্ৰীক ঘটনাৰ বিৱৰণ দি অসমৰ বদনাম ৰোধ কৰিবৰ বাবে দুদিনৰ ভিতৰত চোৰ বিচাৰিবলৈ ক'বলৈ আহ্বান জনায়। তেওঁ এয়াও কয় যে এয়াই হ'ব নতুন অসমৰ নতুন নিয়ম। মুখ্যমন্ত্ৰীয়ে এনেধৰণৰ বাতৰি লিখিব নে নিলিখিব সেইটোৰ ওপৰতে জননী জন্মভূমিক সাংবাদিকজনে কিমান ভালপায় সেয়া ওলাই পৰে বুলিও আওপকীয়াকৈ কয়। ইয়াতেই ক্ষান্ত নাথাকি মুখ্যমন্ত্ৰগৰাকীয়ে কটনত পঢ়ি থকা দিনত 'সাদিন' নামৰ সাপ্তাহিক কাকতখনে তেওঁক হৰুৱাবলৈ চেষ্টা কৰি থকা বাবে কটনৰ নিৰ্বাচনৰ আগদিনা গোটেই গুৱাহাটীৰ সাদিন সোপাকেই কিনি পেলাইছিল বুলিও বিধানসভাত দম্ভালি মাৰে। আজিৰ ভাষণত অসমত কোনো ছোৱালীয়ে ধনৰ অভাৱত কলেজৰ পৰা ড্ৰপ আউট হোৱা নাই বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ড্ৰপআউট হোৱা এজনী ছোৱালী অখিল গগৈয়ে দেখুৱাই দিব পাৰিলে মুখ্যমন্ত্ৰী পদ এৰি দিব বুলিও কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত চৰকাৰে ঋণ লোৱাৰ সপক্ষে ক'বলৈ গৈ এখন দৈনিক বাতৰি কাকতৰ স্বত্বাধিকাৰীৰ ব্যক্তিগত তথ্য বিধানসভাত পাঠ কৰি দিয়ে। স্বত্বাধিকাৰীগৰাকীৰ নাম নোলোৱাকৈয়ে ৰাজ্যসভাত নিৰ্বাচন খেলাৰ সময়ত সেই স্বত্বাধিকাৰীগৰাকীয়ে ৩ কোটি টকা ঋণ লোৱাৰ প্ৰসংগ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "এইজন লোকৰ পেপাৰখনে সদায় ঋণ লোৱাৰ বিৰুদ্ধে পুৰাই পুৰাই হেডলাইন কৰে। কিন্তু নিৰ্বাচন খেলিবৰ সময়ত নিজেই তেওঁ ৩ কোটি টকাৰ ঋণ লৈছিল। তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ দেখুৱাইছিল ৬ কোটি টকা।" মুখ্যমন্ত্ৰীগৰাকীয়ে এই উদাহৰণ দি কয় যে কোনো এজন লোকে যদি ১ লাখ টকা দৰমহা পায় তেন্তে তেওঁ ৩০ হাজাৰ টকা ঋণ ল'ব পাৰে। তাৰ বিপৰীতে অসম চৰকাৰে ১০০ টকা উপাৰ্জনৰ বিপৰীতে মাত্ৰ ২৫ শতাংশহে ঋণ লৈ আছে বুলিও দাবী কৰি ঋণ লোৱাৰ সপক্ষে মত দাঙি ধৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত বাজেটৰ একাধিক গুণানুকীৰ্তন গোৱাৰ লগতে তেওঁৰ লক্ষ্য ২০২৬ৰ নিৰ্বাচন নহয়, ২০৪৭চনৰ নিৰ্বাচনহে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, "২০২৬লৈ চিন্তা কৰাৰ প্ৰয়োজনেই নাই, ২০২৬ৰ সকলো প্ৰস্তুতি কেতিয়াবাই হৈ গৈছে। আমাৰ লক্ষ্য হৈছে ২০৪৭ চনৰ নিৰ্বাচন। ২০২৪৭ত আমি কেনেকৈ জিকিব তাৰহে কল্পনা কৰিছো।" এইদৰে আজি বাদ-বিবাদৰ মাজেৰে অধিক আগ্ৰাসী মনোভাৱেৰে সাংবাদিকক আক্ৰমণৰ লক্ষ্য কৰি লোৱা পৰিলক্ষিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ্বি পাহাৰৰ সৌৰ শক্তি প্ৰকল্প বন্ধৰ

অহৰহ দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰ নাচোৰবান্দা। তাৰ মাজতে আজি পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ বিষয়টো ৰাজ্যসভাত উত্থাপন কৰে অসমৰ সাংসদ অজিত কুমাৰ ভুঞাই। ভূমি অধিগ্ৰহণ আৰু উচ্ছেদৰ আশংকাত নিদ্ৰাহৰণ হোৱাৰ সময়তে আজি ৰাজ্যসভাৰ শূন্যকালত অজিত কুমাৰ ভূঞাই ৰাজ্যসভাত বিষয়টো উত্থাপন কৰে। সাংসদ ভূঞাই কয় যে কাৰ্বি আংলং কাৰ্বি ভাষাৰ পৰা আহৰণ কৰা হৈছে। কাৰ্বি হৈছে অঞ্চলটোৰ আশে-পাশে বাস কৰা থলুৱা জনজাতিৰ নাম। কিন্তু এতিয়া তেওঁলোকক নিজৰ ভূমিৰ পৰা উচ্ছেদ কৰিব বিচৰা হৈছে। কিয়নো উন্নয়নৰ অজুহাতত ১,০০০ মেগাৱাটৰ এক বৃহৎ সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব খুজিছে। অসম চৰকাৰক ষষ্ঠ অনুসূচী নীতি অস্বীকাৰ কৰি কাৰ্বি আংলঙৰ খটখটি-লংকাথাৰত প্ৰায় ১৮ হাজাৰ বিঘা ভূমিত এছিয়ান ডেভেলপমেণ্ট বেংকৰ সহায়ত ১,০০০ মেগাৱাটৰ বৃহৎ সৌৰ শক্তি প্ৰকল্প নিৰ্মাণৰ বাবে আগবাঢ়িছে। ২০০ বছৰ ধৰি বৃহৎ অঞ্চলৰ ২৩ খন গাঁৱত বাস কৰি থকা প্ৰায় ২০ হাজাৰ কাৰ্বি, জনজাতীয় আৰু নাগা লোকক উচ্ছেদ কৰি ভূমি অধিগ্ৰহণ কৰা হ'ব। অসম চৰকাৰে ইতিমধ্যে ইয়াৰ বাবে সাজু লৈছে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে অনুমতি দিছে। এই প্ৰকল্পৰ নামত ভূমি অধিগ্ৰহণ অসমৰ ইতিহাসৰ সৰ্বাধিক ভূমি অধিগ্ৰহণৰ ভিতৰত এটা হ'ব। আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল যে অসম চৰকাৰে কোনো জনমত অবিহনে এনে কৰিবলৈ লৈছে। যিটো স্থানীয় লোকসকলৰ বাবে একেবাৰে অন্যায়। প্ৰস্তাৱিত ভূমিত দীৰ্ঘদিনে অঞ্চলবাসীয়ে খেতি কৰি আহিছে। অসম-নাগালেণ্ড সীমান্তৰ এক গুৰুত্বপূৰ্ণ জৈব বৈচিত্ৰ্যক্ষেত্ৰ য'ত নদী, উপনদী আদি আছে। অৱশ্যে, কাৰ্বি আংলং স্থায়ী পৰিষদ আৰু অসম চৰকাৰে দীৰ্ঘদিন ধৰি ভূমিখন অনুপযুক্ত ভূমি হিচাপে চিনাক্ত কৰিছে আৰু চৰম ভূমি নীতি উলংঘা কৰিছে। সাংসদ ভুঞাই আৰু কয় যে সমগ্ৰ অসমৰ আন ঠাইত ভূমি অধিগ্ৰহণ কৰি থকা হৈছে। ভূমিসমূহ জনজাতীয় লোকৰ ভূমি। অসমত বিটিআৰ, মিকিৰ বামুণী গ্ৰাণ্ট, কাজিৰঙা, ৰাভা হাছং আৰু অসমৰ অন্যান্য অংশকে ধৰি বহু ভূমি অধিগ্ৰহণৰ অভিযোগ আছে। চৰকাৰে এতিয়া এডভাণ্টেজ আছামৰ নামত এই পৰিকল্পনা কৰিছে। এয়া অত্যন্ত দুখৰ বিষয় যে কাৰ্বি আংলঙৰ লোকসকলে কোনো ডাঙৰ ব্যৱসায়ীৰ সুবিধাৰ বাবে জীৱন-জীৱিকা হেৰুৱাব। এই বৃহৎ প্ৰকল্পটোৰ বাবে কোনো পৰিৱেশ অধ্যয়ন নাই আৰু ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ পৰা কোনো প্ৰক্ৰিয়াপে অনুমতি লোৱা নাই। অসমত ডাৱৰীয়া পৰিৱেশ আৰু বৰষুণৰ বাবে এই প্ৰকল্পটো কিমান সফল হ'ব সেয়াও চোৱাটো গুৰুত্বপূৰ্ণ। সাংসদ অজিত কুমাৰ ভুঞাই সদনত অধ্যক্ষৰ জৰিয়তে প্ৰস্তাৱিত সৌৰ শক্তি প্ৰকল্পটোৰ সৈতে প্ৰায় ২০ হাজাৰ কাৰ্বি, নাগা আৰু জনজাতীয় লোকৰ জীৱন-জীৱিকাৰ সৈতে জড়িত থকাত বন্ধ কৰা কৰিবলৈ অনুৰোধ জনায়। আজি ৰাজ্যসভাত বিষয়টো উত্থাপন কৰাত ভূমি অধিকাৰ সমিতি আৰু কাৰ্বি আংলং সৌৰ শক্তি প্ৰকল্প প্ৰভাৱিত জনঅধিকাৰ সমিতিৰ হৈ সুব্ৰত তালুকদাৰে অজিত ভূঞাক ধন্যবাদ জ্ঞাপন কৰিছে। উল্লেখ্য যে, অসমৰ জনজাতীয় লোকে ভোগ দখল কৰি থকা ১৮ হাজাৰ বিঘা মাটি কাঢ়ি লৈ ১০০০ মেগাৱাটৰ বৃহৎ সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বাবে সাজু হৈছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ। কাৰ্বি আংলং জিলাৰ কাৰ্বি আংলঙৰ খটখটি-লংকাথাৰত ১৮ হাজাৰ বিঘা ভূমি অধিগ্ৰহণ কৰিবলৈ তৎপৰ হোৱাৰ সময়তে স্থানীয় কেইবাহাজাৰ থলগিৰীয়ে আতংকত দিন পাৰ কৰিছে। চৰকাৰে অধিগ্ৰহণ কৰিব খোজা বৃহৎ এলেকাত কাৰ্বি, নগা আৰু আদিবাসী লোকে বসবাস কৰি থকাৰ লগতে মুকলি পথাৰত বাঁহ, কলগছ, ৰবি শস্য, চিত্ৰনলাৰ খেতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে কেইবা হাজাৰ থলগিৰিয়ে। দুশ বছৰৰ পূৰ্বৰ পৰা ঘৰ বান্ধি বসতি কৰি থকা লোকসকলৰ ঘৰ-দুৱাৰ উচ্ছেদ কৰাৰ লগতে জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল খেতিপথাৰ কাঢ়ি ল'ব খুজিছে চৰকাৰে। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰক লৈ পুনৰ সৰৱ গৌৰৱ গগৈ

ঘূৰাই অনাৰ বাবে কেন্দ্ৰৰ নীতিক তীক্ষ্ণ সমালোচনা কৰে গৌৰৱ গগৈয়ে। তেওঁ কয় যে কেৱল বল প্ৰয়োগ কৰি মণিপুৰলৈ শান্তি ঘূৰাই অনা সম্ভৱ নহয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাজ্য ভ্ৰমণ কৰি ৰাইজৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰিবলৈও আহ্বান জনায় সাংসদগৰাকীয়ে। গগৈৰ মতে মণিপুৰত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ একমাত্ৰ পথ হৈছে ৰাজনৈতিক সমাধান। কিন্তু সেই পথটো লোৱাৰ পৰিৱৰ্তে বিজেপি চৰকাৰে প্ৰশাসনিক শক্তি ব্যৱহাৰ কৰি পৰিস্থিতি চম্ভালিবলৈ চেষ্টা কৰিছে। সংসদত অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনাৰ সময়ত গগৈয়ে প্ৰশ্ন উত্থাপন কৰে যে মণিপুৰ বিধানসভাত এই বিষয়ত কিয় বিতৰ্ক হোৱা নাই। কিন্তু তাৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়া হৈছে, যাৰ ফলত বিধানসভাৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন হৈছে। তেওঁ পোনপটীয়াকৈ জানিব বিচাৰে, বিধানসভা ভংগ কৰা হৈছে নে কেৱল স্থগিত ৰখা হৈছে? গৌৰৱ গগৈয়ে কয় যে মণিপুৰৰ জনতাক কথা ক'বলৈ নিদিয়া পৰ্যন্ত শান্তি সম্ভৱ নহয়। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, "আপুনি যদি সঁচাকৈয়ে শান্তি বিচাৰে তেন্তে মণিপুৰৰ জনসাধাৰণক ক'বলৈ সুযোগ দিয়ক। তেওঁলোকৰ ৰাজনৈতিক আকাংক্ষা আৰু উদ্বেগক গুৰুত্ব দিয়ক।" অৱশ্যে গগৈৰ এই মন্তব্যৰ পিছতে সদনত উত্তেজনাৰ সৃষ্টি কৰে বিজেপিয়ে। কংগ্ৰেছ সাংসদগৰাকীৰ এই বক্তব্যৰ বিৰোধিতা কৰে নিশিকান্ত ডুবেকে ধৰি কেইবাজনো বিজেপি নেতাই। মণিপুৰৰ বাজেট আৰু অনুদানৰ দাবী সন্দৰ্ভত আলোচনা হ'ব লাগিছিল, কিন্তু গগৈয়ে ইয়াক পৰিহাৰ কৰি সম্পূৰ্ণৰূপে ৰাজনৈতিক বিতৰ্কত মনোনিৱেশ কৰিছে বুলি তেওঁলোকে যুক্তি দিয়ে। একে সময়তে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণেও গগৈৰ এই অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুপস্থিতিত কংগ্ৰেছ নেতাৰ আপত্তিৰ বিৰোধিতা কৰে। অধ্যক্ষ ওম বিৰলাই কয় যে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ বিদেশ ভ্ৰমণৰ বিষয়ে সদনক আগতীয়াকৈ অৱগত কৰিছিল আৰু সংসদৰ অধিৱেশনৰ সময়ত পূৰ্বৰ প্ৰধানমন্ত্ৰীসকলেও বিদেশ ভ্ৰমণ কৰিছে। ইয়াৰ পিছতে অধিক আক্ৰমণাত্মক হৈ পৰে গৌৰৱ গগৈ। বিজেপি নেতৃত্বাধীন চৰকাৰখন যেতিয়াই হেঁচাত পৰে, তেতিয়াই অতীতৰ প্ৰধানমন্ত্ৰীক অপমান কৰে বুলি প্ৰত্যুত্তৰ দিয়ে গগৈয়ে। বিৰোধী উপ-দলপতিগৰাকীয়ে কয়, "২০২৩ চনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মণিপুৰ ভ্ৰমণৰ সময়ত কৈছিল যে তেওঁ অতি সোনকালে ৰাজ্যলৈ উভতি আহিব। কিন্তু সেই প্ৰতিশ্ৰুতি এতিয়াও কিয় পূৰণ হোৱা নাই?" লক্ষ্যণীয় যে, মণিপুৰত অব্যাহত থকা অশান্তিৰ মাজতে গগৈৰ বক্তব্যই কেন্দ্ৰৰ ওপৰত হেঁচা বৃদ্ধি কৰিছে। উল্লেখ্য যে, মণিপুৰত আৰক্ষীৰ গুলীত শেহতীয়াকৈ এজন যুৱকৰ মৃত্যু ঘটিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্দুক! ডিব্ৰুগড় বিমানবন্দৰত চাঞ্চল্য

সক্ৰিয় গুলী উদ্ধাৰক লৈ তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। সোমবাৰে ইণ্ডিগ' বিমানত চিন্তো দয়াল নামৰ এগৰাকী যাত্ৰীয়ে ডিব্ৰুগড়পৰা নিজ গৃহ ৰাজস্থানলৈ বুলি ৰাওনা হ'বলৈ উপস্থিত হৈছিল ডিব্ৰুগড় বিমান বন্দৰত। সেই সময়ত ডিব্ৰুগড় বিমান বন্দৰত নিৰাপত্তাৰক্ষীয়ে ব্যক্তিজনৰ বেগসমূহ পৰীক্ষা কৰোঁতে ধৰাপৰে এটা ৯ এম এম বন্দুকৰ গুলী। ব্যক্তিজনে ব্যৱসায়ৰ সূত্ৰে বহু বছৰ ধৰি অৰুণাচল প্ৰদেশৰ লংডিঙত বসবাস কৰি আছে। অৰুণাচল প্ৰদেশত ব্যক্তিজনক বিদ্ৰোহী সংগঠনে ভিন্ন সময়ত ধনদাবী কৰি অহাৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিয়ে। আনহাতে, ব্যক্তিজনৰ বেগত এটা সক্ৰিয় গুলি কেনেকৈ সোমাই আছিল সেই সন্দৰ্ভত জ্ঞাত নহয় বুলি তেওঁ মন্তব্য কৰে। ডিব্ৰুগড় বিমান বন্দৰৰ ঘটনাস্থলীত মোহনবাৰী আৰক্ষী উপস্থিত হৈ ব্যক্তিজনক সোধাপোচাৰ বাবে আটক কৰে। সম্প্ৰতি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি দ্বিতীয়টো গোচৰত জামিনৰ

গোচৰত জামিনক লৈ আজি শুনানি সমাপ্ত হৈছে যদিও আজি ৰায় নিদি কাইলৈৰ দিনটোলৈ সংৰক্ষণ কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। কাইলৈ জামিনৰ ৰায় ঘোষণাৰ পিছত যদি জামিন প্ৰদান কৰা হয় তেন্তে মুকলি আকাশৰ তললৈ আহিব মহবুবুল হক। অন্যথাই উচ্চতম ন্যায়ালয়ত জামিনৰ বাবে আবেদন কৰিবলগীয়া হ'ব পাৰে। মহবুবুল হকৰ দ্বিতীয় গোচৰৰ জামিনৰ শুনানি সম্পূৰ্ণ হোৱাত উচ্চ ন্যায়ালয়ে আজি ৰায় সংৰক্ষণ কৰিছে। ইপিনে হকৰ বিৰুদ্ধে চৰকাৰে আৰু এটা গোচৰ কৰিছে যদিও সেই গোচৰত তেওঁক গ্ৰেপ্তাৰ কৰিব নোৱাৰিব অসম আৰক্ষীয়ে। আজি এই নিৰ্দেশ দিছে উচ্চ ন্যায়ালয়ে। হকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে তৃতীয়টো গোচৰ গোসাঁইগাঁও আৰক্ষী থানাত ৰুজু কৰিছিল। উত্তীৰ্ণ কৰাই দিম বুলি এগৰাকী শিক্ষাৰ্থীক পৰীক্ষাত বহুওৱাৰ অভিযোগ তুলি শিক্ষাৰ্থীগৰাকীৰ অভিভাৱকে এজাহাৰ দাখিল কৰিছিল। কিন্তু গোসাইগাঁও আৰক্ষী থানাত ৰুজু তৃতীয় গোচৰৰ সন্দৰ্ভত মহবুবুল হকক গ্ৰেপ্তাৰ কৰাত বাধা দি নিৰ্দেশ জাৰি কৰিছে উচ্চ ন্যায়ালয়ে। পাথাৰকান্দি কেন্দ্ৰত পৰীক্ষা দিবলৈ যোৱা কৃপাঞ্জলি বসুমতাৰী নামৰ এগৰাকী ছাত্ৰীৰ মাতৃ লীলাৱতী বসুমতাৰীয়ে গোসাঁইগাঁও আৰক্ষী থানাত ইউএছটিএমৰ উপাচাৰ্যৰ বিৰুদ্ধে নতুনকৈ গোচৰ ৰুজু কৰিছিল। ইউএছটিএম কৰ্তৃপক্ষই গোসাইগাঁৱৰ পৰিৱৰ্তে প্ৰায় ৪০০ কিলোমিটাৰ দূৰৰ পাথাৰকান্দিত কৃপাঞ্জলিক পৰীক্ষা দিবলৈ নিছিল। দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ পৰীক্ষা কেন্দ্ৰ ওচৰত দিবলৈ আবেদন কৰা স্বত্বেও কোনো ব্যৱস্থা লোৱা হোৱা নাছিল বুলি কয়। ছাত্ৰীগৰাকীৰ পৰিয়ালে ইউএছটিএম কৰ্তৃপক্ষক ইয়াৰ পৰিবৰ্তে তাইৰ পৰীক্ষাৰ নম্বৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগৰ পিছতে মাতৃয়ে গোসাইগাঁও আৰক্ষী থানাত আনুষ্ঠানিক অভিযোগ দাখিল কৰে। যাৰ ফলত বিশ্ববিদ্যালয় প্ৰশাসনৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰা হয়। ফ্লাড জেহাদকে ধৰি বিভিন্ন অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আক্ৰমণৰ লক্ষ্য কৰি লোৱা মেঘালয়ৰ ইউএছটিএম নামৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য মহবুবুল হকক ২১ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ডেৰ বজাত গ্ৰেপ্তাৰ কৰিছিল অসম আৰক্ষীয়ে। মহানগৰীৰ ভেটাপাৰাৰ সমীপৱৰ্তী ঘোঁৰামৰাৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলালৈ নিছিল। উল্লেখ্য যে, মহবুবুল হকৰ ইআৰডি নামৰ এটা ফাউণ্ডেচনৰ অধীনত চলা চিবিএছইৰ শ্ৰীভূমিৰ পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুল চিবিএছইৰ পৰীক্ষাৰ কেন্দ্ৰ কৰা হৈছিল। পথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষা কেন্দ্ৰত ২০ ফেব্ৰুৱাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰীক্ষা কেন্দ্ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ইআৰডি ফাউণ্ডেচনৰ অধীনৰ শিক্ষানুষ্ঠানৰ ২১৪গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা হ'লত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। চকী-মেজ ভাঙি পেলাইছিল। পৰীক্ষাৰ্থীকসকলক বিশেষ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ আনি সেই সুবিধা নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাত আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে লয়। আৰক্ষীয়ে দণ্ডাধীশৰ উপস্থিতিত পৰীক্ষাৰ্থীৰ ভাষ্য সংগ্ৰহ কৰাৰ লগতে কেইবাগৰাকীও লোকে পৰীক্ষাৰ্থীৰ সৈতে বুজাবুজি কৰাৰ তথ্য লাভ কৰে। পৰৱৰ্তী সময়ত এই সমগ্ৰ প্ৰক্ৰিয়াত ধনৰ লেনদেনৰ সন্দেহ কৰি দুটাকৈ গোচৰ ৰুজু কৰা হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তামিলনাডুক গালি দি বিপদত

দক্ষিণ ভাৰতীয় ভাষা বিতৰ্কৰ মাজতে শেহতীয়াকৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে তামিলনাডুক লৈ কৰা মন্তব্য 'অশোভনীয়' বুলিও ধিক্কাৰ জনায় ষ্টেলিনে। একে সময়তে ৰাষ্ট্ৰীয় শিক্ষা নীতি সম্পূৰ্ণৰূপে বাতিলৰ দাবীত তেওঁ বিজেপিৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। লক্ষ্যণীয় যে, তামিলনাডুক লৈ ধৰ্মেন্দ্ৰ প্ৰধানে কৰা মন্তব্যই সদনৰ মজিয়াত বিতৰ্কৰ সৃষ্টি কৰাৰ পিছতে ক্ষমা খোজে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে। পৰিণামস্বৰূপে সংসদৰ ৰেকৰ্ডৰ পৰা বাদ দিয়া হয় তেওঁৰ ব্যক্তব্য। ইফালে, মুখ্যমন্ত্ৰী ষ্টেলিনে কয় যে তামিলনাডু এতিয়া দেশৰ দ্বিতীয় বৃহত্তম অৰ্থনৈতিক শক্তি হিচাপে পৰিগণিত হৈছে। বিগত তিনিবছৰত ১০ লাখ কোটিৰো অধিক ব্যক্তিগত বিনিয়োগ ৰাজ্যলৈ আহিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নীতিয়ে বাধাৰ সৃষ্টি নকৰা হ'লে এই বৃদ্ধিৰ হাৰ আৰু বেছি হ'লহেঁতেন। কেন্দ্ৰই শিক্ষাৰ ওপৰত জাপি দিয়া নীতিৰ বিৰোধিতা কৰি তেওঁ কয় যে বিজেপি চৰকাৰে তামিলনাডুৰ শিক্ষা ব্যৱস্থা ধ্বংস কৰাৰ চেষ্টা চলাইছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিক "বিপজ্জনক" বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে তেওঁৰ চৰকাৰে কোনো কাৰণতে ইয়াক গ্ৰহণ নকৰে। তেওঁ অভিযোগ কৰে যে ৰাজ্যই তিনিভাষিক নীতি মানি ল'লে তামিলনাডুক ২০০০ কোটি টকা শিক্ষাৰ পুঁজি প্ৰদানৰ চৰ্ত কেন্দ্ৰই দিছিল। অৱশ্যে তেওঁ সদম্ভে কয়, "কেৱল ২০০০ কোটি টকা নহয়, ১ লাখ কোটি টকাৰ প্ৰস্তাৱ দিলেও আমি এই এনইপি গ্ৰহণ নকৰো।" ষ্টেলিনে কয় যে এই নীতিয়ে শিক্ষাৰ সম্পূৰ্ণ ব্যক্তিগতকৰণৰ পথ প্ৰশস্ত কৰিব। কেন্দ্ৰীয় চৰকাৰে উচ্চ শিক্ষা ধনী লোকৰ মাজত সীমাবদ্ধ কৰি, শিক্ষাক ধৰ্মৰ সৈতে সংযোগ কৰি, সৰু ল'ৰা-ছোৱালীৰ বাবে ৰাজহুৱা পৰীক্ষা বাধ্যতামূলক কৰি, কলা, বিজ্ঞান, অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ বাবে নীটৰ দৰে প্ৰৱেশ পৰীক্ষাৰ প্ৰৱৰ্তন কৰি শিক্ষা ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ স্থাপন কৰিব বিচাৰিছে। উল্লেখ্য যে, ভাষা বিতৰ্কৰ পৰিপ্ৰেক্ষিতত সদনৰ মজিয়াত তামিলসকল 'আন-চিভিলাইজড' বুলি অভিহিত কৰিছিল শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে। এই মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ষ্টেলিনে কয়, "ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে তামিলসকল অসভ্য। কিন্তু আমাৰ তামিল সাংসদসকলে তেওঁক মাত্ৰ আধা ঘণ্টাৰ ভিতৰতে তেওঁৰ মন্তব্য প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰালে। এই সংগ্ৰামৰ বাবে মই তেওঁলোকক অভিনন্দন জনাইছো।" বিজেপিক আক্ৰমণ কৰি তেওঁ কয় যে তেওঁৰ চৰকাৰে তামিলনাডুৰ ভাষা, সংস্কৃতি আৰু শৈক্ষিক স্বায়ত্তশাসন ৰক্ষাৰ ক্ষেত্ৰত আপোচ নকৰে। কেন্দ্ৰই জাপি দিয়া শিক্ষা নীতিৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখাৰ সকীয়নিও মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। উত্তৰ আৰু দক্ষিণ ভাৰতৰ এই ভাষা বিতৰ্কই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰিদ্ৰ পোহাৰীক ঘোঁচা ভব্য ডাক্তৰৰ

হৈছে গুৱাহাটী মহানগৰীত। গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াত পথৰ দাঁতিত দোকান দি ঘৰ চলোৱা এটা পৰিয়ালক এজন চিকিৎসকে আক্ৰমণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ বেলতলাত সংঘটিত হৈছে এই ঘটনা। ডাঃ বি কলিতা নামৰ চিকিৎসা সেৱাৰ সৈতে জড়িত উচ্ছৃংখল চিকিৎসকজনে আইন হাতত লৈ দৰিদ্ৰ লোকক আক্ৰমণ কৰে। ডাঃ বি কলিতাৰ চেম্বাৰৰ সন্মুখত দোকান দিয়াৰ বাবেই পুৰুষ-মহিলাক আক্ৰমণ কৰে। জানিব পৰা মতে, বেলতলাত ডাঃ বি কলিতাৰ এখন চেম্বাৰ আছে। চেম্বাৰৰ সন্মুখত এখন সৰু দোকান দিয়ে দম্পতীয়ে। ডাঃ কলিতাই তেওঁৰ ক্লিনিকৰ সন্মুখত দোকান চলাই থাকিবলৈ টকা দাবী কৰি আহিছিল। দাবী কৰা অনুসৰি প্ৰতিমাহে নিৰ্দিষ্ট পৰিমাণৰ ধন দি আহিছিল। কিন্তু ৰমজান মাহ আৰম্ভ হোৱাত বিক্ৰী কমি অহাত মাহেকত দি অহা ধন চিকিৎসকজনক পৰিশোধ কৰিব পৰা নাছিল। ফলত ডাঃ বি কলিতা আৰু দৰিদ্ৰ পৰিয়ালটোৰ মাজত তীব্ৰ বিবাদ হয়। বিবাদৰ মাজতে কালি পৰিয়ালটোক আক্ৰমণ কৰে। চিকিৎসকৰ লগতে চেম্বাৰৰ কৰ্মচাৰীসকলে বিক্ৰেতা আৰু তেওঁৰ পত্নীক আক্ৰমণ কৰে। মহিলাগৰাকীয়ে কয়, "তেওঁ মোৰ স্বামীক আঘাত কৰিছিল আৰু মোক আক্ৰমণো কৰিছিল। মই আঘাত পাইছো। মোৰ হাত আৰু বুকুত আঘাত লাগিছে।" ইফালে, এই আক্ৰমণৰ দৃশ্য মোবাইলৰ কেমেৰাত বন্দী হৈছে। দোকানীজনে কয় যে চিকিৎসকে আমাক ঠাইখন খালী কৰাৰ ভাবুকি দিছিল। কিন্তু মই তেওঁক কৈছিলো যে ৰমজান মাহ হোৱাৰ বাবে স্থানান্তৰ কৰিব নোৱাৰিম। মই ৰোজাৰ বাবে উপবাস কৰি আছো। বেয়া ব্যৱসায়ৰ বাবে মই তেওঁক টকা পৰিশোধ কৰিব পৰা নাছিলো। বিক্ৰেতাজনে আৰু অভিযোগ কৰি কয় যে ডঃ কলিতাই গুৱাহাটী পৌৰ নিগমৰ (জিএমচি) ওচৰত অভিযোগ দিছিল। বিষয়াসকলে তেওঁলোকৰ বাচন-বৰ্তন জব্দ কৰি তেওঁলোকক খালী কৰিবলৈ নিৰ্দেশ দিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাহোৱালত ডাইনীৰ সন্দেহত গাৰ

লোকে ডাইনীৰ দৰে অন্ধবিশ্বাসক প্ৰশ্ৰয় দি আহিছে। তেনে লোকেই ডাইনী হত্যা আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিয়া সাহসী নাৰী বীৰুবালা ৰাভাৰ অসমত পুনৰ ডাইনীৰ দৰে লজ্জাজনক ঘটনা সংঘটিত কৰিলে। বীৰুবালা ৰাভাৰ আদৰ্শৰে সমাজৰপৰা অন্ধবিশ্বাস, কু-সংস্কাৰ তথা ডাইনীৰ সন্দেহত মানুহক আক্ৰমণ বা হত্যা বন্ধ কৰিবলৈ আজিও সামাজিক স্বেচ্ছাসেৱী সংস্থাই কাম কৰি আছে যদিও একাংশ লোক আজিও অন্ধবিশ্বাস, কু-সংস্কাৰৰ বশৱৰ্তী হৈ মানুহক নৈত দলিয়াই হত্যা কৰিবলৈ উদ্যত হৈ পৰা ভয়ংকৰ ঘটনা পোহৰলৈ আহিছে এইখন অসমত। এইবাৰ উজনিৰ ডিব্ৰুগড় জিলাৰ লাহোৱালত ডাইনীৰ সন্দেহত এগৰাকী অসহায় মহিলাক সোমবাৰে নৈত দলিয়াই হত্যা কৰাৰ প্ৰয়াস কৰা হৈছিল যদিও কোনোমতে মহিলাগৰাকীৰ প্ৰাণৰক্ষা পৰে। লাহোৱালৰ ৰমাই ঘাটত এনে ভয়ংকৰ ঘটনা সংঘটিত হৈছে। ডাইনী বুলি সন্দেহ কৰি জিলাখনৰ ঘোঁৱামৰাৰ ৰমাই ১নং ৰাজগড় শিঙিমাৰি গাঁৱৰ একাংশ লোকে মহিলাগৰাকীক ধৰি-বান্ধি বুঢ়ীদিহিং নৈত উটুৱাই দিয়ে। মহিলাগৰাকীৰ নাম মনিকা চাংঘা (৫৫)। তেওঁক ধৰি-বান্ধি নদীত পেলাই দিয়া হয় যদিও পিছত স্থানীয় গাঁওপ্ৰধান আৰু এগৰাকী নাৰৰীয়াই তেওঁক নদীৰ বুকুৰ পৰা উদ্ধাৰ কৰে। উদ্ধাৰৰ পিছত তেওঁক ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ আইচিইউত ভৰ্তি কৰোৱা হয়, য'ত তেওঁ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু লাহোৱাল থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ উপস্থিতিত তদন্ত চলি আছে। মহিলাগৰাকীক অচেতন অৱস্থাত নৈত পেলাই দিয়া হৈছিল। স্থানীয় লোকসকলে তেওঁক নদীত ককবকাই থকা অৱস্থাত দেখি উদ্ধাৰ কৰে। দুৰ্ভাগ্যজনকভাৱে, অসমত ডাইনী সন্দেহত মহিলাৰ ওপৰত হোৱা বৰ্বৰোচিত নিৰ্যাতনৰ ঘটনা এইটো প্ৰথম নহয়। এইধৰণৰ ঘটনাই সমাজত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ চিন্তাত এতিয়াও যে বহু মানুহ মগ্ন হৈয়ে আছে তাৰেই প্ৰমাণ কৰিছে বুলি অনেকে মতপ্ৰকাশ কৰে। স্থানীয় ৰাইজে অসমৰ গ্ৰাম্য অঞ্চলত ডাইনী সন্দেহৰ নামত হোৱা হিংসাৰ বিৰুদ্ধে কঠোৰ হ'বলৈ দাবী জনাইছে। চৰকাৰে সমাজৰপৰা এইধৰণৰ ঘটনা ৰোধ কৰিবলৈ জৰুৰীভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যক বুলি কয়। ৰাজ্য চৰকাৰে ১৩ মে'ত বীৰুবালা ৰাভাৰ মৃত্যুৰ দিনটোক অন্ধবিশ্বাস বিৰোধী দিৱস ৰূপে পালনৰ ঘোষণা কৰিছে যদিও ৰাজ্য প্ৰশাসনে আজিও ডাইনীৰ বিৰুদ্ধে গণসচেতনতা গ্ৰাম্য এলেকালৈ নিবলৈ সক্ষম হোৱা নাই। সেই কথা সোমবাৰৰ ঘটনাৰ দ্বাৰা প্ৰমাণ হয়। মঙলবাৰে ঘটনাটোৰ লগত জড়িত ২ জন পুৰুষ আৰু ৫ গৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে লাহোৱাল আৰক্ষীয়ে। ইতিমধ্যে মূল অভিযুক্ত, ভণ্ড পূজাৰী বিনোদ চাংঘাসহ ৬ গৰাকী অভিযুক্তৰ বিৰুদ্ধে আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ৭ জন লোকক আদালতত হাজিৰ কৰাৰ বাবে মঙলবাৰে লাহোৱালৰপৰা লৈ যোৱা হৈছে। লাহোৱাল থানাত ৪১/২৫ নম্বৰৰ গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ 4/7/109/117(2)/189(2)/191(২) 329 (3) 61(2) ধাৰাত গ্ৰেপ্তাৰ কৰা অভিযুক্তকেইটা হৈছে সূৰজ চাংঘা (৩১), বিনোদ চাংঘা (৬০), যমুনা চাংঘা (৩০), সংগীতা চাংঘা (৩০), আলিছা চাংঘা (৩০), সূৰজমনি চাংঘা (৩০), ফুলমণি চাংঘা(২৯)। ইয়াৰে বিনোদ চাংঘা নামৰ লোকজন আছিল এজন ভণ্ড তান্ত্ৰিক। এইজন তান্ত্ৰিকৰ নিৰ্দেশতে সংঘটিত হৈছিল এই কুকাৰ্য। এই ঘটনাই সমগ্ৰ ৰাজ্য জোকাৰি গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাপ্য বিচাৰি ৬৪গৰাকী প্ৰৱক্তাই

দাবীৰ কথা ৰজাঘৰীয়াক ক'বলৈ গুৱাহাটীলৈ আহিছিল। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে চাকৰি নিয়মীয়াকৰণ নকৰাত মহৰ কামোৰত মুক্ত আকাশৰ তলত প্ৰতিবাদ কৰিবলৈ অহা ফেকাল্টীসকল বিপদত পৰিল। বাজেট অধিৱেশন আৰম্ভ হোৱাৰ দিনটোৰ ২৩ দিন আগৰে পৰাই চাকৰি নিয়মীয়াকৰণ কৰাৰ দাবীত মহানগৰীৰ চচলত প্ৰতিবাদ কৰি গৈছিল। কিন্তু ২৩ দিন ধৰি চকুলো টুকি প্ৰতিবাদ কৰি থাকিও চৰকাৰৰ হৃদয় গলাব নোৱাৰিলে ৬৪ গৰাকী প্ৰৱক্তাই। অৱশেষত ৬৪ গৰাকী প্ৰৱক্তাক ওলোটাই শাস্তি দিলে চৰকাৰে। শাস্তি একেবাৰে কঠোৰ। একেবাৰে চাকৰিৰ পৰাই খেদিলে প্ৰৱক্তাসকলক। ১০ মাৰ্চৰ নিশা প্ৰতিবাদকাৰী প্ৰৱক্তাসকলক পলিটেকনিকৰ অধ্যক্ষসকলে অব্যাহতি পত্ৰ প্ৰেৰণ কৰিছে। চাকৰিৰ পৰা অব্যাহত দিয়াৰ পিছতে প্ৰতিবাদী প্ৰৱক্তাসকল শোকত ভাগি পৰে। তেওঁলোকে কয় যে সমস্যাসমূহ সমাধানৰ পৰিৱৰ্তে আমাক চাকৰিৰ পৰা খেদিলে। বিষয়টোত মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰক। চকুলো টুকি তেওঁলোকে কয় যে আমাৰ মাজত ৮৪ শতাংশ নম্বৰ পোৱা ছাত্ৰ আছে। পৰীক্ষাত স্থান পোৱা ল'ৰা-ছোৱালী আছে। এমএছচি কৰা মানুহ আছে। গোটেইসমূহ যোগ্য মানুহ। বিষয়টোত চৰকাৰে হস্তক্ষেপ কৰক। আমাৰ চাকৰি পুনৰ বাহাল কৰক। চৰ্ত দি আমাক চাকৰিত লৈছিল, আমি যাতে বেলেগ চাকৰি কৰিব নোৱাৰো। আমাৰ অৰিজিনেল চাৰ্টিফিকেট লৈ লৈছিল। অল আছাম পলিটেকনিক ফাউণ্ডাৰ ফেকাল্টী এছ'চিয়েচনৰ সভাপতি ৰাজীৱ কলিতাই কয় যে কলেজবোৰ কেতিয়া কোনে খুলিছিল সেই কথা অসমৰ মানুহে জানে। যেতিয়া প্ৰতিষ্ঠানসমূহ স্থাপন কৰিছিল তেতিয়াই ভাৰতৰ চৰকাৰৰ সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদৰ অনুমতিৰ বাবে আমাক ঠিকাভিত্তিত নিয়োগ কৰিছিল। সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদত আমাক নিয়মীয়া কৰ্মচাৰী বুলি দেখুৱাই প্ৰতিষ্ঠানৰ অনুমতি লৈছিল। কিন্তু ঠিকাভিত্তিত আমাক লৈ ভুল তথ্য দি অনুমতি লৈছিল চৰকাৰে। আজি আমাক চাকৰিৰ পৰা অব্যাহতি দিছে। উচ্চ আৰু কাৰিকৰী শিক্ষা সঞ্চালকালয়ে দিয়া নিৰ্দেশনা অনুসৰি অধ্যক্ষসকলে আমাক চাকৰিৰ পৰা অব্যাহতি দিছে। বহু পদ খালী হৈ আছে। বৰ্তমান ক্লাছ হৈ থকা নাই। আমি যিহেতু ধৰ্ণাত বহিলো আমি ভাবিছিলো চৰকাৰে আমাক কিবা এটা আশ্বাস দিব। আমাক অব্যাহতিহে দিলে। আমি ৮ বছৰ চাকৰি কৰিলো। চাকৰিৰ বয়স গুচি গ'ল। আমাৰ প্ৰতিবাদত মুঠ ৪৫১ জন মানুহ আছিল। বাকীসকলে প্ৰতিবাদ এৰি থৈ গ'ল। আমি প্ৰতিষ্ঠাপক প্ৰৱক্তা ৬৪ জনে প্ৰতিবাদ কৰি গৈছো। আমি প্ৰতিষ্ঠান আৰম্ভ হোৱাৰ প্ৰথমদিনাৰ পৰাই কাম কৰি আহিছো। যেতিয়া কলেজত চকী-বেঞ্চ, বাথৰুম নাছিল তেতিয়াৰ পৰাই কাম কৰি আহিছো। যিসকলে তেনে অৱস্থাৰ পৰা কাম কৰিলে তেওঁলোক আজি ৰাস্তাত। বাকীসকলে কাম কৰি আছে। চৰকাৰে কৈছে পৰীক্ষা দি উত্তীৰ্ণ হওক। আমাৰ বয়স পাৰ হৈ গ'লে কেনেকৈ নিযুক্তি পৰীক্ষা দিম। মোৰ ছাত্ৰৰ সৈতে বহি মই কেনেকৈ নিযুক্তি পৰীক্ষা দিম। আমি পঢ়ুওৱা সাতটা বেটছ ওলাই গৈ ৯০ শতাংশই চাকৰি পালে। অ'এনজিচি, অইলত চাকৰি পালে। কিন্তু আমি আজি কান্দি আছো। উল্লেখ্য যে, চচলত প্ৰতিবাদ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক স্মাৰক পত্ৰ প্ৰদান কৰিছিল প্ৰৱক্তাসকলে। কিন্তু মুখ্যমন্ত্ৰীটো দূৰৰ কথা কোনো এজন চৰকাৰী প্ৰতিনিধিয়ে আজিলৈ খবৰ নল'লে। তাৰ মাজতে মহৰ কামোৰত অস্বাস্থ্যকৰ পৰিৱেশত দিনে-নিশাই অনশনৰত প্ৰৱক্তাসকলক কঠোৰ শাস্তি দিলে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। অল আছাম পলিটেকনিক ফাউণ্ডাৰ ফেকাল্টী এছ'চিয়েচনেও বিগত ২৩ দিন ধৰি চচলত অনশন কৰি আছিল। ফেকাল্টীসকলে চৰকাৰ বিৰোধী শ্ল'গান দি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছিল। ফেকাল্টীসকলে কয় যে যেতিয়া পলিটেকনিক প্ৰতিষ্ঠা হৈছিল তেতিয়া আমি ফাউণ্ডাৰ ফেকাল্টী আছিলো। চৰকাৰে আমাক লৈছিল। কিন্তু আমাৰ চাকৰি নিয়মীয়াকৰণ কৰা নাই। দৰমহা কেইটা পাবলৈ আমি ৰৈ থাকিব লাগে। আমি আমাৰ কাম কৰি গৈছো। উল্লেখ্য যে, ফাউণ্ডাৰ ফেকাল্টীসকলক হিমন্ত বিশ্ব শৰ্মা শিক্ষামন্ত্ৰী হৈ থকাৰ সময়তে ২০১৭ চনত নিযুক্তি দিয়া হৈছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223



লেলিহান শিখা! মুহূৰ্তৰ ভিতৰতে জুয়ে চানি ধৰিলে পানবাৰী বনাঞ্চলৰ ৫০ হেক্টৰ ভূমিত, ফটোঃ ই-সংবাদ, ধেমাজি

## জাহ গ'ল বন বিভাগে ৰোপণ কৰা শতাধিক মূল্যবান গছ

# পানবাৰী বনাঞ্চলত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, ধেমাজি, ১১ মাৰ্চঃ** দেওবাৰে ধেমাজি জিলা বন বিভাগৰ অন্তৰ্গত জয়ৰামপুৰ পানবাৰী বনাঞ্চলত দুপৰীয়াৰ ভাগত এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ড ইমানেই বিধ্বংসী আছিল যে ২ ঘন্টাৰ ভিতৰতে ছাৰখাৰ হৈ পৰে বন বিভাগে ৰোপণ কৰা শ শ মূল্যবান গছ। তথ্য মতে, বিভিন্ন আঁচনিৰ অধীনত ৫০ হেক্টৰ মাটিত বন বিভাগে গছ ৰোপণ কৰিছিল। ২০২২ শেষাংশ ৭ পৃষ্ঠাত

# ৰাজ্যৰ বাজেটত উপেক্ষা, শিৱসাগৰত অনুসূচিত জাতি ছাত্ৰ সন্থাৰ হুংকাৰ

**ই-সংবাদ, শিৱসাগৰ, ১১ মাৰ্চঃ** বিধানসভাত কালি বিত্ত মন্ত্ৰী অজন্তা নেওগে দাখিল কৰা বাজেটত অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ অনুসূচিত জাতিৰ ৰাইজক উপেক্ষা কৰা হ'ল। এই অভিযোগ উত্থাপন কৰি আজি শিৱসাগৰত তীব্ৰ প্ৰতিবাদ শেষাংশ ৭ পৃষ্ঠাত

# মাতব্বৰৰ ভূমিকা লৈ ধনৱানৰ পক্ষ হালাকুৰা আৰক্ষীৰ!

**ই-সংবাদ, গোলকগঞ্জ, ১১ মাৰ্চঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী চকীৰ অন্তৰ্গত লোহাজানী গাঁৱত যোৱা সাত মাৰ্চত গাঁওখনৰ লাতিফুল বেপাৰীয়ে পৰিয়ালক মাৰপিট কৰি যুৱতী এগৰাকীক অপহৰণ কৰা ঘটনাই অঞ্চলটোত শেষাংশ ৮ পৃষ্ঠাত

# কংগ্ৰেছ কৰ্মী প্ৰণৱজ্যোতিৰ ৰহস্যজনক মৃত্যু, হত্যা কৰাৰ সন্দেহ

## প্ৰণৱজ্যোতিৰ ঘৰত উপস্থিত ভূপেন বৰা

**ই-সংবাদ, পুৰণিগুদাম, ১১ মাৰ্চঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ সমীপৱৰ্তী মুঢ়ানি গাঁৱৰ উদীয়মান যুৱক প্ৰণৱজ্যোতি বৰাৰ মৃতদেহ যোৱা ৭ মাৰ্চত উদ্ধাৰ হোৱাক লৈ আজিও ৰহস্য ভেদ হোৱা নাই। যোৱা ৬ মাৰ্চত বাৰপুজীয়াৰ এখন বিবাহৰ পৰা আহি বন্ধুক ঘৰত থৈ নিজে আন এখন বিবাহলৈ যোৱাৰ কথা কৈ ঘৰলৈ অহা প্ৰণৱজ্যোতিৰ নিথৰ দেহ উদ্ধাৰ কৰিছিল চুবুৰীৰে এঘৰ চোতালত। পৰিয়ালৰ তথা স্থানীয় ৰাইজে এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি কৈছিল যদিও প্ৰণৱজ্যোতিৰ মৃতদেহ শেষাংশ ৭ পৃষ্ঠাত

# প্ৰসংগ মুখ্যমন্ত্ৰী! ভৱানীপুৰীয়া গোপাল আতা বঁটাক লৈ বিতৰ্ক

**ই-সংবাদ, ভৱানীপুৰ, ১১ মাৰ্চঃ** যোৱা ৯ মাৰ্চত শ্ৰীশ্ৰীনাচনিপাৰ সত্ৰৰ ডেকা সত্ৰীয়া ধীৰাজ গোস্বামীয়ে ভৱানীপুৰ সত্ৰ আৰু 'ভৱানীপুৰীয়া গোপাল আতা বঁটা' সন্দৰ্ভত এক পত্ৰৰ জৰিয়তে কৰা প্ৰতিক্ৰিয়া আৰু ইয়াৰ পিছতেই উক্ত পত্ৰৰ শেষাংশ ৮ পৃষ্ঠাত

# বৈঠালাংছ'ত অন্তৰংগ সাহিত্য সমাজৰ স্মৃতিচাৰণ সভা

**ই-সংবাদ, বৈঠালাংছ', ১১ মাৰ্চঃ** অন্তৰংগ সাহিত্য সমাজ, বৈঠালাংছৰ উদ্যোগত অলপতে বৈঠালাংছ' প্ৰেছ ক্লাব প্ৰাংগণত অভিভক্ত কাৰ্বি আংলং জিলাৰ দুগৰাকী মহীৰূহ, গৱেষক-সাহিত্যিক ক্ৰমে ড০ ফুকন চন্দ্ৰ ফাংচ' আৰু বসন্ত দাসৰ এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত শেষাংশ ৯ পৃষ্ঠাত




জিলা আয়ুক্ত, সমজিলা আয়ুক্তৰে বৈঠকত মুখ্যমন্ত্ৰী, মঙলবাৰে নিশা

## বিলত উদ্ধাৰ চুৰি সামগ্ৰী

# সত্ৰত চুৰি কৰি গ্ৰেপ্তাৰ শুকুৰ আলী

**ই-সংবাদ, পুৰণিগুদাম, ১১ মাৰ্চঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত চোৰৰ উপদ্ৰৱে গঞা ৰাইজক অতিষ্ঠ কৰা পৰিলক্ষিত হৈছে। দিন দুপৰতে চোৰৰ দলে বাইক চুৰি শেষাংশ ৯ পৃষ্ঠাত

# নিৰুদ্দেশ শিল্পী! মুম্বাইলৈ গৈ উভতি নাহিল সনক কলিতা

**ই-সংবাদ, উত্তৰ কামৰূপ, ১১ মাৰ্চঃ** গুৱাহাটীত প্ৰতিষ্ঠা লাভ কৰা কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ সমীপৱৰ্তী পাইকানা গাঁৱৰ বিশিষ্ট ভাস্কৰ্য শিল্পী সনক কলিতা যোৱা প্ৰায় আঢ়ৈ মাহ ধৰি সন্ধানহীন হৈ থকা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, প্ৰায় ৩০ বছৰ পূৰ্বে কামৰ সন্ধানত গুৱাহাটীলৈ গৈ ভাস্কৰ্য বিদ্যা আয়ত্ত কৰি সনক কলিতাই গুৱাহাটীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত একাধিক



ভাস্কৰ্য নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত হৈ পৰিছিল। শেহতীয়াকৈ তেওঁ মহানগৰীৰ ভেটাপাৰাত নিজাকৈ ভাস্কৰ্য শিল্পৰ এক প্ৰতিষ্ঠানো গঢ়ি তুলিছিল। কিন্তু ৰহস্যজনকভাৱে যোৱা ডিচেম্বৰ মাহৰ শেষৰফালে ব্যৱসায় শেষাংশ ৮ পৃষ্ঠাত

■ ৬নং পৃষ্ঠাৰ পৰা...

# পানবাৰী বনাঞ্চলত বিধ্বংসী অগ্নিকাণ্ড

চনত ৰোপন কৰা উক্ত গছসমূহৰ ভিতৰত আছিল ক্ৰমে, গমাৰী, চিচু, অৰ্জুন, কাঞ্চন, আমলখি, এজাৰ, শিলিখা, কৰৈ, বগীপমা, শিমলু, ঘোঁৰানিম, চোম, অমৰা আদি ৰোপণ কৰা প্ৰায় ১.২৫ লাখ গছপুলি জুইত জাহ যায়। এই বনাঞ্চলৰ গছসমূহ ডাঙৰ হোৱালৈকে চোৰা-চিতাৰ বিশেষ দায়িত্বত আছিল বনবিভাগ। কিন্তু, গছপুলি ৰোপণৰ তিনিটা বছৰৰ পিছতে ৰহস্যজনক ভাৱে অগ্নিকাণ্ড সংঘটিত হোৱাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।পানবাৰী-কাঞ্চকোনাস্থিত বনাঞ্চলখনৰ জুইয়ে নিমিষতে দাতিকাষৰীয়া অঞ্চলসমূহো সাঙুৰি লয়। ৭ খনকৈ অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীয়েও জুই নিৰ্বাপণ কৰিব নোৱাৰিলে। প্ৰত্যক্ষদৰ্শীসকলৰ চকুৰ সমুখতে সমগ্ৰ বাউণ্ডাৰীটো জ্বলি ছাই হৈ পৰিছিল। বন বিভাগ, আৰক্ষী প্ৰশাসন, অগ্নি নিৰ্বাপক বাহিনী মোতায়েনৰ পিছতো ২ ঘন্টালৈকে জুই নিৰ্বাপিত হোৱা নাছিল। এই ঘটনাত কথমপি ৰক্ষা পৰে এখন দাতিকাষৰীয়া গাওঁ। লালুকীজান, কাঞ্চনকোনা, পানবাৰী গাঁৱৰ ৰাইজে জুইৰ লেলিহান ৰূপ দেখি আতংকিত হোৱাই নহয়, হুৰাদুৰা লাগি পৰে সকলোৱে মাজত। সকলোৱে প্ৰশ্ন, কাৰ স্বাৰ্থত জ্বলোৱা হৈছিল বনাঞ্চলখন? কোন দুষ্কৃতিকাৰী জড়িত এই কাণ্ডত? যি সময়ত গছ থাকিলেহে, মানুহ থাকিব শ্লগানৰে চৰকাৰ প্ৰশাসনে বিভিন্ন আঁচনি যুগুত কৰিছে, সেই সময়ত কোনো দুষ্ট চক্ৰই কিয় আৰু কেনেকৈ জ্বলাবলৈ পালে বন বিভাগে ৰোপণ কৰা গছ? এতিয়া ৫০ হেক্টৰ মাটিত ৰোপণ কৰা গছৰ লোকচানৰ দায়িত্ব ল'ব কোনে? এই প্ৰশ্নই এতিয়া সৰ্বত্তে চৰ্চিত হৈছে। স্থানীয় ৰাইজে সমগ্ৰ ঘটনাৰ এক উচিত পৰ্যায়ৰ তদন্ত দাবী কৰিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ বাজেটত উপেক্ষিত, অনুসূচিত

সাব্যস্ত কৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। সন্থাৰ বহু সংখ্যক কৰ্মী তথা বিষয়ববীয়াই ঐতিহাসিক শিৱদৌলৰ সন্মুখত সাব্যস্ত কৰে প্ৰতিবাদ। সন্থাৰ শতাধিক কৰ্মী তথা বিষয়ববীয়াই হাতে হাতে প্লে-কাৰ্ড লৈ অনুসূচীত জাতিক প্ৰতাৰণা কৰা বন্ধ কৰক, বিজেপি চৰকাৰ হায় হায় আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰে। অনুসূচীত জাতিৰ উন্নয়নৰ বাবে পৃথকে পুঁজি ধাৰ্য কৰা নহ'ল কিয়, অনুসূচিত জাতিৰ স্থায়ী সমস্যা সমাধানৰ ক্ষেত্ৰত বাজেটত গুৰুত্ব দিয়া নহ'ল কিয় আদি প্ৰশ্ন উত্থাপন কৰে সন্থাৰ কেন্দ্ৰীয় সভাপতি পৰশজ্যোতি দাসে। বাজেটত অনুসূচিত জাতিৰ আৰ্থ সামাজিক উন্নয়নৰ কোনো ব্যৱস্থা নকৰি প্ৰতাৰণা কৰা বুলি ক্ষোভ প্ৰকাশ কৰে সভাপতিগৰাকীয়ে। পৰশজ্যোতি দাসে কয় যে বাজেটখন লক্ষ্য কৰিলে সহজেই অনুমান কৰিব পাৰি অনুসূচিত জাতিৰ প্ৰতি কৰা চৰকাৰৰ চৰম বিশ্বাসঘাটকতা। এইবাৰ বাজেটত অনুসূচিত জাতিক এটা প্ৰকাণ্ড শূন্য দিয়া হৈছে। অনুসূচিত জাতিৰ পূৰ্বৰ অধিকাৰসমূহ কাঢ়ি নিয়া হৈছে। বাজেটত অনুসূচিত জাতিৰ আৰ্থ সামাজিক উন্নয়নৰ হেতু কোনো ধৰণৰ ব্যৱস্থা নাই। অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আশানুৰূপ বাৰ্তা নাই। বাজেটত অনুসূচিত জাতি নিবনুৱা সমস্যা সমাধানৰ কোনো গুৰুত্ব নাই। অনুসূচিত জাতিৰ খাটি খোৱা মানুহখিনিৰ প্ৰতি বাজেটখনে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। তদুপৰি অনুসূচিত জাতিৰ বাবে কোনো ধৰণৰ পৃথক পুঁজি নিৰ্ধাৰণ কৰা হোৱা নাই এই বাজেটত। অনুসূচিত জাতিৰ সংৰক্ষণ ব্যৱস্থাকো এই বাজেটে উপেক্ষা কৰিছে বুলি ক্ষোভ প্ৰকাশ কৰিছে সন্থাই। সন্থাই আৰু কয় যে অনুসূচিত জাতি ছাত্ৰ সন্থাই দীৰ্ঘদিন ধৰি দাবী জনাই অহা কোনো দাবীয়েই এই বাজেটত প্ৰতিফলিত নহ'ল। মহাসতী ৰাধিকা আইৰ নামত বিশ্ববিদ্যালয় আৰু সমন্বয় ক্ষেত্ৰ স্থাপনৰ কোনো পৰিকল্পনা নাই বাজেটত। বৰঞ্চ অনুসূচিত জাতিৰ উপ-পৰিকল্পনা আঁচনিসমূহ নিঃশেষ কৰা হ'ল এই বাজেটত। অনুসূচিত জাতি ৰাইজৰ পূৰ্বৰ অধিকাৰসমূহো খৰ্ব কৰা হ'ল এই বাজেটত। চৰকাৰৰ এনে কাৰ্য অনুসূচিত জাতিটোৰ ভৱিষ্যত জীৱনৰ প্ৰতি ভাবুকি স্বৰূপ বুলি অভিহিত কৰে সন্থাই। তদুপৰি বিধানসভাত অনুসূচিত জাতিক প্ৰতিনিধিত্ব কৰি আসন শুৱনি কৰি থকা মন্ত্ৰী-বিধায়কসকলক কাপুৰুষ আখ্যা দি সন্থাৰ সম্পাদকগৰাকীয়ে কয় যে, বাজেট সন্দৰ্ভত অনুসূচিত জাতিৰ মাজত যি প্ৰশ্নৰ উত্থাপন হৈছে, তাৰ উত্তৰো এইবাৰ '২৬ৰ নিৰ্বাচনত চৰকাৰখনে লাভ কৰিবলৈ সাজু হৈ থাকক। লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো সাজু হৈ থাকিবলৈ তেওঁ আহ্বান জনায়। প্ৰতিবাদী কাৰ্যসূচীত সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিতু দাস, সম্পাদক অঞ্জন দাস আৰু বিষয়ববীয়াসকলৰ লগতে অনুসূচিত জাতি মহিলা ঐক্য মঞ্চৰ কেইবাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ কৰ্মী প্ৰণৱজ্যোতিৰ ৰহস্যজনক

মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিকিৎসকৰ ভাষ্য অনুযায়ী নগাঁও জিলাৰ আৰক্ষী অধীক্ষক গৰাকীয়ে সংবাদমেলৰ যোগেদি প্ৰণৱজ্যোতিৰ হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হোৱা বুলি ৰাইজক অৱগত কৰাত পৰিয়াল তথা অঞ্চলবাসী ৰাইজে সহজভাৱে ল'ব পৰা নাছিল। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, এয়া এটা পৰিকল্পিত হত্যাকাণ্ড। স্থানীয় ৰাইজৰ মতে, প্ৰণৱজ্যোতিৰ আচলতে যদি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে তেনেহ'লে নিজৰ ঘৰৰ পৰিবৰ্তে ১৫০ মিটাৰ দূৰত্বত থকা চুবুৰীৰ বেলেগ এঘৰৰ চোতালত গৈ পালেগৈ কেনেকৈ? স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, প্ৰণৱজ্যোতি দিনতো সেইফালে নাযায়। নিশা সেইফালে নিজে গৈছে বুলি কোনেও বিশ্বাসত ল'ব পৰা নাই। পুৱা যিঘৰ মানুহৰ চোতালত প্ৰণৱজ্যোতিৰ মৃতদেহ উদ্ধাৰ হৈছিল সেই মানুহঘৰৰ পদূলিৰ লোহাৰৰ গেটখন বন্ধ কৰা আছিল। প্ৰণৱজ্যোতি যদি মানুহঘৰৰ চোতাল নিজে পাইছিল গৈ গেটখন বন্ধ কৰি গ'ল কোনে? নিজে বুকুত কষ্ট লৈ লোহাৰৰ গেটখন নিজে হয়তো বন্ধ কৰা নাই? আনহাতে, প্ৰণৱজ্যোতিয়ে বাৰপুজীয়াৰ বিয়ালৈ পিন্ধি যোৱা ছাৰ্টটো প্ৰণৱজ্যোতিৰ নিথৰ দেহত নাছিল। প্ৰণৱজ্যোতিৰ নিথৰ দেহত গেঞ্জি এটাহে পিন্ধি থকা প্ৰত্যক্ষ কৰিছিল সকলোৱে। তাৎপৰ্যপূৰ্ণ যে, প্ৰণৱজ্যোতিয়ে বিয়া খাবলৈ পিন্ধি যোৱা ছাৰ্টটো কি হ'ল? আজি প্ৰণৱজ্যোতিৰ মৃতদেহ উদ্ধাৰ হোৱা পাঁচদিন হৈ গ'ল যদিও ছাৰ্টটো উদ্ধাৰ নোহোৱাকৈ লৈ ৰাইজৰ মাজত গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। চিকিৎসকৰ মৰণোত্তৰ পৰীক্ষাৰ তথ্য, ঘৰৰ পৰা নিলগত মৃতদেহ উদ্ধাৰ, লোহাৰ গেটখন বন্ধ থকা, বিয়ালৈ পিন্ধি যোৱা ছাৰ্টটো উদ্ধাৰ নোহোৱাক লৈ ৰাইজৰ মাজত বিভিন্ন প্ৰশ্নৰ উদয় হৈছে। স্থানীয় ৰাইজে প্ৰশাসনক অতি ক্ষীপ্ৰতাৰে তদন্ত কৰি প্ৰণৱজ্যোতিৰ ছাৰ্টটো উদ্ধাৰ কৰাৰ লগতে দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। আনহাতে, আজি দুপৰীয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা প্ৰণৱজ্যোতিৰ ঘৰত উপস্থিত হৈ মাতৃক সান্ত্বনা দিয়ে। প্ৰণৱজ্যোতিৰ পৰা উদ্ধাৰ হোৱা ম'বাইল দুটাৰ পৰা কি তথ্য সংগ্ৰহ হৈছে সেয়া পৰিয়ালৰ লোক জ্ঞাত নহয় বুলি জানিবলৈ দিয়ে। সভাপতিগৰাকীয়ে মৰণোত্তৰ পৰীক্ষাৰ তথ্যক লৈ আশস্ত নহয় বুলি কোৱাৰ লগতে যদি হত্যাকাণ্ড বুলি সন্দেহ হৈছে সেয়া প্ৰমাণ কৰাটো অসম পুলিচৰ দায়িত্ব বুলি উল্লেখ কৰে। প্ৰণৱজ্যোতি কংগ্ৰেছ দলৰ কৰ্মী হোৱাৰ বাবে প্ৰশাসনে তদন্ত লেহেমীয়া কৰিছে বুলি অভিযোগ ভূপেন বৰাৰ। সভাপতিগৰাকীয়ে প্ৰণৱজ্যোতিৰ মৃত্যুক লৈ অসম বিধানসভাত প্ৰশ্ন উত্থাপন কৰাৰ কথা মতপোষণ কৰে। ৰাজ্যিক সভাপতিগৰাকীয়ে প্ৰশাসনক উচিত তদন্ত কৰি দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি দি প্ৰণৱজ্যোতিৰ মাতৃৰ লগতে পৰিয়ালটোক ন্যায় প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ৬নং পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰীয়া গোপাল আতা বঁটাক লৈ

আধাৰত একাংশ সংবাদ মাধ্যমত এই বিষয়ে সবিস্তাৰে বাতৰি প্ৰচাৰ হোৱাৰ পিছত ডেকা সত্ৰীয়াগৰাকীৰ এনে মন্তব্যক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিয়ে। আজি ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু মুখ্য সম্পাদক ক্ৰমে চণ্ডীপ্ৰসাদ দাস আৰু পংকজ চৌধুৰীয়ে প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত ডেকা সত্ৰীয়াগৰাকীলৈ সেৱা জনাই 'হয়তো পুৰণ ভৱানীপুৰস্থিত শ্ৰীশ্ৰীগোপাল দেৱ আতা সত্ৰৰ পৰিচালনা সমিতিৰ হেঁচাত শ্ৰীশ্ৰীনাচনিপাৰ সত্ৰৰ ডেকা সত্ৰীয়াই এনেধৰণৰ বিবৃতি প্ৰকাশ কৰা' বুলি শংকা ব্যক্ত কৰিছে। বিবৃতিটোত কোৱা হয় যে ভৱানীপুৰীয়া গোপাল আতা বঁটা দিয়া সন্দৰ্ভত হোৱা সংবাদমেলত কেৱল গোপাল আতাই প্ৰতিষ্ঠিত কৰা সত্ৰৰ ভূমি বেদখলমুক্ত কৰাৰ কথাই কোৱা হোৱা নাছিল, অসমৰ সত্ৰসমূহৰ ভূমি বেদখল আৰু সত্ৰসমূহলৈ শুভ দৃষ্টি নিক্ষেপ কৰাৰ বাবে এই বঁটা মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰা হৈছিল। কিন্তু ইয়াৰ বিপৰীতে সত্ৰীয়া বাপজনাই ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতি তথা ৰাইজে গোপালদেৱ আতা সত্ৰৰ ভূমি বেদখলমুক্ত কৰিবলৈ চৰকাৰক উঠি-পৰি দাবী জনাইছে আৰু তাৰ অন্তৰালত কি কাৰণ আছে বুলি কোৱা কথাষাৰ অতি হাস্যকৰ। ইপিনে 'ভৱানীপুৰীয়া গোপাল আতা বঁটা' ২০২৩ বৰ্ষতেই ভৱানীপুৰীয়া ৰাইজৰ অনুমতি সাপেক্ষে ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিয়ে প্ৰৱৰ্তন কৰিছিল। তেতিয়া ডেকা সত্ৰীয়াগৰাকী ক'ত আছিল আৰু কিয় প্ৰশ্ন উত্থাপন কৰা নাছিল' বুলিও বিবৃতিত প্ৰশ্ন উত্থাপন কৰা হৈছে? ইয়াৰ জৰিয়তে ডেকা সত্ৰীয়াগৰাকীয়ে যে কাৰোবাৰ প্ৰৰোচনাত তেনে মত প্ৰকাশ কৰিছে, সেই ক্ষেত্ৰতো বিবৃতিত শংকা ব্যক্ত কৰা হৈছে। আনহাতে, ২০১১ চনত এটি নামঘৰকে সত্ৰ ৰূপে প্ৰতিষ্ঠা কৰা বুলি কৰা মন্তব্য সন্দৰ্ভতো ডেকা সত্ৰীয়াগৰাকীৰ জ্ঞান-চৰ্চাৰ অভাৱ হোৱা বুলি বিবৃতিত উল্লেখ কৰা হৈছে। বিবৃতিত কোৱা হয় যে তাহানিতে হোৱা কলেৰা মহামাৰীত বহুলোক মৰাত গাঁও ভাঙি যোৱা দেখি গোপাল আতাই নতুন ভৱানীপুৰত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰা কথা ইতিহাসসম্বলিত বিভিন্ন পুথিত পোৱা যায়। এইক্ষেত্ৰত আপুনি ভৱানীপুৰ সত্ৰখনক ঐতিহ্যমণ্ডিত সত্ৰ নহৈ বুলি কৈ ঈশ্বৰৰ ৰোষত পৰিব। আপুনি গোপাল আতাৰ পৰিনাতি হয়নে নহয় তাৰো আমাৰ সন্দেহ হৈছে। নহ'লে পুৰণ ভৱানীপুৰস্থিত শ্ৰীশ্ৰীগোপালদেৱৰ আতা সত্ৰখনত নিত্য প্ৰসংগৰ ব্যৱস্থা কৰিলেহেঁতেন। নিত্য প্ৰসংগৰ ক্ষেত্ৰত বৰ্তমানৰ পুৰণ ভৱানীপুৰস্থিত শ্ৰীশ্ৰীগোপালদেৱৰ আতা সত্ৰখনৰ পৰিচালনা সমিতিখনে কিবা ব্যৱস্থা লৈছেনে, নে কেৱল ৰাজনৈতিক মুনাফা বিচাৰি বছৰেকৰ মূৰত এদিনীয়া তিথি উদযাপন কৰি আতাপুৰুষগৰাকীক ভেঙুচালি কৰিছে? উক্ত বিষয়ত গোপাল আতাৰ পৰিনাতি হিচাপে আপোনাৰ কোনো প্ৰতিক্ৰিয়া আজিলৈকে দেখা নাপালোঁ। আপুনি ভৱানীপুৰ সত্ৰত গোপাল আতাৰ তিথি, গোপাল আতাৰ প্ৰভাৱ নোহাৱা বুলি কোৱা কথাষাৰ ভিত্তিহীন। আপুনি হয়তো নাজানে বা জানিও নজনাৰ ভাও ধৰিছে যে পুৰণ ভৱানীপুৰ সত্ৰৰ লগতে ভৱানীপুৰ সত্ৰতো গোপাল আতাৰ তিথি পালন কৰা হয়। আপোনাক সোঁৱৰাই দিব বিচাৰিম যে কেৱল বছৰেকৰ মূৰত এদিন আহি অনুষ্ঠান কৰিলেই তিথি মহোৎসৱ পালন কৰা নুবুজায়। পৰম্পৰাগতভাৱে এদিনীয়া কীৰ্ত্তন মহোৎসৱ ভৱানীপুৰ সত্ৰই কেৱল গোপাল আতাৰ ক্ষেত্ৰতে নহয়, অন্যান্য আতাপুৰুষসকলৰ ক্ষেত্ৰতো সভক্তিৰে তিথি মহোৎসৱসমূহ পালন কৰি আহিছে। আমি এই বিবৃতিৰ জৰিয়তে আপোনাক আমাৰ সত্ৰৰ তিথি মহোৎসৱত ভাগ ল'বলৈ আমি অনুৰোধ জনালোঁ। যথাসম্ভৱ আদৰ-সাদৰ কৰাত ভৱানীপুৰ সত্ৰই কাহানিও কৃপণালি নকৰে।পুনৰ আপোনাক জনাব বিচাৰোঁ যে পুৰণ ভৱানীপুৰস্থিত শ্ৰীশ্ৰীগোপালদেৱ আতা সত্ৰ আৰু ভৱানীপুৰ সত্ৰ দুয়োখনেই ভৱানীপুৰ ৰাইজৰ সেৱাস্থলী। গতিকে আপুনি দুয়োখন সত্ৰৰ মাজত বিভেদ সৃষ্টি কৰি আমাক মনোকষ্ট নিদিব। আপুনি গোপাল আতাৰ পৰিনাতি বুলি কৈ গোপাল আতা বা আতাপুৰুষ সমস্তৰ দ্বাৰা স্থাপিত সত্ৰ-নামঘৰসমূহক পৈত্ৰিক সম্পত্তি বুলি নাভাবিব। এজন মহাপুৰুষ কেৱল এটা বংশৰ কাৰণেই নহয়। পাহৰণিৰ গৰ্ভত হেৰাই যোৱা পুৰণ ভৱানীপুৰ সত্ৰখনিক বৰ্তমান অৱস্থালৈ অনাত ভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজৰ লগতে ভৱানীপুৰবাসী ৰাইজৰো অৱদান আছে। গতিকে আপুনি বাৰে বাৰে উল্লেখ কৰা আইনী ব্যৱস্থাৰ ধমকক ভৱানীপুৰবাসী ৰাইজে সমূলি কেৰেপ নকৰে। বিবৃতিৰ শেষত 'সত্ৰীয়া বাপজনাই ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিৰ ওপৰত আইনী ব্যৱস্থা ল'ম বুলি কোৱা কথাষাৰে জয়-বিজয় চাৰিসিদ্ধৰ কথাকে নুবুজাইনে' বুলিও প্ৰশ্ন উত্থাপন কৰা হৈছে। সত্ৰীয়া বাপজনাৰ এনেধৰণৰ অশোভনীয় বাক্যই কেৱল ভৱানীপুৰবাসীৰে নহয়, সমগ্ৰ বৈষ্ণৱ সমাজখনকে মনোকষ্ট দিছে বুলিও একেটা বিবৃতিতে উল্লেখ কৰা হৈছে। কেৱল এয়াই নহয়, এনেধৰণৰ মন্তব্যৰ পৰা ভৱিষ্যতেও বিৰত থাকিবলৈ ডেকা সত্ৰীয়াগৰাকীলৈ বিবৃতিযোগে অনুৰোধ জনাইছে ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিয়ে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# নিৰুদ্দেশ শিল্পী! মুম্বাইলৈ গৈ উভটি

সংক্ৰান্তীয় কোনো কামত মুম্বাইলৈ যাওঁ বুলি কৈ আজি পৰ্যন্ত ঘূৰি নাহিল। পৰিয়ালৰ লোকে জনোৱা মতে মাঘ বিহুৰ সময়ত মুম্বাইৰ পৰা ঘৰলৈ আহিব বুলি কৈছিল যদিও কাম শেষ নোহোৱাত আৰু দুদিনমান থাকি একেবাৰে ১ ফেব্ৰুৱাৰীত অসম অভিমুখী ৰে'লত উঠিব বুলি কৈছিল। সেই সময়ছোৱাত প্ৰতিদিনে এবাৰকৈ হ'লেও ৮৮৭৬০১৬৪৪৬ নম্বৰটোৰ পৰা পৰিয়ালৰ লোকৰ সৈতে সনক কলিতাই যোগাযোগ কৰি আছিল। কিন্তু ১ ফেব্ৰুৱাৰীত জ্যেষ্ঠ ভাতৃ ভূপেন কলিতাই ৰে'লত উঠিল নে নাই সেই খবৰ ল'বলৈ বুলি ফোন কৰোঁতে ফোন ছুইটছ অফ পায়। তেতিয়াৰে পৰা আজিলৈ ফোনটো অফ হৈয়ে আছে। ঘটনা সন্দৰ্ভত সনক কলিতাৰ ব্যৱসায়িক প্ৰতিষ্ঠান থকা ভেটাপাৰা অঞ্চলৰ আৰক্ষী থানা বশিষ্ঠ থানাত পৰিয়ালৰ লোকে এজাহাৰ দাখিল কৰিছে যদিও বহিঃৰাজ্যৰ পৰা সন্ধানহীন হোৱা মানুহক আমি কেনেকৈ বিচাৰি উলিয়াম বুলি কৈয়েই গা এৰা দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। সেয়ে পৰিয়ালৰ লোকে সুদূৰ মুম্বাইলৈ গৈ সন্ধানহীন হৈ থকা ভাস্কৰ্য শিল্পী সনক কলিতাৰ সন্ধান উলিয়াই দিয়াৰ ব্যৱস্থা কৰিবলৈ আৰক্ষী-প্ৰশাসনৰ লগতে চৰকাৰক অনুৰোধ জনাইছে। লগতে যদি কোনো সদাশয় লোকে বগা বৰণৰ, ৪.৭ ফুট উচ্চতাৰ আৰু মুখমণ্ডলত দাড়ি থকা সনক কলিতাৰ সন্ধান লাভ কৰে তেন্তে অতি শীঘ্ৰে পৰিয়ালৰ সৈতে ৯৯৫৪৬-৮০৮৮৬ নম্বৰত যোগাযোগ কৰিবলৈ বা নিকটৱৰ্তী আৰক্ষী থানাত খবৰ দিবলৈ আহ্বান জনাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মাতব্বৰৰ ভূমিকা লৈ ধনবানৰ পক্ষ

চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, গাঁওখনৰ বিবাহিত লাতিফুল বেপাৰী একে গাঁৱৰে এগৰাকী যুৱতীক বিয়াৰ প্ৰলোভনেৰে দীৰ্ঘদিনৰ পৰা শাৰিৰীক-মানসিক নিৰ্যাতন চলাই আহিছিল। লাতিফুলে আনুষ্ঠানিকভাৱে বিয়া নপতাকৈ বলপূৰ্বক যুৱতীগৰাকীক ঘৰলৈ নি তেওঁৰ পূৰ্বৰ পত্নী, সন্তান সকলোৱে মিলি মাৰপিট কৰে। নিৰ্যাতন সহ্য কৰিব নোৱাৰি যুৱতীগৰাকী মাতৃ গৃহলৈ আহে। কিন্তু পুনৰ সাত মাৰ্চত লাতিফুলে ঘৰৰ আন কেইবাজনৰ লগত আহি ঘৰৰ-দুৱাৰ ভাঙি বলপূৰ্বক যুৱতীগৰাকীক উঠাই নিয়ে। বাধা প্ৰদান কৰাত যুৱতীগৰাকীৰ মাতৃকো মাৰপিট কৰি আহত কৰে। এই সন্দৰ্ভত পিছদিনাই পৰিয়ালৰ লোকে হালাকুৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে যদিও ধন বলেৰে বলীয়ান লাতিফুলৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰিবলৈ নাৰাজ চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নমণি পাটোৱাৰী। চাৰি দিনে গোচৰ পঞ্জীয়ন নকৰি মাতব্বৰৰ দৰে গাঁৱতে মেল পাতি মীমাংসা কৰিবলৈ আৰক্ষীয়ে যুৱতীৰ পৰিয়ালক হেঁচা প্ৰয়োগ কৰা ঘটনাই সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, লাতিফুলে ইয়াৰ পূৰ্বে নাবালিকা হৈ থাকোঁতেই যুৱতীগৰাকীক নিৰ্যাতন চলাই জে'ললৈ গৈছিল। জে'লৰ পৰা আহি ক্ষোভ পূৰণৰ বাবে আকৌ যুৱতীগৰাকীক লক্ষ্য কৰি লৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ ভূমিকাত তীব্ৰ অসন্তুষ্ট স্থানীয় ৰাইজ।

৬নং পৃষ্ঠাৰ পৰা...

## বৈঠালাংছ'ত অন্তৰংগ সাহিত্য সমাজৰ

হৈ যায়। সাহিত্য সমাজৰ সভাপতি মুন কুমাৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটিত প্ৰথমে প্ৰয়াত সাহিত্যিক দুগৰাকীৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কৰে ক্ৰমে অন্তৰংগ সাহিত্য সমাজৰ উপদেষ্টা টংক কোঁৱৰ, ভানু জোৰাদ্দাৰ আৰু বৈঠালাংছ' প্ৰেছ ক্লাবৰ উপদেষ্টা নন্দৰাম বৰদলৈয়ে। ড০ ফুকন চন্দ্ৰ ফাংচ' আৰু বসন্ত দাসক অতি নিবিড়ভাৱে লগ পোৱা টংক কোঁৱৰে দুয়োগৰাকী সাহিত্যিকৰ জীৱন-পৰিক্ৰমা বৰ্ণনা কৰাৰ লগতে তেখেতসকলৰ সৈতে কটোৱা মধুৰ দিনবোৰৰ কথা সোঁৱৰে। আনহাতে, ড০ ফাংচ'ৰ একালৰ ছাত্ৰ প্ৰদীপ সৰকাৰে তেওঁৰ ভাষণত ড০ ফাংচ'ক এগৰাকী মহান আদৰ্শ শিক্ষক ৰূপে বৰ্ণনা কৰি তেখেতৰ দৰে এগৰাকী কৃতী শিক্ষকৰ ছাত্ৰ হ'বলৈ পোৱাটো পৰম সৌভাগ্যৰ কথা বুলি বৰ্ণনা কৰে। আনহাতে, এই অনুষ্ঠানতে দুয়ো গৰাকী মহান সাহিত্যিক্যৰ স্মৃতিত এটি স্ব-ৰচিত কবিতা আবৃত্তি কৰে অন্তৰংগ সাহিত্য সমাজৰ সম্পাদক গবিন টকবিয়ে। সভাপতিৰ ভাষণত মুন কুমাৰ ডেকাই দুয়ো গৰাকী সাহিত্যিকক লগ পোৱা দিনবোৰৰ কথা আৰু তেখেতসকলৰ পৰা কেনেদৰে অনুপ্ৰাণিত হৈছিল সেই কথা সোঁৱৰি কয় যে ড০ ফুকন চন্দ্ৰ ফাংচ' আৰু বসন্ত দাসে যিখিনি অৱদান আগবঢ়াই গৈছে সেই কথা দুয়োখন পাহাৰীয়া জিলাবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। স্মতব্য যে, ১৯৪৬ চনৰ ৩১ অক্টোবৰত গুৱাহাটীৰ নাৰেংগীৰ সমীপৰ পানবাৰী গাঁৱত জন্মগ্ৰহণ কৰা ড০ ফাংচ'ই মেঘালয়ৰ ইউনিয়ন খ্ৰীষ্টিয়ান কলেজত প্ৰবক্তাৰূপে যোগদান কৰিছিল যদিও স্থানীয় ৰাইজৰ অনুৰোধত ১৯৮৫ চনত তেওঁ ডংকামোকামৰ ৰাংছিনা কলেজত অধ্যক্ষ হিচাপে যোগদান কৰে। "Karbis: A Spatio-Temporal Annalysis in Tribal Geography" বিষয়ত PhD লাভ কৰা ফাংচ'ই "কাৰ্বি আংলংঃ প্ৰকৃতি আৰু মানুহ" কে ধৰি বহু কেইখন গৱেষণা ধৰ্মী গ্ৰন্থ ৰচনা কৰে। এগৰাকী প্ৰখ্যাত সাহিত্যিকৰ লগতে চিত্ৰ শিল্পী হিচাপেও তেখেতে সমাদৰ লাভ কৰিছিল। কাৰ্বি কিংবদন্তীৰ নায়ক-নায়িকাসকলৰ ছবি অংকন কৰি হেৰাই যোৱা পুৰণি ইতিহাস বিজ্ঞান সম্মত ৰূপত অধ্যয়ন কৰি জনসাধাৰণৰ মাজলৈ লৈ আহিছিল। আনহাতে, ১৯৪০ চনত ডিফুত জন্মগ্ৰহণ কৰা বসন্ত দাসে কাৰ্বি জনগোষ্ঠীৰ জীৱন ধাৰা নিচেই ওচৰৰ পৰা অনুধাবন কৰি কাৰ্বি কৃষ্টি- সংস্কৃতিৰ ন-ন সাহিত্য সম্ভাৰ পাঠক সমাজলৈ আগ বঢ়াই গৈছে। মূলতঃ কাৰ্বি সমাজক লৈ উপন্যাস, নাটক, চলচিত্ৰ, তথ্যচিত্ৰ আদি ৰচনা কৰি কাৰ্বি তথা বৃহত্তৰ অসমীয়া সমাজ খনলৈ অলেখ অৱদান আগবঢ়াই গৈছে। বসন্ত দাসে 'জংছন', 'যোৰাবাৰ্ট'কে ধৰি ২২ খন উপন্যাস, বিভিন্ন কাকত, আলোচনী আদিত বহুকেইটা মূল্যৱান গল্প, 'ফাগুনী', 'বোৱাৰী', 'পাহাৰী কন্যা' আদিকে ধৰি এঘাৰখন চলচ্চিত্ৰৰ কাহিনী, চিত্ৰনাট্য সংলাপ লিখিছিল। দূৰদৰ্শনৰ বাবেও তেওঁ বাৰখন টেলিফিল্ম, তথ্যচিত্ৰত চিত্ৰনাট্য লিখাৰ লগতে পোন্ধৰখনৰো অধিক দূৰদৰ্শন কমিছনড় প্ৰগেমৰ কাহিনী, চিত্ৰনাট্য, সংলাপ লিখিছিল। আঠখন পূৰ্ণাংগ নাটক আৰু 'ঋতুৰাজ' ছদ্মনামেৰে ৫ খন উপন্যাস,'দস্যুৰাণী বিজুলী'ৰ চল্লিশখন চিৰিজ, বাৰখন 'নেলফা' চিৰিজ আৰু সেই ছদ্মনামেৰে 'বিস্ময়' 'ৰহস্য' আলোচনীত ২৭ খন ছিৰিজ লিখিছিল। তদুপৰি কাৰ্বি ভিডিঅ' ছবিৰ বাবেও প্ৰায় দহখন চিত্ৰনাট্য লিখিছিল। কাৰ্বি আংলং তথা ইয়াৰ জন-জীৱনলৈ এনেদৰে অলেখ অৱদান আগবঢ়াই যোৱা দুয়োগৰাকী মহান সাহিত্যিকৰ কাকতালীয়ভাৱে ৭ মাৰ্চত মৃত্যু হৈছিল।

৬নং পৃষ্ঠাৰ পৰা...

## সত্ৰত চোৰ কৰি গ্ৰেপ্তাৰ শুকুৰ আলী

কৰাৰ কেইবাটাও ঘটনা সংঘটিত হোৱাৰ পাছত কালি নিশাও থানাখনৰ অন্তৰ্গত ভেলেউগুৰিৰ পৰা এজন যুৱকৰ বাইক চুৰি কৰি নিয়ে। প্ৰায় ৬/৭ ফুট ওখ দেৱাল পাৰ কৰি গেৰেজৰ পৰাই বাইকখন চোৰৰ দলে চুৰি কৰি নিয়াৰ ঘটনাই হতচকিত কৰি তুলিছে সাধাৰণ ৰাইজক। প্ৰাপ্ত খবৰ মতে, চামগুৰি থানাৰ অন্তৰ্গত ভেলেউগুৰিৰ ভাৰ্গৱ জ্যোতি বৰাৰ এএছ-০২-জি-৩৮৮৯ নম্বৰৰ পালছাৰ ২২০ এফ বাইকখন নিজ গৃহৰ গেৰেজৰ পৰাই তলা ভাঙি চোৰৰ দলে চুৰি কৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে অৱস্থিত বৰাৰ বাসগৃহৰ চৌহদৰ ওখ দেৱাল পাৰ কৰিয়েই বাইকখন চুৰি কৰি নিয়ে বুলি যুৱকজনে জানিবলৈ দিয়ে। নিশা বাইকখন চুৰি হোৱাৰ পাছত পুৱা জানিব পাৰি যুৱকজনে চামগুৰি থানাত ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে। ইফালে, চামগুৰি, কলিয়াবৰ আদিকে ধৰি বিভিন্ন সত্ৰ, দৌল দেৱালয়, নামঘৰ, মন্দিৰ আদিৰ পৰা চুৰি হোৱা বহু মূল্যৱান সামগ্ৰী আৰক্ষীয়ে চামগুৰিত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কলিয়াবৰ আৰু চামগুৰি থানাৰ আৰক্ষীয়ে অভিযান চলাই পেনাই বিলৰ মাজৰ পৰা চোৰৰ দলে পেলাই দিয়া মূল্যৱান কাঁহ-পিতলৰ সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কলিয়াবৰ আৰু চামগুৰি আৰক্ষীয়ে কেইদিনমান পূৰ্বে আটক কৰা চামগুৰিৰ জামাল উদ্দিন আৰু বিজু ওৰাং নামৰ দুটা গভাইত চোৰৰ স্বীকাৰোক্তিৰ ভিত্তিতেই শুকুৰ আলী নামৰ আন এটা চোৰক কৰায়ত্ত কৰে। ধৃত শুকুৰৰ স্বীকাৰোক্তিৰ ভিত্তিত সত্ৰ নামঘৰৰ মূল্যৱান সামগ্ৰীসমূহ পেনাই বিলৰ পানীৰ মাজৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰাৰ লগতে বাজিয়াগাঁৱৰ পৰাও চুৰি সামগ্ৰী উদ্ধাৰ কৰে।

# জামুগুৰিৰ গৰখীয়া থানত দৌল উৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১১ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি কাষৰীয়া জামুগুৰি গাঁৱৰ প্ৰায় তিনিশ বছৰ পুৰণি সাৰ্বজনীন গৰখীয়া থানত ৰাইজে প্ৰতি বছৰে পালন কৰি অহা দৌল উৎসৱটি এইবাৰো অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। উল্লেখ্য যে, ঐতিহ্যমণ্ডিত এই থানখনত প্ৰতি বছৰে পালন কৰি অহা চাৰিটা উৎসৱৰ ভিতৰত অতি উলহ-মালহেৰে ১৯৯৩ চনৰ পৰা উদ্‌যাপিত হৈ অহা দৌলোৎসৱে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ গৰকি এইবাৰ ৩২ সংখ্যক বৰ্ষত ভৰি দিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ মিলন তীৰ্থ হিচাপে প্ৰতিষ্ঠিত হৈ পৰা সাৰ্বজনীন গৰখীয়া থানখনিত এইবেলি উদযাপিত হ'বলগীয়া দৌল উৎসৱৰ কাৰ্যসূচীসমূহ নিয়াৰিকৈ চলাই নিয়াৰ অৰ্থে ইতিমধ্যে পুষ্পেন্দ্ৰ হাজৰিকাক সভাপতি, অনিল চন্দ্ৰ নাথক কাৰ্যকৰী সভাপতি, অনন্ত নাথ আৰু দেৱেন চন্দ্ৰ নাথক উপ-সভাপতি, বুবুল বৰদলৈক সম্পাদক তথা উৎপল বৰদলৈ আৰু অৱন্তী দেৱীক সহঃ সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ১৩ মাৰ্চৰ পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, থানৰ মূল ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, শৰাই সফুঁৱা গ্ৰহণৰ অন্তত দুপৰীয়া কীৰ্ত্তন পাঠ আৰু দুপৰীয়া প্ৰসংগ পৰিৱেশন কৰা হ'ব। তদুপৰি সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন আৰু মংগল ধ্বনি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ১৪ মাৰ্চৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত গন্ধৰ্ব বাদন, দৌল মন্দিৰত দৌলধ্বজা সংস্থাপন, মণিকূট আৰু দৌল মন্দিৰত বন্তি প্ৰজ্বলন, অঞ্চলৰ ৩১ টা নামঘৰৰ পৰা ধৰ্মধ্বজা আৰু জল কলছি লৈ থানলৈ যাত্ৰা, উৎসৱৰ ধৰ্মধ্বজা উত্তোলন, গোঁসাই স্নান, স্থাপন আৰু ভকতক নিৰ্মালি প্ৰদান, কীৰ্তন পাঠ, খোল প্ৰসংগ আৰু নাম প্ৰসংগ পৰিৱেশন কৰা হ'ব। বিয়লি আমন্ত্ৰিত নামতী দলৰ দিহানাম পৰিৱেশন, সম্বৰ্ধনা, সাহায্য আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন, মংগল ধ্বনি, সন্ধ্যা প্ৰসংগ, যোৱা পৰিৱেশনৰ অন্তত মহিলাৰ দ্বাৰা অংকীয়া ভাওনা 'অভিশপ্তা তুলসী' প্ৰদৰ্শিত হ'ব। ১৫ মাৰ্চৰ পুৱা স্বচ্ছতা অভিযান, পবিত্ৰ হোলী খেলা আৰু সমদল যাত্ৰা, দুপৰীয়া কীৰ্ত্তন পাঠ, নাম প্ৰসংগ আৰু বিয়লি আমন্ত্ৰিত নামতী দলৰ দিহানাম, নিশা আদৰণি আৰু সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ১৬ মাৰ্চৰ পুৱা পৰিৱেশ নিকাকৰণ আৰু ময়ুৰ পংখী ৰথত দৌল গোবিন্দ গোঁসাই ভ্ৰমণৰ অন্তত দুপৰীয়া কীৰ্ত্তন পাঠ আৰু বিয়লি আমন্ত্ৰিত মহিলা দলৰ দ্বাৰা মুকলি দিহানাম পৰিৱেশন আৰু নিশালৈ প্ৰবীণ নাট্যকৰ্মী ভুবন নাথৰ পৰিচালনাত সামাজিক নাট 'মন তই নাকান্দিবি' মঞ্চস্থ হ'ব বুলি জানিবলৈ দিছে।

# ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১১মাৰ্চঃ** ডিব্ৰুগড়ত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে নাৰীৰ মাজত আয়োজন কৰা উত্তৰ পূৰ্বাঞ্চল ভিত্তিত সৌন্দৰ্য প্ৰতিযোগিতাত কিশোৰী শাখাত 'North East Super Model Miss Teen 2025' খিতাপ লাভ কৰে ভাৰ্নিকা বৰাই, যুৱতী শাখাত North East Miss 2025 লাভ কৰে চিকিমৰ আৰতি কুমাৰী ঠাকুৰ আৰু মহিলা শাখাত North East Mrs. 2025 লাভ কৰে ভাৰতী শৰ্মাই। মহিলাৰ স্বাস্থ্য সজাগতা আৰু সৱলীকৰণৰ লক্ষ্যৰে প্ৰতিষ্ঠা হোৱা ‘ডিব্ৰুগড় লেডিজ ফিটনেজ চেণ্টাৰ’ৰ উদ্যোগত বিশ্ব নাৰী দিৱস উপলক্ষে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত কৰা হয় সৌন্দৰ্য প্ৰতিযোগিতা। DLFC North East Super Model TEEN, MiSS MRS 2025 শীৰ্ষক এই প্ৰতিযোগিতাত, মণিপুৰ, মেঘালয়, অৰুণাচলসহ অসমৰ বিভিন্ন প্ৰান্তৰৰ কিশোৰী, যুৱতী-বোৱাৰীয়ে অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ডঃ শশীকান্ত শইকীয়াই। প্ৰতিযোগিতাত North East Super Model Miss Teen 2025 খিতাপ লাভ কৰে মৰাণহাট শিৱসাগৰৰ ভাৰ্নিকা বৰাই, প্ৰথম ৰানাৰ্ছ আপ পোহৰ শুভলক্ষ্মী মনবিৰ দেউৰী আৰু দ্বিতীয় ৰানাৰ্ছআপ প্লাৱিতা শইকীয়াই লাভ কৰে। ‘নৰ্থ ইষ্ট ছুপাৰ মডেল মিছ ২০২৫’ খিতাপ লাভ কৰে চিকিমৰ আৰতি কুমাৰী ঠাকুৰ, প্ৰথম ৰানাৰ্ছ আপ হয় ৰিচিকা টুলচাৰ্ন, দ্বিতীয় ৰানাৰ্ছ আপ হয় ইটানগৰ অৰুণাচলৰ মেনিয়ুং কিনু। আনহাতে, North East Super Model Mrs. 2025 লাভ কৰে ডিব্ৰুগড়ৰ ভাৰতী শৰ্মাই। প্ৰথম ৰানাৰ্ছ আপ বৈশালী ফুকন, দ্বিতীয় ৰানাৰ্ছ আপ গীতিমণি গগৈয়ে লাভ কৰে। অনুষ্ঠানত অসমৰ কেইবাগৰাকীও বিশিষ্ট সাংস্কৃতিক কৰ্মী, লেখক, শিল্পী তথা বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত প্ৰতিযোগিতাৰ বিজয়ীসকলক অন্যান্য পুৰস্কাৰৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰা হয়। প্ৰতিযোগিতাৰ বিচাৰক হিচাপে লোকসংগীতৰ বিশিষ্ট সাধক ডাঃ প্ৰসন্ন গগৈ, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ ভাৰতী দত্ত আৰু ৰূপ চৰ্চা বিদ তথা অধ্যাপিকা ডাঃ কেৰলিন চিৰাই বিচাৰক হিচাপে থকা প্ৰতিযোগিতাখনৰ পৰিচালনা কৰে জনপ্ৰিয় অভিজিৎ সিনহাই। উল্লেখ্য যে, ডিব্ৰুগড়ৰ এগৰাকী উদ্ৰমী মহিলা ৰুমী বৰশইকীয়াৰ একক প্ৰচেষ্টাৰে গঢ় লৈ উঠা 'লেডিছ ফিটনেছ চেণ্টাৰ'ৰ উদ্যোগত প্ৰতিবছৰে আন্তৰ্জাতিক নাৰী দিৱসৰ কাৰ্যসূচীত নাৰীসকলৰ মানসিক, শাৰীৰিক, সাংস্কৃতিক তথা সৌন্দৰ্য, স্বাস্থ্যৰ সজাগতা শীৰ্ষক বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে।



## আধাৰশিলা স্থাপন কৰিয়েই দায়িত্ব সামৰি ঠিকাদাৰৰ পলায়ন

# কলগাছিয়াৰ বালাৰপাথাৰত বিধ্বস্ত পথে কন্দুৱাইছে ৰাইজক

**ই-সংবাদ, কলগাছিয়া, ১১ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কলগাছিয়াৰ পৰা বালাৰপাথাৰ হৈ টাপেশ্বৰীলৈ যোৱা পথটো বিগত পাঁচ বছৰ ধৰি ভাঙি ছিঙি জৰাজীৰ্ণ অৱস্থাত আছে যদিও ৰাস্তাটো মেৰামতি কৰাৰ কাৰণে স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে কোনো গুৰুত্ব আৰোপ নকৰাৰ ফলত জীয়াতু ভুগিব লগা হৈছে বালাৰপাথাৰ গাঁৱৰ ৰাইজে। উল্লেখ্য যে, যোৱা ৩০/০৪/২০২৩ ইং তাৰিখে অসম চৰকাৰৰ লোক নিৰ্মাণ পথ বিভাগৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ ২০২২-২৩ বৃত্তীয় বৰ্ষৰ অধীনত কলগাছিয়াৰ পৰা বালাৰপাথাৰলৈ যোৱা পথৰ নৱীকৰণৰ কাম জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে আধাৰশিলা স্থাপন কৰিছিল। আধাৰশিলা স্থাপন কৰাৰ পিছত নিবিদা লাভ কৰা ঠিকাদাৰজনে উক্ত ৰাস্তাটোত জেচিবি লগাই মেৰামতি কৰিব বুলি কৈ ঠায়ে ঠায়ে ভাঙি ছিঙি যাতায়াতৰ অনুপযোগী কৰি থৈ পলায়ন কৰে। তেতিয়াৰ পৰাই এই ভঙা ৰাস্তাটোৱে কন্দুৱাইছে ৰাইজক। ৰাস্তাটোৰ ঠায়ে ঠায়ে পকী উঠি যোৱাৰ ফলত দ' গাঁতৰ সৃষ্টি হৈছে। ফলত স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী, ৰোগী, কৃষক আদিয়ে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগা হৈছে। সম্প্ৰতি বিধায়কগৰাকীৰ ওপৰত ৰাইজৰ আস্থা নাই যদিও অসমৰ মুখ্যমন্ত্ৰীক বালাৰপাথাৰৰ উক্ত ৰাস্তাটো শীঘ্ৰে মেৰামতি কৰি দিবলৈ ৰাইজে কাতৰ আহ্বান জনাইছে।

# চতিয়াৰ যুৱক বিল্লাত আলীৰ অকাল বিয়োগ

**ই-সংবাদ, চতিয়া, ১১ মাৰ্চঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণ অঞ্চলৰ কটৰআটি গাঁৱৰ যুৱক কৰৈয়নী নতুন চেণ্টাৰৰ ব্যৱসায়ী বিল্লাত আলী ওৰফে কিঞ্জুল এক জটিল ৰোগত আক্ৰান্ত হৈ দেওবাৰে প্ৰায় ৪.২০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। যুৱকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগেই তেওঁৰ বাসভৱনলৈ অজস্ৰ জনতাৰ সোঁত বয়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বিশ্বনাথ জিলা সমিতি, অসম সংখ্যালু সংগ্ৰাম পৰিষদৰ বিশ্বনাথ জিলা সমিতি, বিশ্বনাথ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অধিবক্তা ছইদুৰ ৰহমান, কৰৈয়নী নতুন চেণ্টাৰ বণিক সন্থা প্ৰমূখ্য কৰি বহু ব্যক্তি তথা প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গ লৈ সমবেদনা জ্ঞাপন কৰে। যুৱকজনে মৃত্যুৰ সময়ত ভাতৃ-ভগ্নী, পিতৃ-মাতৃৰ লগতে অনেক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়।

# চৰকাৰৰ প্ৰতি সদৌ অসম ছেকেণ্ডাৰী টিউটৰ টু টিচাৰ আপগ্ৰেডেচন ফ'ৰামৰ ক্ষোভ

**ই-সংবাদ বিশেষ, ১১ মাৰ্চঃ** অসমৰ বিভিন্ন জিলাৰ টিউটৰৰ পদ উন্নীতকৰণৰ বাবে অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক কাতৰ আহ্বান জনোৱাৰ পিছতো ২০২৩ চনৰ পৰা তাঁত-বাটি কৰি থকা শ শ টিউটৰক শিক্ষক পদলৈ উন্নীত নকৰাত সদৌ অসম ছেকেণ্ডাৰী টিউটৰ টু টিচাৰ আপগ্ৰেডেচন ফ'ৰামে ক্ষোভ প্ৰকাশ কৰিছে। ফ'ৰামে সাংবাদিকক জানিবলৈ দিয়া মতে, চৰকাৰী নীতি-নিৰ্দেশনা আৰু অনুমতি লৈ Deputation ত B.Ed ডিগ্ৰী সম্পন্ন কৰা টিউটৰসকলে বিগত ২০২৩ চনৰ জুলাই মাহৰ পৰা অপেক্ষাত দিন পাৰ কৰিবলগীয়া হৈছে। দিন গৈছে, মাহ গৈছে আৰু বছৰ গৈছে, কিন্তু আজিলৈকে টিউটৰসকলৰ কোনো ধৰণৰ সমস্যা সমাধান হোৱা নাই। মাহিলী সামান্য ১৮,০০০/- হাজাৰ টকাত কাম কৰি কোনো মতে জীৱন নিৰ্বাহ কৰা টিউটৰসকলৰ বাবে চৰকাৰে গুৰুত্ব আৰোপ কৰা নাই। বি এড ডিগ্ৰী সম্পন্ন কৰা বহু টিউটৰৰ অৱসৰৰ সময় হৈছে। পৰিয়ালৰ মাজত কাৰোবাৰ বেমাৰ হ'লে চিকিৎসা কৰিব নোৱাৰা টিউটৰসকলৰ বাবে যেন এই চাকৰিয়ে মহা বিপদ মাতি আনিছে। কাৰোবাৰ এবছৰ/কাৰোবাৰ দুবছৰ চাকৰিকাল আছে যদিও ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বিষয়টোৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰাত বি এড ডিগ্ৰী লাভ কৰা টিউটৰসকল চিন্তিত হৈ পৰিছে। এইক্ষেত্ৰত সোনকালে অৰ্হতা সম্পন্ন কৰা ১০৫ জন টিউটৰক প্ৰথম পৰ্যায়ত শিক্ষক পদলৈ উন্নীতকৰণৰ বাবে ফৰামে কাতৰ আহ্বান জনাইছে। অন্যথা ‘টিউটৰসকলক শাৰীপাতি গুলীয়াই মাৰক নহ'লে শীঘ্ৰেই চাকৰি নিয়মীয়া কৰাৰ ব্যৱস্থা কৰক’ বুলি টিউটৰ টু টিচাৰ আপগ্ৰেডেচন ফ'ৰামে হুংকাৰ দিছে।

# কৃষি ভূমি বাণিজ্যিকীকৰণৰ তীব্ৰ বিৰোধিতা কেপিপিৰ

**ই-সংবাদ, গোলকগঞ্জ, ১১ মাৰ্চঃ** ধুবুৰী জিলাত হকে বিহকে গঢ়ি উঠা ইটা ভাটাসমূহৰ কৃষি মাটি বাণিজ্যিকীকৰণ কৰাৰ বিৰুদ্ধে আজি জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিয়ে। উল্লেখ্য যে, একাংশ বিষয়াৰ লগত গোপন বুজাবুজি কৰি ধুবুৰী জিলাত কাঠফুলাৰ দৰে গজি উঠিছে ইটা ভাটা। অভিযোগ মতে, ইটা ভাটাসমূহৰ দুই এটাক বাদ দি সৰহ ভাগৰে প্ৰদূষণৰ অনুজ্ঞাপত্ৰ নাই। জিএছটিৰো নথি-পত্ৰ প্ৰায় ভাগৰ নাই। তদুপৰি বাণিজ্যিক মাটিৰ পৰিৱৰ্তে বাৰী-মাটি খেতি উপযোগী মাটিতে অবৈধভাৱে ভাটাসমূহ চলি আহিছে। এই ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে বাৰে বাৰে দাবী জনোৱাৰ পিছত আয়ুক্তই ইটা ভাটাৰ স্বত্বাধিকাৰীক লৈ জৰুৰী সভাৰ আয়োজন কৰে যদিও আয়ুক্তৰ নিৰ্দেশকো একাংশই গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। জিএছটি সন্দৰ্ভত আয়ুক্ত কাৰ্যালয়ৰ তৰফৰ পৰা স্বত্বাধিকাৰীক ফোন কৰিলে ফোন ৰিচিভ নকৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়াকৈ ইটা ভাটাসমূহৰ খেতি মাটি শ্ৰেণী বিভাজন কৰি বাণিজ্যিকীকৰণ কৰাৰ প্ৰস্তুতি চলা বুলি বাতৰি ওলাইছে। খেতি মাটি বাণিজ্যিকীকৰণৰ তীব্ৰ প্ৰতিবাদত আজি আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। কেপিপিৰ ধুবুৰী জিলা সভাপতি নিখিল ৰায় স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, ১৫ ফেব্ৰুৱাৰীত আয়ুক্ত কাৰ্যালয়ত ইটা ভাটাসমূহৰ মালিকক লৈ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ভাটাৰ মাটি বোৰ শ্ৰেণী বিভাজন কৰি বাণিজ্যিকীকৰণ কৰাৰ পৰামৰ্শ দি অনুমতি প্ৰদান কৰে। ইয়াৰ তীব্ৰ বিৰোধিতা কৰি স্মাৰকপত্ৰত উল্লেখ কৰে যে এয়া কেতিয়াও গ্ৰহণযোগ্য নহয়।

# বৰপেটাৰোডত নামনি অসম ৰে'লৱে শ্ৰমিক সন্থাৰ নতুন কাৰ্যালয়ৰ শুভাৰম্ভ

**ই-সংবাদ, বৰপেটাৰোড, ১১মাৰ্চঃ** নামনি অসম ৰে'লৱে শ্ৰমিক সন্থাৰ বাবে এক ভাল খবৰ! আজি বৰপেটাৰোডৰ আজাদনগৰত নামনি অসম ৰে'লৱে শ্ৰমিক সন্থাৰ নতুন কাৰ্যালয় মুকলি কৰা হয়।বৰ্তমানলৈকে সন্থাত ২৪ হেজাৰ সদস্য অন্তৰ্ভুক্ত হোৱা নামনি অসমৰ ৰে'লৱে শ্ৰমিকসকল বিভিন্ন সমস্যা তথা বিভাগীয় অধিকাৰ পৰা বঞ্চিত হৈ আহিছিল। এতিয়াৰে পৰা যাতে বঞ্চিত নহয় লগতে শ্ৰমিকসকলৰ অভাৱ-অভিযোগ সহজে উত্থাপন কৰিব পাৰে তাৰ বাবেই বৰপেটাৰোডত বৰপেটাৰোডৰ আজাদনগৰত নামনি অসম ৰে'লৱে শ্ৰমিক সন্থাৰ নতুন কাৰ্যালয় মুকলি কৰা হয়। নামনি অসম ৰে'লৱে শ্ৰমিক সন্থাৰ সভাপতি ৰছিদুল হকে কয় যে ইতিমধ্যে শ্ৰম মন্ত্ৰালয়ক ২১ দফীয়া এক দাবী প্ৰেৰণ কৰা হৈছে। এইক্ষেত্ৰত শ্ৰম মন্ত্ৰালয়ে দাবীসমূহ পূৰণ কৰাৰ আশ্বাস দিয়া বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত জনায়। আনহাতে, আজিৰ সভাত উপস্থিত থাকে বৰপেটাৰোড ৰে'লৱে শ্ৰমিক শাখাৰ সভাপতি দিগন্ত দাস, বৰপেটাৰোড শাখাৰ সম্পাদক ছাজাহান আলীৰ লগতে কেবা শতাধিক ৰে'লৱে শ্ৰমিক।

# পূব মাজুলী যোগীগাঁও নামঘৰত অখণ্ড ভাগৱত পাঠৰ আয়োজন

**ই সংবাদ বিশেষ, মাজুলী, ১১ মাৰ্চঃ** মানৱ জাতিৰ কল্যাণ, নৱ-প্ৰজন্মৰ মাজত আধ্যাত্মিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে, বিশ্ববাসীৰ শান্তি আৰু মংগল কামনাৰে পূব মাজুলীৰ যোগীগাঁও নামঘৰত অহা ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ সপ্তাহযোৰা অখণ্ড ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। যোগীগাঁৱৰ উদ্যোগত আৰু অঞ্চলটোৰ ৰাইজৰ সহযোগত যোগীগাঁও নামঘৰত উক্ত আধ্যাত্মিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ বাবে ইতিমধ্যে মানৱ বৰাক সভাপতি, যদুমণি শইকীয়াক সম্পাদক হিচাপে লৈ মূল সমিতি আৰু বিমান নেওগক সভাপতি, মিতুল নাথক উপ-সভাপতি, দেবাশীষ বৰুৱাক সম্পাদক, পংকজ নেওগক সহঃ সম্পাদক আৰু তিলক নাথক কোষাধ্যক্ষ হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হৈছে। উক্ত অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১৩ মাৰ্চৰ পুৱা ৫ বজাত ঊষা কীৰ্তন, পুৱা ৬ বজাত পৰিৱেশ নিকাকৰণ, ৬.৩০ বজাত গছ পুলি ৰোপণ, ৭ বজাত ধৰ্ম ধ্বজা উত্তোলন, পুৱা ৮ বজাত ভাগৱত ভ্ৰমণ আৰু প্ৰতিষ্ঠা, ১০ বজাত বন্তি প্ৰজ্বলন আৰু নাম প্ৰসংগ আৰু দুপৰীয়া ১২ বজাত অখণ্ড ভাগৱত পাঠ। ভাগৱত পাঠ উদ্বোধন কৰিব শ্ৰী শ্ৰী এলেঙী নৰসিংহ সত্ৰৰ ডেকা সত্ৰীয়া নৱজ্যোতি মহন্তই। ইয়াৰ পিছতে ২০ মাৰ্চলৈকে অবিৰত অখণ্ড ভাগৱত পাঠ অনুষ্ঠিত হ'ব। ২০ মাৰ্চত অখণ্ড ভাগৱত পাঠৰ বিয়লি ভাগত সামৰণি পৰিব। ইয়াৰ পিছত নাম প্ৰসংগ, বেদী বিসৰ্জন আৰু ৰাতিলৈ পতিয়ৰী সুৰ দেউল একাডেমীৰ কণ কণ শিশুসকলৰ দ্বাৰা 'কুৰ্ম অৱতাৰ' ভাওনা অনুষ্ঠিত কৰা হ'ব।

# সাপটগ্ৰাম মহিলা ঐক্য মঞ্চৰ উদ্যোগত নাৰী দিৱস

**ই-সংবাদ, পৰ্বতঝোৰা, ১১ মাৰ্চঃ** ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ সীমামূৰীয়া সাপটগ্ৰাম চহৰত থকা সাপটগ্ৰাম ৰয়েল একাডেমী নামৰ বিজ্ঞান শিক্ষা প্ৰতিষ্ঠানত কালি বৃহত্তৰ সাপটগ্ৰাম মহিলা ঐক্য মঞ্চৰ উদ্যোগত আৰু আয়ুৰেদিক মেডিকেল অৰ্গেনাইজেচনৰ সহযোগত আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি দিনজোৰা কাৰ্যসূচীৰে নাৰী দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি কালি পুৱা বৃহত্তৰ সাপটগ্ৰাম মহিলা ঐক্যমঞ্চৰ সভানেত্ৰী ড০ পদ্মা গুহ আগৰৱালাই অঞ্চলটোৰ মহিলা, ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত পতাকা উত্তোলন কৰে। কাৰ্যসূচী অনুসৰি আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি কালি মহিলা সংগঠনটোৰ সভানেত্ৰী ড০ পদ্মা গুহ আগৰৱালাৰ নেতৃত্বত সংগঠনটোৰ কৰ্মীসকলে নাৰী সৱলীকৰণ আৰু ইয়াৰ অধিক সচেতনাৰ বাবে হাতে হাতে বেনাৰ পোষ্টাৰ লৈ সাপটগ্ৰামৰ বিভিন্ন পথ পৰিভ্ৰমণ কৰি পুনৰ উক্ত শিক্ষানুষ্ঠানত উপস্থিত হয়। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি, আয়ুৰবেদিক মেডিকেল অৰ্গেনাইজেচনৰ সহযোগত




চিকিৎসক হেমন্ত কুমাৰ নাথ আৰু চিকিৎসক দেৱজিৎ দাসৰ তত্বাবধানত স্বাস্থ্য বিভাগৰ দলে অনুষ্ঠানত উপস্থিত থকা শতাধিক ৰোগীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰে। পিছত উপস্থিত থকা থকা বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। লগতে এই উপলক্ষে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত বৃক্ষ ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত শিক্ষানুষ্ঠানত নাৰী দিৱসৰ লগত সংগতি ৰাখি 'একচিলাৰেট একচন' শীৰ্ষক বিষয়বস্তুৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়। সাপটগ্ৰাম মহিলা ঐক্য মঞ্চৰ সভানেত্ৰী তথা তথা সাপটগ্ৰাম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিশিষ্ট অধ্যাপিকা ড০ পদ্মা গুহ আগৰৱালাৰ সঞ্চালনাত অনুষ্ঠিতউক্ত আলোচনাচক্ৰত মুখ্য বক্তা হিচাপেউপস্থিত থাকে গোসাঁইগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ লাৱণ্য লহকৰ। বিশিষ্ট শিক্ষাবিদগৰাকীয়ে নিজৰ তথ্য গধুৰ আৰু বস্তুনিষ্ঠ যুক্তিৰে আজিৰ এই প্ৰতিযোগিতামূলক যুগৰ মহিলাসকলক অধিক শিক্ষা-দীক্ষা আৰুপাৰদৰ্শিতাৰে আগবঢ়াৰ লগতে নিজৰ প্ৰাপ্য অধিকাৰ আদায় কৰিবলৈ আহ্বান জনায়। এই আলোচনা চক্ৰত ধুবুৰী জিলা অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিনয় নাথ, গোসাঁইগাঁও মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক প্ৰদীপ দাস, সাংবাদিক প্ৰদীপ দে', অৱসৰপ্ৰাপ্ত শিক্ষক গোবিন্দ চন্দ্ৰ আগৰৱালা, মহিলা সংগঠনটোৰ উপ-সভানেত্ৰী ৰীতা বৰুৱা, সাংবাদিক পাৰ্থ সাৰথি চক্ৰৱৰ্তী আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি উক্ত বিষয়বস্তুৰ ওপৰত বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানত বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰতিযোগীসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। শেষত শলাগৰ শৰাই আগবঢ়ায় মহলা সংঠনটোৰ উপ-সভানেত্ৰী ৰীতা বৰুৱাই।




## মিস্ত্ৰীয়ে পানী পেলোৱাক কেন্দ্ৰ কৰি বিদ্যালয়ত হুলস্থুলীয়া পৰিৱেশ

# শুৱালকুছি গম্ভীৰ মেধি প্ৰাঃ বিদ্যালয়ত স্থগিত পৰীক্ষা

**ই-সংবাদ, শুৱালকুছি, ১১ মাৰ্চঃ** কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অন্তৰ্গত বস্ত্ৰ নগৰী শুৱালকুছিৰ গম্ভীৰ মেধী প্ৰাথমিক বিদ্যালয়ত আজি পুৱা বিদ্যালয়খনৰ চৌহদত থকা অংগনবাদী কেন্দ্ৰৰ এগৰাকী কৰ্মীয়ে প্ৰাথমিক বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক দু-ব্যৱহাৰ কৰাৰ অভিযোগ তোলে শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। ফলত শিক্ষানুষ্ঠানখনত পুৱা এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা স্থগিত ৰাখিবলগীয়া হোৱা ঘটনাই সচেতন ৰাইজ তথা দল-সংগঠনৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, বিদ্যালয় চৌহদতে থকা সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত অংগনবাদী কেন্দ্ৰৰ নিৰ্মাণ কাৰ্যত জড়িত মিস্ত্ৰীয়ে পানী পেলোৱাক লৈ বিদ্যালয়ৰখনৰ প্ৰধান শিক্ষয়িত্ৰীৰ লগতে একাংশ অভিভাৱকে অংগনবাদী কৰ্মীগৰাকীক প্ৰশ্ন সোধাত কৰ্মীগৰাকীয়ে ওলোটাই গালি-গালাজ কৰা বুলি অভিযোগ তোলে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে। এই বিষয়ক লৈ দুয়োপক্ষৰ মাজত হোৱা তৰ্কাতৰ্কিৰ ফলত বিনষ্ট হয় শৈক্ষিক পৰিৱেশ। ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চলি থকা পৰীক্ষা স্থগিত ৰাখে অভিভাৱকসকলে। পিছত স্থানীয় সচেতন ৰাইজ আৰু গাঁও প্ৰধানৰ উপস্থিতত পৰিস্থিতি শাম কটাত পুনৰ ১১ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰীক্ষাৰ আৰম্ভ কৰে গম্ভীৰ মেধী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-ক্ষয়িত্ৰীসকলে। উল্লেখ্য যে, গম্ভীৰ মেধী প্ৰাথমিক বিদ্যালয়ৰ চৌহদতে থকা অংগনবাদী কেন্দ্ৰৰ কৰ্মীগৰাকীয়ে প্ৰায়েই শিক্ষক-শিক্ষয়িত্ৰীসকলক গালি-গালাজ কৰি প্ৰাথমিক বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰা বুলি অভিযোগ তুলিছে বিদ্যালয়খনৰ শিক্ষকসমাজে।

# ড০ অতুল ডেকাৰ ‘প্ৰকৃতি আমাৰ বন্ধু’ শীৰ্ষক গ্ৰন্থ উন্মোচন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১১ মাৰ্চঃ** কামৰূপ জিলাৰ পুঠিমাৰী নিকটৱৰ্তী মৌকুছিৰ বিশিষ্ট সমাজসেৱক তথা সাহিত্য সেৱক ড০ অতুল ডেকাই আজি ‘প্ৰকৃতি আমাৰ বন্ধু’ শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। প্ৰকৃতি প্ৰেমী ড০ অতুল ডেকাই অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত দীৰ্ঘদিন ধৰি বিভিন্ন সময়ত বৃক্ষ ৰোপণ কৰি আহিছে। প্ৰকৃতিৰ প্ৰতি থকা প্ৰেম আৰু আধুনিকতাৰ বাবে বিভিন্ন সময়ত গছ-বন ধ্বংস কৰি প্ৰদূষিত কৰা পৰিৱেশৰ প্ৰতি অতিষ্ঠ হৈ ড০ অতুল ডেকাই এই গ্ৰন্থখন লিখি উলিয়াইছে। গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী নিবাসী তথা সমাজসেৱক চক্ৰ ধৰ মৰলে। এই উন্মোচনী অনুষ্ঠান উপস্থিত থাকে লেখক ড০ অতুল ডেকাৰ লগতে সমাজকৰ্মী তনু ৰাম ডেকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। এই গ্ৰন্থখন পঢ়ি প্ৰকৃতি ৰক্ষাৰ প্ৰতি পাঠক ৰাইজ আকৃষ্ট হ'ব বুলি আশা প্ৰকাশ কৰে লেখক ড০ অতুল ডেকাই।

# ৰঙিয়াৰ বিছেন্নালাত ৭৬ সংখ্যক মহাবিষ্ণু যজ্ঞ মহোৎসৱ

**ই-সংবাদ, ৰঙিয়া, ১১ মাৰ্চঃ** ৰঙিয়াৰ বিছেন্নালাত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ৭৬ সংখ্যক মহাবিষ্ণু যজ্ঞ মহোৎসৱ। তদুপলক্ষে প্ৰতিদিনে অনুষ্ঠিত কৰি অহা হৈছে বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচী। উক্ত কাৰ্যসূচীৰ অংশ হিচাপে যোৱা নিশা সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা হয় আধুনিক নৃত্য প্ৰতিযোগিতা। সদৌ অসম মহাবিদ্যালয় কৰ্মচাৰী সন্থাৰ সভাপতি তথা ৰঙিয়াৰ বিশিষ্ট সমাজকৰ্মী ৰমণী ৰাজবংশীয়ে উদ্বোধন ৰে নৃত্য প্ৰতিযোগিতাখনি। প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১০ হাজাৰ, ৭ হাজাৰ আৰু ৫ হাজাৰ টকা আগবঢ়োৱা হয়। আনহাতে, ১ হাজাৰ টকাকৈ তিনিটা নিচুকনি বঁটাও আগবঢ়োৱা হয়। ইফালে, আজি অন্তিম দিনৰ কাৰ্যসূচী ৰূপে নিশাৰ ভাগত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত প্ৰাণদ্বীপ, দ্বীপ শিখা বৰা আৰু চুমি শৰ্মাই অনুষ্ঠান পৰিৱেশন কৰে। মহোৎসৱ উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা ভক্তৰ সমাগম ঘটে।

# ‘সপ্ৰেম’ৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, তিনিচুকীয়া, ১১ মাৰ্চঃ** বৃহত্তৰ তিনিচুকীয়া আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন অঞ্চলৰ সংগীতপ্ৰেমী, বাদ্যযন্ত্ৰী, কলা-কুশলী আৰু সংগীতপ্ৰেমীসকলক লৈ নৱগঠিত অনুষ্ঠান 'সংগীতপ্ৰেমী মঞ্চ(সপ্ৰেম)'-এ ৯ মাৰ্চত গৌৰৱময় এটা বছৰ সম্পূৰ্ণ কৰি দ্বিতীয় বৰ্ষত ভৰি দিয়ে। এই উপলক্ষে, ৯ মাৰ্চত তিনিচুকীয়া চহৰৰ বৰগুৰিস্থিত ৰুণজুন অতিথিশালাৰ প্ৰেক্ষাগৃহ (জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সমীপত)ত দিনজোৰা কাৰ্যসূচীৰে মঞ্চৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি, পুৱা ৯:৩০ বজাত মঞ্চৰ পতাকা উত্তোলন কৰে 'সপ্ৰেম'ৰ সভাপতি অতুল চন্দ্ৰ শৰ্মাই। তাৰ পিছতে অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তিনিচুকীয়া জিলাৰ প্ৰয়াত শিল্পীসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। দুপৰীয়া ২ বজাত অনুষ্ঠিত হয় মুকলি সভা। মঞ্চৰ সভাপতি তথা সাহিত্যিক, সমাজকৰ্মী অতুল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত তিনিচুকীয়াৰ সু-সন্তান তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন তবলা বাদক পৱন বৰদলৈক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে মঞ্চই প্ৰতিষ্ঠা কৰা 'সপ্ৰেম বঁটা' প্ৰাৰম্ভিক বৰ্ষৰ বাবে তেখেতক প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰে সভাপতি অতুল চন্দ্ৰ শৰ্মাই। উক্ত বঁটাত থাকে গামোচা, অংগবস্ত্ৰ, চেলেং চাদৰ, মানপত্ৰ আৰু এটি স্মাৰক। মানপত্ৰ প্ৰদান কৰে মঞ্চৰ সম্পাদক লুইত দাসে। বঁটা গ্ৰহণ কৰি বিশিষ্ট তবলা বাদক পৱন বৰদলৈয়ে নিজৰ ভাষণত কয় যে, নতুন প্ৰজন্মৰ শিল্পীসকলৰ কেৱল মঞ্চত অনুষ্ঠান পৰিৱেশন কৰাটোৱেই উদ্দেশ্য হ'ব নালাগে। শাস্ত্ৰীয় সংগীতৰ সাধনা কৰাৰ প্ৰয়াস কৰিব লাগে। শাস্ত্ৰীয় সংগীত বৰ কঠিন বস্তু। অভিভাৱকসকলেও এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগে। অসমত শাস্ত্ৰীয় সংগীতৰ সাধনা কৰাৰ শিল্পীৰ সংখ্যা প্ৰায়েই কম বুলিও গুৰুত্বপূৰ্ণ মন্তব্য কৰে খ্যাতনামা তবলা বাদকগৰাকীয়ে। সভাত আদৰণি ভাষণ প্ৰদান কৰে মঞ্চৰ সভাপতি অতুল চন্দ্ৰ শৰ্মাই। ভাষণত সভাপতি শৰ্মাই 'সপ্ৰেম' সন্দৰ্ভত উপস্থিত ৰাইজক অৱগত কৰাৰ লগতে মঞ্চৰ ভৱিষ্যত কাৰ্যপন্থাৰ সম্পৰ্কেও ৰাইজক অৱগত কৰে। সভাত তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট নিৰৱন্ধকাৰ অমূল্য খাটনিয়াৰ, তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতি, সমাজকৰ্মী সঞ্জয় দত্ত, মঞ্চৰ উপদেষ্টা শংকৰ গুপ্ত, বিশিষ্ট পৰিৱেশকৰ্মী জয়নাল আবেদিন, বৰ্ষীয়ান সংগীতপ্ৰেমী বৈকুণ্ঠ শৰ্মাকে ধৰি কেবাগৰাকীও গণ্য মান্য ব্যক্তিৰ উপৰি মঞ্চৰ সদস্য আৰু শুভাকাংক্ষীসকল উপস্থিত থাকে। বিশিষ্ট অতিথিৰ ভাষণত অমূল্য খাটনিয়াৰ, পূৰ্ণ কাকতি, শংকৰ গুপ্তই দুআষাৰ কয়। সভাৰ অন্ত ধৰে মঞ্চৰ সহকাৰী সম্পাদক শৰৎ দাসে। সভাৰ আৰম্ভণিতে বিশিষ্ট অনাতাঁৰ শিল্পী ৰুমী গোস্বামীয়ে এটি গীত পৰিৱেশন কৰে। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে অনুষ্ঠিত হোৱা 'সুৰৰ শৰাই' অনুষ্ঠানত ৰুমী গোস্বামী, অনাতাঁৰ শিল্পী ক্ৰমে লিপিকা শইকীয়া বৰুৱা, দীপিকা মেধি আৰু নিতুমণি দত্ত, কণ্ঠশিল্পী কামিনী কুমাৰ গোহাঁই, ইন্দিৰা গোহাঁই, ইন্দ্ৰাণী বৰপূজাৰী, চন্দ্ৰকান্ত গগৈ, পল্লৱ শৰ্মা, হৰেন চেতিয়াকে ধৰি কেইবাগৰাকীও ন-পুৰণি শিল্পীয়ে অনুষ্ঠানটি সুন্দৰ ৰূপত সজাই তোলে।

# বোন্দাত ৰঘুনাথ চৌধাৰী শাখা সাহিত্য সভাৰ সাহিত্য বৈঠক সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ১১ মাৰ্চঃ** মহানগৰীৰ বোন্দাৰ সমীপৰ 'ৰঘুনাথ চৌধাৰী হিন্দী হাইস্কুল' প্ৰাংগণত ৰঘুনাথ চৌধাৰী শাখা সাহিত্য সভাৰ এখনি সাহিত্য বৈঠক কালি আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত শাখা সভাৰ সভাপতি কিৰণ চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। সভাৰ সম্পাদক বৈকুণ্ঠ নাথ দাসে আঁত ধৰা অনুষ্ঠানত সাহিত্যিক পেঞ্চনাৰ ৰত্নেশ্বৰ বসুমতাৰীয়ে অতিথি হিচাপে অংশ লৈ সাহিত্য বৈঠকৰ প্ৰাসংগিকতাৰ কথা দোহাৰে। 'সংযোগ' আলোচনীৰ সম্পাদক প্ৰশান্ত গগৈয়ে নিজস্ব ভাষণত অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশৰ ওপৰত আলোকপাত কৰে। প্ৰবীণ লেখক চাণ্ডিৰাম পায়েং, অম্বিকা প্ৰসাদ শৰ্মা, দিলীপ চন্দ্ৰ ভট্ট, গজেন চন্দ্ৰ নাথ, ময়ূৰী শৰ্মা পাঠক, লক্ষ্মী মালাকাৰ দেৱনাথ, হিতেশ চন্দ্ৰ দাস, জয়ন্ত টুমুং প্ৰভৃতিয়ে বক্তব্য দাঙি ধৰাৰ লগতে কবিতা পাঠ কৰে। অনুষ্ঠানত দিলীপ চন্দ্ৰ ভট্টৰ কবিতা সংকলন 'ৰ'দে বৰষুণে কবিতা' উন্মোচন কৰে সাহিত্যিক ৰত্নেশ্বৰ বসুমতাৰীয়ে।

# মধুপুৰ সত্ৰক ঐতিহ্য ক্ষেত্ৰ ঘোষণাৰ সিদ্ধান্তক আদৰণি



**ই-সংবাদ, বৰপেটাৰোড, ১১ মাৰ্চঃ** অসম চৰকাৰে আজি দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ বাজেটত অসমৰ জাতীয় জীৱনৰ কাণ্ডাৰী জগৎ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ ইহলীলা সম্বৰণ কৰা পৱিত্ৰ তীৰ্থ ভূমি কোচ বিহাৰৰ মধুপুৰ সত্ৰক ঐতিহ্য ক্ষেত্ৰ ৰূপে গঢ়ি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱাৰ বাবে বাজেটত গ্ৰহণ কৰা ঐতিহাসিক সিদ্ধান্তক উত্তৰ বংগ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদক কুমাৰ দীপক দাস তথা প্ৰচাৰ সম্পাদক যুগান্ত বায়নে আদৰণি জনাইছে। সমন্বয় ৰক্ষী সমিতিয়ে লগতে সত্ৰখনৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটত ৫০ লাখ টকা ধাৰ্য কৰা বাবে অসমৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি চৰকাৰৰ এনে সিদ্ধান্তই গুৰুজনাক বিশ্বজনীন কৰাৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী পদক্ষেপ হিচাপে সত্ৰ সংস্কৃতিৰ বুৰঞ্জীত অনন্তকালৰ বাবে জিলিকি থাকিব বুলি প্ৰকাশ কৰে। সমন্বয়ৰক্ষী সমিতিয়ে উত্তৰ বংগত অৱস্থিত বিভিন্ন সত্ৰ আৰু নামঘৰৰ উন্নয়নৰ বাবেও চৰকাৰী সাহায্য দিয়াৰ এখন আঁচনি গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়।

# নিজ পকেটৰ ধনেৰে হাওৰাঘাট অঞ্চলৰ খেতিপথাৰত পানী যোগানৰ ব্যৱস্থা বিধায়ক দৰছিং ৰংহাঙৰ




**ই-সংবাদ, হাওৰাঘাট, ১১ মাৰ্চঃ** হাওৰাঘাট অঞ্চলৰ খেতিপথাৰত পানী যোগানৰ বাবে নিজ মুখেৰে কৃষক ৰাইজ আৰু সংবাদ মাধ্যমৰ আগত প্ৰতিশ্ৰুতি দিয়াৰ পিছত কথা দি কথা ৰাখিলে হাওৰাঘাটৰ বিধায়ক দৰছিং ৰংহাঙে। ফলত আনন্দত উৎফুল্লিত হৈ পৰিছে গৰখীয়া পুখুৰী গাঁও আৰু অঞ্চলটোৰ কৃষক ৰাইজ। হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাঙৰ ওচৰলৈ গৈ প্ৰথমে গৰখীয়া পুখুৰী গাঁও আৰু দক্ষিণ দীঘলীপাৰ গাঁৱৰ ৰাইজে কৃষকসকলৰ খেতিৰ বাবে পানী যোগানৰ নলা মেৰামতিৰ বাবে জনাইছিল আবেদন। ইয়াৰ সমান্তৰালকৈ কৃষকসকলৰ এই আবেদনৰ প্ৰতি গুৰুত্ব আৰু সন্মান জনাই বিধায়ক দৰছিং ৰংহাঙে ডিফুৰ পৰা আহি কৃষকৰ কাষত উপস্থিত হৈ নিজৰ পকেটৰ ধনেৰে নলা মেৰামতিৰ আশ্বাস দিয়াৰ লগতে আগন্তুক হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ বাজেটত জলসিঞ্চন বিভাগত কৃষকসকলৰ বাবে পানীৰ সুবিধাৰ্থে Action Plan ত আঁচনি ধৰি দিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। উল্লেখ্য যে, গৰখীয়া পুখুৰী গাঁৱৰ ৰাইজে লাখৰো অধিক ৰাইজৰ দান বৰঙণিৰে নলা খন্দা কাম আৰম্ভ কৰে যদিও অৰ্থৰ অভাৱত নলা খন্দাৰ কাম আধৰুৱা হৈ ৰৈ পৰে। সেই আধৰুৱা কামটো আগতে দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়ে হাওৰাঘাটৰ বিধায়কগৰাকীয়ে নিজৰ পকেটৰ ধনেৰে খেতিয়কসকলৰ পানীৰ সুবিধাৰ্থে দেওবাৰে নলা খন্দাৰ কাম সম্পূৰ্ণ কৰি দিয়াৰ বাবে কৃষকসকলৰ মুখত হাঁহি বিৰিঙি উঠিছে আৰু কৃষকসকল আনন্দত উৎফুল্লিত হৈ পৰিছে। কৃষকসকলৰ বাবে নিস্বাৰ্থভাৱে এই কাম কৰি দিয়াৰ বাবে বিধায়কগৰাকীক কৃষকসকলে ধন্যবাদ জ্ঞাপন কৰে। ভৱিষ্যতে এই আঁচনিৰ জৰিয়তে নলাটো পকী কৰি দিবৰ বাবেও কৃষকসকলে অনুৰোধ জনাইছে।

# শ্ৰেষ্ঠ মাতৃ গোট, বিদ্যালয় পৰিচালনা সমিতিক বঁটা প্ৰদান

**ই-সংবাদ, গুৱালকুছি, ১১ মাৰ্চঃ** সমগ্ৰ শিক্ষা, কামৰূপৰ উদ্যোগত জিলা পৰ্যায়ত শ্ৰেষ্ঠ মাতৃ গোট আৰু বিদ্যায় পৰিচালনা সমিতিক বঁটা বিতৰণ অনুষ্ঠান আজি দদৰাৰ ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ সভাপতিত্ব কৰে জ্যেষ্ঠ সাংবাদিক মধুসুদন মেধিয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি বক্তব্য প্ৰদান কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন চন্দ্ৰ কলিতাই কয় যে জিলাখনৰ ৯ টা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনত শ্ৰেষ্ঠ মাতৃ গোট আৰু বিদ্যালয়ত পৰিচালনা সমিতিক পুৰস্কৃত কৰি অহা হৈছে। বিদ্যালয় এখন সৰ্বাংগসুন্দৰ কৰি তোলাত পৰিচালনা সমিতি, মাতৃ গোট আদিৰ গুৰুত্ব অপৰিসীম বুলি মন্তব্য কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা প্ৰাক্তন মিছন সঞ্চালক, সু-সাহিত্যিক থানেশ্বৰ মালাকাৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক, অভিভাৱকসকলৰ দায়িত্বৰ বিষয়ে কয়। বিশিষ্ট অতিথি হিচাপে কামৰূপ জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ গনেশ্বৰ চহৰীয়া আৰু নিমন্ত্ৰিত অতিথি হিচাপে অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সাংবাদিক, সু-সাহিত্যিক পৰেশ বৈশ্য উপস্থিত থাকে। অনুষ্ঠানত জিলাখনৰ দুই শতাধিক বিদ্যালয় পৰিচালনা সমিতি আৰু মাতৃ গোটক স্মাৰক, গামোচাৰে ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। শলাগৰ শৰাই আগবঢ়ায় জিলা আঁচনি বিষয়া ফুলপাহি নাথে। অনুষ্ঠানটোৰ আঁত ধৰে বংশৰ ভূংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই।

**‘তুলিৰাম ৰংহাঙে হিমন্ত বিশ্ব শৰ্মাৰ কথা মতে চলে নে কাৰ্বি আংলঙৰ মানুহৰ মতে চলে’**

# আম্বানিক কাৰ্বি আংলঙত ভূমি প্ৰদানৰ বিৰোধিতা জিলা কংগ্ৰেছৰ

**ই-সংবাদ, ডিফু, ১১ মাৰ্চঃ** অসম চৰকাৰে এডভাণ্টেজ আছাম ২.০ৰ চুক্তি অনুসৰি দেশৰ আগশাৰীৰ উদ্যোগপতি মুকেশ আম্বানিক ৰিলায়েঞ্চ কোম্পানীক কাৰ্বি আংলং জিলাত কম্প্ৰেছড বায়' গেছ উৎপাদনৰ বাবে ভূমি প্ৰদানৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাৰ তীব্ৰ বিৰোধিতা কৰিছে কাৰ্বি আংলং জিলা কংগ্ৰেছে। কাৰ্বি আংলং জিলা কংগ্ৰেছৰ উপ-সভাপতি অশোক টেৰণ, প্ৰাক্তন বিধায়ক জগতছিং ইংতি, প্ৰাক্তন বিধায়ক হেমছিং তিছ', প্ৰাক্তন কাৰ্যবাহী সদস্য ৰতন ইংতি, উপ-সভাপতি ছেমছনছিং ইংতি, কংগ্ৰেছৰ মুখপাত্ৰ মেৰি ৰংপিপীয়ে এখন সংবাদমেল সম্বোধন কৰি কাৰ্বি আংলং জিলাত আম্বানিৰ কোম্পানীক ভূমি প্ৰদানৰ বিৰোধিতা কৰে। উপ-সভাপতি ছেমছনছিং ইংতিয়ে কয় যে কংগ্ৰেছ দলে এই সন্দৰ্ভত একো তথ্য নজনাকে আদানিক মাটি দিয়াৰ বিৰোধিতা কৰে। আনহাতে, অশোক টেৰনে কয় যে অসম চৰকাৰ তথা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে এই সন্দৰ্ভত কোনো তথ্য প্ৰকাশ কৰা নাই। একেদৰে এই প্ৰকল্পৰ ফলত কাৰ্বি আংলং জিলাৰ প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হ'ব বুলি দাবী কৰে। ইতিমধ্যে কাৰ্বি আংলং জিলাৰ প্ৰকৃতি বহু পৰিমাণে ধ্বংস হ'ল বুলি উল্লেখ কৰি টেৰণে যি অকণমান সেউজীয়া প্ৰকৃতি বৰ্তি আছে তাক সংৰক্ষণ কৰি ৰখাৰ আহ্বান জনায়। টেৰণে লগতে কয় যে অসম ৰাইফলছন প্ৰশিক্ষণ শিবিৰৰ বাবে ডিফুত বৃহৎ পৰিমাণৰ ভূমি প্ৰদান কৰা হৈছিল। ইয়াৰপৰা আমাৰ কি লাভ হ'ল। আমাৰ কিমান ল'ৰা-ছোৱালীয়ে অসম ৰাইফলছত নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ল বুলি টেৰণে প্ৰশ্ন কৰে। একেদৰে পশ্চিম কাৰ্বি আংলঙত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ বাবে কাৰ্বি আংলং জিলাত ভূমি প্ৰদান কৰা হ'ল যদিও এই প্ৰকল্পৰপৰা আমি কিমান বিদ্যুৎ আৰু সংস্থাপন লাভ কৰিলো সেই সম্পৰ্কেও আমি অৱগত। বোকাজান বিলাতী মাটিৰ কাৰখানাৰ কথা উল্লেখ কৰি এই কাৰখানাৰপৰা কিমান ৰাজহ পৰিষদে লাভ কৰিলে, কিমান সংস্থাপন হ'ল তাকলৈও প্ৰশ্ন উত্থাপন কৰে টেৰণে। কাৰ্বি আংলং জিলাত সৌৰশক্তি প্ৰকল্পৰ বাবে ১৯ হাজাৰ বিঘা ভূমি আৱণ্টন দিছে পৰিষদে। এই স্থানত বসতি স্থাপন কৰি থকা ২০ হেজাৰ লোকক উচ্ছেদ কৰাৰ লগতে উক্ত স্থান হস্তী কৰীড'ৰো। এনেদৰে কাৰ্বি আংলং জিলাত ভূমি আৱণ্টন দি থাকিলে বাঢ়ি অহা জনসংখ্যাৰ বাবে ভূমিৰ নাটনি হ'ব বুলি টেৰণে উল্লেখ কৰি ইতিমধ্যে বহুলোকে ভূমিৰ অভাৱত সংৰক্ষিত বনাঞ্চল অধিগ্ৰহণ কৰি বসতি স্থাপন কৰিবলৈ আৰম্ভ কৰিছে। তেনেস্থলত এনেদৰে হেজাৰ হেজাৰ বিঘা ভূমি বৃহৎ কোম্পানীবোৰক আৱণ্টন দিলে আমাৰ জিলাখনৰ জনসাধাৰণৰ বাবে ভূমিৰ নাটনি হোৱাটো খাটাং। আনহাতে, প্ৰাক্তন বিধায়ক জগতছিং ইংতিয়ে তুলিৰাম ৰংহাঙক প্ৰশ্ন কৰি কয় যে কাৰ্বি আংলং জিলাত আম্বানিৰ এই উদ্যোগৰ বাবে ভূমি প্ৰদান ১৫ দিনৰ ভিতৰত কৰা হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। তুলিৰাম ৰংহাং হিমন্ত বিশ্ব শৰ্মাৰ মতে চলে নে কাৰ্বি আংলং জিলাবাসীৰ মতে চলে বুলি প্ৰশ্ন কৰে প্ৰাক্তন বিধায়কগৰাকীয়ে। আন এগৰাকী প্ৰাক্তন বিধায়ক হেমছিং তিছ'ৱে কাৰ্বি আংলং জিলাৰ প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট কৰিব পৰা এনে উদ্যোগ স্থাপন নকৰিবলৈ অসম চৰকাৰ আৰু পৰিষদক আহ্বান জনাই ইয়াৰ বিকল্প চিন্তা কৰিবলৈ দাবী কৰে। ইয়াৰ লগতে এই প্ৰকল্প ব্ৰহ্মপুত্ৰ উপত্যকালৈ লৈ যাবলৈও আহ্বান জনাই বিধায়কগৰাকীয়ে। ইয়াৰ লগতে দুয়োখন পাৰ্বত্য জিলাৰ যুৱক-যুৱতীসকলক ইয়াৰ প্ৰতিবাদ কৰিবলৈ একেলগে মাৰবান্ধি ওলাই আহিবলৈ আহ্বান জনাইছে। সংবাদমেলত বক্তব্য ৰাখি মেৰি ৰমপিপীয়ে কংগ্ৰেছ দলে অসম চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰে বুলি উল্লেখ কৰি কংগ্ৰেছ দলে কোনো কাৰণতে এই সিদ্ধান্ত নামানে বুলি দাবী কৰে।

# ৰাজ্যৰ ভিন ভিন প্ৰান্তত ২৪খন প্ৰাথমিক শিক্ষক সন্মিলনীৰ শৈক্ষিক অভিৱৰ্তন

**ই-সংবাদ, গুৱাহাটী, ১১ মাৰ্চঃ** ৰাজহুৱা প্ৰাথমিক শিক্ষাৰ চৰকাৰী প্ৰচাৰ আৰু বাস্তৱ শীৰ্ষক বিশেষ শৈক্ষিক অভিৱৰ্তনে গ্ৰহণ কৰা প্ৰস্তাৱসমূহ আজি প্ৰাথমিক শিক্ষক সন্মিলনীয়ে প্ৰাথমিক শিক্ষা সঞ্চালকৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই উপলক্ষে আজি গুৱাহাটী চানমাৰিস্থিত শিক্ষক ভৱনত আয়োজিত এক সংবাদমেলত সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে জনায় যে যোৱা এক মাৰ্চত ৰাজ্যৰ বিভিন্ন জিলাত সৰ্বমুঠ ২৪ খন বিশেষ শৈক্ষিক অভিৱৰ্তন অনুষ্ঠিত হৈছিল। বিভিন্ন স্থানত অনুষ্ঠিত অভিৱৰ্তনত অসমৰ প্ৰায় সকলো ছাত্ৰ সংগঠন, সাহিত্য সভা, সংবাদ কৰ্মী, শিল্পী, শিক্ষাবিদ, অভিভাৱক আৰু সচেতন ৰাইজে অংশগ্ৰহণ কৰিছিল। সন্মিলনীৰ তৰফৰ পৰা বছৰৰ পাছত বছৰ ধৰি প্ৰাথমিক বিদ্যালয়, শিক্ষাৰ্থী আৰু শিক্ষকে সন্মুখীন হৈ অহা ভিন ভিন সমস্যা ৰাজ্য চৰকাৰক দৃষ্টিগোচৰ কৰিলেও চৰকাৰে প্ৰদৰ্শন কৰি অহা চৰম অৱহেলাৰ বিষয়ে অৱগত কৰিছিল। সন্মিলনীৰ তৰফৰ পৰা বিগত চাৰি বছৰ ধৰি মুখ্যমন্ত্ৰীৰ বৃত্তি পৰীক্ষা বন্ধ হৈ থকা, পাঠ্যপুথিৰ লগতে অভ্যাসৰ আৰু মূল্যায়ন বহী আগত শিক্ষা বৰ্ষত প্ৰদান কৰিবলৈ অপাৰগতা প্ৰকাশ কৰা, শিক্ষকক পাঠ্যক্ৰম বহিৰ্ভূত কামত ব্যস্ত ৰাখি শিক্ষাৰ্থীৰ শৈক্ষিক অৰ্হতা অৰ্জনত ব্যাঘাত জন্মোৱা, স্নাতক শিক্ষকৰ পৰা কাঢ়ি নিয়া ৮৭০০.০০ টকা ঘূৰাই দিয়া, বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষকসকলৰ আৰ্হিত ছুটীকে ধৰি বিভিন্ন প্ৰাপ্য আদায় দিয়া, বাকী থকা সকলো ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰা, টিউটৰসকলক শিক্ষকৰ মৰ্যাদা প্ৰদান কৰা আৰু প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰা আদি বিষয়বোৰ শৈক্ষিক অভিৱৰ্তনত উপস্থাপন কৰিছিল। সন্মিলনীৰ প্ৰধান সম্পাদক গোস্বামীয়ে কয় যে ১৯৮২ চনৰ পৰা সন্মিলনীয়ে ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বাবে ভিন্ন উপায়ে কৰি অহা প্ৰয়াসৰ অন্তত অসমৰ সকলো ছাত্ৰ সংগঠন, ভিন ভিন সাহিত্য সভা, অভিভাৱক, সচেতন ৰাইজে অংশগ্ৰহণ কৰি গণ স্বাক্ষৰেৰে মুখ্যমন্ত্ৰীলৈ আবেদন জনোৱাৰ পাছত প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ নায্যতাক মানিবলৈ ২ আগষ্ট ২০২৩ তাৰিখে ৰাজ্য চৰকাৰে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্তৰ লগত আৰোপ কৰা চৰ্তক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে মানি লোৱা নাই, কিন্তু কেবিনেট সিদ্ধান্তক সন্মান জনাই কাৰ্যকৰী কৰাত সন্মিলনীয়ে আন্তৰিকতাৰে সহযোগ কৰিছিল। বিগত ডেৰ বছৰে সিদ্ধান্ত কাৰ্যকৰী নকৰি অসমৰ ৰাইজৰ মতামতক উপেক্ষা কৰিছে। যিসমূহ দল-সংগঠনে ৰাজ্যৰ প্ৰাথমিক শিক্ষানুষ্ঠানসমূহ মুৰব্বীযুক্ত কৰাৰ সপক্ষে মতামত দি স্বাক্ষৰ কৰিছিল সেই সকলো দল-সংগঠনৰ প্ৰতিয়েই চৰকাৰে যেন প্ৰতাৰণা কৰিছে। সেই সকলো বিষয় ৰাইজক অৱগত কৰাৰ পাছত শৈক্ষিক অভিৱৰ্তনে গ্ৰহণ কৰা প্ৰস্তাৱসমূহ পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি আজি প্ৰাথমিক শিক্ষা সঞ্চালকৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হৈছে। সন্মিলনীৰ নেতৃত্বই জনায় যে অভিৱৰ্তনৰ প্ৰস্তাৱসমূহ কাৰ্যকৰী নহ'লে এপ্ৰিল মাহত ৰাইজৰ সহযোগত অভিভাৱক-শিক্ষক-ছাত্ৰ-ছাত্ৰীয়ে একেলগে ৰাজ্যৰ চুকে-কোণে ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব।

# ডিব্ৰুগড়ৰ খোৱাঙত ৰাজ্য চৰকাৰৰ উদ্যোগত বাইথ' পূজা উদ্‌যাপন

**ই-সংবাদ, ডিব্ৰুগড় আৰু চাবুৱা-লাহোৱাল, ১১ মাৰ্চঃ** অসমৰ তৃতীয় বৃহৎ জনজাতি সোণোৱাল কছাৰীসকলৰ বাইথ' পূজা সাংস্কৃতিক পৰম্পৰাৰে আৰম্ভ হৈছে। দেওবাৰে দেও নমোৱা আৰু দেৱতা আহ্বান, সোমবাৰে বাইথ' দেৱতাক পূজা দিয়াৰ পিছত আজি তৃতীয়টো দিনত ডাঙৰীস্থিত জনজাতিটোৰ মূল বাইথ' মন্দিৰত হাইদাং গীতৰ অৰ্চনাৰে, হুঁচৰি আৰু ওঠৰ কোঁৰৰ-কুৱঁৰীয়ে লগবিহুৰে মৰ্ত্যলৈ বিহু নমাই সোণোৱালসকলক উচ্ছাসিত কৰে। সমান্তৰালভাৱে আজিৰেপৰা ৰাজ্যৰ প্ৰতিখন জিলাৰ সোণোৱাল কছাৰী গাঁৱত বাজিব ঢোল, আখৰা চলিব লগবিহু আৰু হুঁচৰিৰ। ইয়াৰ পৰৱৰ্তী সময়ত ব'হাগ মাহত গৰখীয়া ল'ৰাহঁতে মেদিনী কঁপাই বিহুমাৰি পৃথিৱী উৰ্বৰা কৰিব আৰু খ্ৰীং খ্ৰীং বাইথ' দেৱতাৰ আশিস লভি কৃষিকৰ্ম আৰম্ভ কৰিব। আনহাতে, জনজাতিটোৰ এই উৎসৱ এইবাৰ ৰাজ্য চৰকাৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ যৌথ উদ্যোগত আৰু পশ্চিম ডিব্ৰুগড় খ্ৰীং খ্ৰীং বাইথ' পূজা সমিতিৰ সহযোগত খোৱাং আঠাবাৰীস্থিত খ্ৰীং খ্ৰীং বাইথ' মন্দিৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিছে। পৰম্পৰা অনুসৰি আঠাবাৰীতো দেওবাৰে দেও নমোৱা অনুষ্ঠানৰ পিছতে সোমবাৰে অনুষ্ঠিত হয় মূল পূজা। মঙলবাৰে, খ্ৰীং খ্ৰীং বাইথ' পূজাৰ অন্যতম কাৰ্যসূচী সোণোৱাল কছাৰীসকলৰ বিহু নমোৱা অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী বিমল বড়াই কয় যে সংস্কৃতিয়ে সদায় মানুহক এক কৰে। দুষ্কৃতিৰ লগত যুঁজত সদায় যিহেতু সংস্কৃতিৰেই জয় হয় সেইবাবে এনে পৰিশীলিত সংস্কৃতি চৰ্চা আমাৰ প্ৰয়োজন। কিন্তু সংস্কৃতি মানে কেৱল গীত-মাত বুলি ভৱাটো উচিত নহয়। সোনোৱাল সমাজৰ বাইথ' পূজাৰ এক সুকীয়া তাৎপৰ্য আছে বুলি ভাষণত উল্লেখ কৰি তেওঁ কয় যে এই পূজা কেৱল নিজৰ বাবে কৰা পূজা নহয়। চাৰি মুঠি জীৱ অৰ্থাৎ উৰণ, বৰণ, গজন আৰু ভ্ৰমণ এই চাৰিমুঠি জীৱৰ কল্যাণৰ নিমিত্তে কৰা হয়। এনেধৰণৰ সংস্কৃতিসমূহক কেন্দ্ৰ কৰি মূল বিষয়টো তুলি ধৰাৰ বাবে ৰাজ্য চৰকাৰে এই পূজা আয়োজন কৰি আহিছে বুলিও তেওঁ ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত এনেধৰণৰ সংস্কৃতিবোৰ ৰক্ষা কৰাত সংশ্লিষ্ট সকলোৰে দায়বদ্ধতা থকাৰ প্ৰয়োজনৰ লগতে নতুন চিন্তা, উপস্থাপনেৰে বিশ্ববাসীৰ আগত তুলি ধৰিব লাগে বুলিও উল্লেখ কৰে। সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে আদৰণী ভাষণত পৰিষদৰ উদ্যোগত ৰাজ্যখনৰ বিভিন্ন স্থানত মুঠ ৫৫ টা বাইথ' মন্দিৰ নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে বাইথ' সংস্কৃতিৰ চৰ্চা চলি থকা বুলিও উল্লেখ কৰে। অভ্যৰ্থনা সমিতিৰ হৈ পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীয়েও বক্তব্য আগবঢ়োৱা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বাইথ' সংস্কৃতিৰ সাধক ডাঃ জীতেন বড়াই বাইথ' পূজাৰ তাৎপৰ্য উল্লেখ কৰি সোণোৱালৰ লগবিহুৰ যি মৰ্যাদা সেয়া আন বিহুতকৈ পৃথক বুলি গণ্য কৰি তাক বিকৃত নকৰিবৰ বাবে আহ্বান জনায়। সভাত মহানন্দ সোণোৱালৰ সম্পাদিত স্মৃতিগ্ৰন্থ বৰম বাহু উন্মোচন কৰে মন্ত্ৰী বিমল বৰাই। উক্ত সভাতেই সোণোৱাল জনজাতিৰ সমাজ-সংস্কৃতিৰ স'তে জড়িত আৰু ভিন্ন কৃষ্টিৰ চৰ্চা অব্যাহত ৰখা ক্ৰমে দুৰ্গেশ্বৰ সোণোৱাল, ৰহেশ্বৰ সোণোৱাল, অন্নদা সোণোৱাল, ৰেখা বড়া, অৰুণ চেলেং, কোমেশ্বৰ চেলেং, কৰুণা শইকীয়া, হেমদা শইকীয়া, প্ৰেমদা হাজৰিকা, ফনীন্দ্ৰনাথ দাস, আনন্দ বৰুৱা, দয়াল শইকীয়াক মান-পত্ৰ আৰু সোণোৱাল গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সোনোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ মুখ্য সচিব ভক্তিপ্ৰসাদ সোনোৱাল, ডিব্ৰুগড় উন্নয়ন প্ৰধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম গেছ কোম্পানীৰ অধ্যক্ষ ইন্দ্ৰ গগৈ, এ পি এলৰ অধ্যক্ষ বিকুল ডেকাকে ধৰি জনজাতিটোৰ জাতীয় সংগঠন ক্ৰমে ছাত্ৰ সন্থা, নাৰী সন্থা, সাহিত্য সভা, জাতীয় পৰিষদৰ প্ৰতিনিধি, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য আৰু তিনি সহস্ৰাধিক ৰাইজ উপস্থিত থাকে। সভাৰ মাজে মাজে সোণোৱালৰ লগবিহু, লেছেৰী, মিচিং, দেউৰী নৃত্যও পৰিৱেশন কৰা হয়।

# আজিৰেপৰা মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত কৃষক মেলা-২০২৫

**ই-সংবাদ, মৰিগাঁও-লাহৰিঘাট** ১১ মাৰ্চঃ মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত, জিলা প্ৰশাসনৰ সহযোগত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (আত্মা) সৌজন্যত আজিৰেপৰা আৰম্ভ হৈছে কৃষক মেলা-২০২৫। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কৃষক মেলাখনৰ আজি উদ্বোধন কৰে জিলা পৌৰপতি যোগেশ তামুলীয়ে। শিল্পী মৌমিন ডেকাৰ বৰগীত পৰিৱেশন আৰু স্থানীয় মহিলাসকলৰ দ্বাৰা সমৱেত সংগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ কুমাৰ বৰা আৰু অতিৰিক্ত আয়ুক্ত(কৃষি) অনুসূয়া শৰ্মাৰ উপস্থিতিত আৰু জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত এক মতবিনিময় অনুষ্ঠান আয়োজন কৰা হয়। কৃষি উপ-পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকাই আঁতধৰা উক্ত অনুষ্ঠানত মৰিগাঁৱৰ কৃষিখণ্ডৰ উত্তৰণ, সমস্যা আৰু ইয়াৰ সমাধান, কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি, কৃষকৰ আয় আৰু উৎপাদন বৃদ্ধি আদি




সম্পৰ্কে বিশেষভাৱে আলোকপাত কৰা হয়। কৃষি বিভাগৰ দ্বাৰা আয়োজিত কৃষক মেলাখন জিলাখনৰ কৃষকসকলৰ বাবে এক বৃহৎ মঞ্চত পৰিণত হৈছে। কৃষক মেলাখনে কৃষি-উদ্যান শস্যৰ প্ৰদৰ্শনী, বিভিন্ন বিভাগৰ দ্বাৰা উৎপাদিত উৎকৃষ্ট মানদণ্ডৰ সামগ্ৰী প্ৰদৰ্শন, কাৰিকৰী বিষয় সম্পৰ্কীয় আলোচনা-চক্ৰ, আধুনিক কৃষি যন্ত্ৰৰ প্ৰদৰ্শনী, কৃষকৰ প্ৰশিক্ষণ, বীজ বিতৰণ আদিক সামৰি লৈছে। মেলাখনত জিলা প্ৰশাসনৰ অধীনৰ বিভিন্ন বিভাগ, কৃষি বিজ্ঞান কেন্দ্ৰ, আত্মসহায়ক গোট, কৃষক উৎপাদক কোম্পানীৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰে ২৫ খন বিপনী সামৰি প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হয়। অনুষ্ঠানত কেইবাগৰাকী প্ৰগতিশীল কৃষকক সম্বৰ্ধনা জনোৱাৰ লগতে আত্মা আঁচনিৰ অধীনত ১২টা মহিলা খাদ্য সুৰক্ষা গোটক ১০ হাজাৰকৈ টকাৰ সাহায্য প্ৰদান কৰা হয়। কৃষক মেলাৰ প্ৰথমদিনাৰ কাৰ্যসূচীৰ অংশৰূপে এক কৃষক-বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কাঠফুলাৰ মূল্য সংযোজন প্ৰসংগত মত বিনিময় অনুষ্ঠান আয়োজন কৰাৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলৰ দ্বাৰা কাঠফুলা খেতি সম্পৰ্কে কাৰিকৰী প্ৰশিক্ষণ আগবঢ়োৱা হয়। উদ্বোধনী অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ জিলা কৃষক মৰ্চাৰ সভাপতি দুলাল ব্ৰহ্ম, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্যা বিনিতা পাটৰ, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ ৰিজুস্মিতা শৰ্মা, সহযোগী বিভাগৰ মুৰব্বী বিষয়াসকল, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে তিনি শতাধিক ৰাইজ উপস্থিত থাকে।

### টিপুক চাহ বাগিচাত লোমহৰ্ষক হত্যাকাণ্ড

# পত্নীক দাৰে ঘপিয়াই হত্যা স্বামীৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১১ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত টিপুক চাহ বাগিচাৰ পাকা লাইনত আজি পুৱা এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হ'য়। গাঁৰ নোম শিয়ৰি উঠা উক্ত ঘটনাক লৈ বাগিচাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। পত্নীৰ মুখমণ্ডল আৰু শৰীৰত দাৰে ঘপিয়াই থকা-সৰকা কৰে দানৱৰূপী স্বামীয়ে। স্বামীৰ উপৰ্যুপৰি দাৰ ঘাপত কৰুণ মৃত্যুক আঁকোৱালি ল'বলগীয়া হয় চাৰি সন্তানৰ মাতৃয়ে। আজি পুৱা প্ৰায় ১০ বজাত বাগিচাখনৰ পাকা লাইনৰ বুধুৰাম পাহাৰীয়া (৪২) নামৰ নৰপিশাচটোৱে পত্নী ধৰ্মী পাহাৰীয়া (৪০) ক দাৰে ঘপিয়াই হত্যা কৰি কম্বলেৰে ঢাকি থৈ দাখন পানীৰে ধুই তালাপ আৰক্ষী চকীত দুপৰীয়া ১২ মান বজাত আত্মসমৰ্পণ কৰে। অভিযোগ অনুসৰি, বুধৰাম পাহাৰীয়াই পূৰ্বৰেপৰা পত্নীক শাৰীৰিক অত্যাচাৰ চলাই আহিছিল। দিন-দুপৰতে উচ্চ প্ৰাবল্যৰ গান বজাই পত্নীক বহুবাৰ অত্যাচাৰ চলোৱাৰ কথাও স্থানীয় লোকে জানিবলৈ দিছে। চুলাই মদৰ বাবেই উক্ত ঘটনা সংঘটিত হোৱা বুলি



স্থানীয় ৰাইজে জানিবলৈ দিয়াৰ লগতে হত্যাকাৰীক কঠোৰতকৈ কঠোৰ শাস্তি বিহিবলৈও দাবী জনায়। ঘটনাস্থলীত ডুমডুমা আৰু তালাপ আৰক্ষীৰ লগতে ডুমডুমা সমজিলা আয়ুক্ত উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰাৰ বিপৰীতে হত্যাকাৰীক জে'ললৈ প্ৰেৰণ কৰে। ঘটনাক লৈ তালাপত চাঞ্চল্য অব্যাহত আছে।

# জামুগুৰিৰ ধৰ্মপ্ৰাণ ব্যক্তি ফাকুৰাম নাথৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ১১ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতি-কাষৰীয়া জামুগুৰি নিৱাসী সমাজকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি তথা অৱসৰপ্ৰাপ্ত আৰক্ষী জোৱান ফাকুৰাম নাথৰ দেওবাৰে সন্ধিয়া প্ৰায় ৬ বজাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত জীৱনাৱসান ঘটে। বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকা নাথৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৯ বছৰ। জামুগুৰিৰ ঐতিহাসিক সাৰ্বজনীন গৰখীয়া থানৰ এগৰাকী পৰম হিতৈষী, গাঁওখনৰ অন্যতম জেষ্ঠ ব্যক্তি হিচাপে নাথে স্থানীয় সকলো সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থাকি সমাজ জীৱনলৈ উল্লেখনীয় অৱদান আগবঢ়াই আহিছিল। অমায়িক আৰু সৰল মনৰ সৰবৰহী ব্যক্তি নাথৰ বিয়োগত স্থানীয় অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ বিপৰীতে বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰ, তিনিগৰাকী কন্যা, বোৱাৰী, জোঁৱাইসহ বহুতকে এৰি যায়।

# পাথৰিঘাট কেওঁট সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ বিশেষ প্ৰস্তুতি

**ই-সংবাদ, পশ্চিম দৰং, ১১ মাৰ্চঃ** দৰং জিলা কেওঁট সন্মিলনৰ অন্তৰ্গত পাথৰিঘাট শাখা কেওঁট সন্মিলনৰ ৭০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি তুংগত উঠিছে। ১৫ আৰু ১৬ মাৰ্চত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পাথৰিঘাট শিৱ মন্দিৰ প্ৰাংগণৰ প্ৰতাপ চন্দ্ৰ ভূঞা ক্ষেত্ৰত অনুষ্ঠিত হ'ব দ্বি-বাৰ্ষিক অধিৱেশনখনি। ১৫ মাৰ্চত সন্মিলনৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, স্বাধীনতা আন্দোলনৰ বীৰাংগনা কনকলতা বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, পথৰুঘাট কৃষক শ্বহীদ স্মৃতিসৌধত স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, তোৰণ উন্মোচন, সাহিত্য প্ৰতিযোগিতা, প্ৰদৰ্শনী দ্বাৰ উন্মোচন, বিষয়বাচনি আৰু সম্বৰ্ধনা সভা আৰু নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত স্হানীয় কলা-কৃষ্টি প্ৰদৰ্শনৰ লগতে আমন্ত্ৰিত শিল্পীয়ে গীত পৰিৱেশন কৰিব। ১৬ মাৰ্চৰ পুৱা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতে দুপৰীয়া অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সাংসদ দিলীপ শইকীয়া, বিধায়ক ড০ পৰমানন্দ ৰাজবংশী। মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিব বিশিষ্ট সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ মণ্ডলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বসন্ত শইকীয়াই। মুকলি সভাত অসম চৰকাৰৰ পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাস, দৰং জিলা আয়ুক্ত প্ৰমুখ্যে বহুতো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। নিশা নাগাৰা নাম পৰিৱেশনৰে দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া ৭০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি পৰিব। এই সমূহ কাৰ্যসূচীত সকলো ৰাইজৰ উপস্থিত সহযোগিতা কামনা কৰিছে পাথৰিঘাট শাখা কেওঁট সন্মিলনৰ সভাপতি কমলেশ্বৰ ডেকা, সম্পাদক পংকজ ডেকা, আদৰণি সমিতিৰ সভাপতি ভৱানীচৰণ শইকীয়া আৰু সম্পাদক হেমচন্দ্ৰ দাসে।

# মুখ্যমন্ত্ৰীক ধন্যবাদ অসম সত্ৰ মহাসভাৰ

### বাজেটত ৫০ কোটি আৱণ্টন

**ই-সংবাদ, গোলকগঞ্জ, ১১ মাৰ্চঃ** মধুপুৰ সত্ৰৰ সংৰক্ষণৰ বাবে চলিত বাজেটত পঞ্চাছ কোটি টকা আৱণ্টন দিয়া কাৰ্যক আদৰণি জনাইছে অসম সত্ৰ মহাসভায়ে। সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে সাংবাদিকক কয় যে তদানীন্তন কোচবিহাৰ ৰাজ্যত চৌবিছখন সত্ৰ আছিল। প্ৰাকৃতিক দুৰ্যোগ আৰু আন বহু কাৰণত সত্ৰসমূহ নিশ্চিহ্ন হৈ গৈছে। কিন্তু সত্ৰসমূহ সংৰক্ষণৰ ওপৰত চৰকাৰে শেহতীয়াকৈ যি গুৰুত্ব আৰোপ কৰিছে তাক লৈ তেওঁ গৌৰৱৰ লগতে যথেষ্ট আনন্দ প্ৰকাশ কৰে। মধুপুৰ সত্ৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে চৰকাৰে পুঁজিৰ আৱণ্টন দিয়াৰ বাবে সভাপতিগৰাকীয়ে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি ইয়াৰ সঠিক ৰূপায়ণৰ বাবে আহ্বান জনায়। তেওঁ কয় যে বেহাৰ ৰাজ্যত নিশ্চহ্ন হৈ যোৱা চৌবিশখন সত্ৰৰ বহুকেইখন উদ্ধাৰ হৈছে। এই সত্ৰসমূহৰ ৰক্ষণাবেক্ষণৰ লগতে পশ্চিমবংগৰ সত্ৰৰ নামঘৰীয়াসকলক কিঞ্চিত হ'লেও মাহিলী মাননী দিয়াৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়।

# বৰপেটাৰোড পৌৰসভাৰ নিজা পুঁজিৰে নিৰ্মিত সুলভ শৌচালয় উদ্বোধন

**ই-সংবাদ, বৰপেটাৰোড, ১১ মাৰ্চঃ** ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটাৰোড নগৰৰ শিমলাগুৰীত স্বচ্ছ ভাৰত মিচন ২.০ৰ অধীনত আৰু বৰপেটাৰোড পৌৰসভাৰ নিজা পুঁজিৰ ২২ লাখ ৮৬ হাজাৰ টকাৰে আধুনিক সুলভ শৌচালয় নিৰ্মাণ কৰা হয়। ইয়াৰে স্বচ্ছ ভাৰত মিচন ২.০ ৰপৰা ৯ লাখ টকা আৱণ্টন দিয়াৰ বিপৰীতে বৰপেটাৰোড পৌৰসভাই ২০ লাখ ৮৬ হাজাৰ টকা আৱণ্টন দি শৌচালয়টো নিৰ্মাণ কৰে। সুলভ শৌচালয়টো ৰাইজৰ বাবে আজি বৰপেটা জিলাৰ জিলা অতিৰিক্ত আয়ুক্ত মৌচুমী চেতিয়াই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উক্ত অনুষ্ঠানত পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰিয়ংকু বৰুৱা, পৌৰপতি ৰাজেশ সৰকাৰ, পৌৰসভাৰ উপ-সভানেত্ৰী সুৰথী সাহা উপস্থিত থাকে।

# গড়গাঁও মহাবিদ্যালয়ৰ আন্তঃগাৰ্থনিৰ উত্তৰণত অ'এনজিচিৰ গুৰুত্বপূৰ্ণ সহযোগ

**ই-সংবাদ, শিৱসাগৰ, ১১ মাৰ্চঃ** অ' এন জি চি, অসম সম্পদৰ দ্বাৰা আবণ্টিত পুঁজিৰে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ সহযোগত, স্বেচ্ছাসেৱী সংগঠন 'ছেভড'(Saved)ৰ জৰিয়তে শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ত নিৰ্মিত চাৰিটা পুৰুষৰ আৰু তিনিটা মহিলাৰ সৰ্বমুঠ সাতটা শৌচাগাৰ আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অ' এন জি চি, অসম সম্পদ, নাজিৰাৰ জনসম্পৰ্ক বিভাগৰ মহাপ্ৰবন্ধক দুৰ্গেশ ভাটিয়াই আনুষ্ঠানিকভাৱে মুকলি কৰি বিগত দিনত গড়গাঁও মহাবিদ্যালয়ৰ আন্তঃগাৰ্থনি তথা বিভিন্ন অনুষ্ঠান আদিত অ' এন জি চি, অসম সম্পদে আগবঢ়োৱা সহযোগিতাৰ বিষয়ে উল্লেখ কৰি পৰৱৰ্তী সময়তো মহাবিদ্যালয়ৰ উত্তৰণৰ বাবে সহযোগিতা আগবঢ়োৱা প্ৰতিশ্ৰুতি দিয়ে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ডঃ সব্যসাচী মহন্তই অ' এন জি চি, অসম সম্পদৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখা, স্বেচ্ছাসেৱী সংগঠন ছেভডৰ বিষয়ববীয়াসকলক তেওঁলোকৰ সহযোগিতাৰ বাবে বিশেষ ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হৈ যতীন লাহন আৰু স্বেচ্ছাসেৱী সংগঠনৰ হৈ দেৱজ্যোতি গগৈয়ে বক্তব্য প্ৰদান কৰি গড়গাঁও মহাবিদ্যালয়ৰ আন্তঃগাৰ্থনিগত তথা বৌদ্ধিক উত্তৰণৰ কামনা কৰে।অনুষ্ঠানটিত গড়গাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিগন্ত কোঁৱৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল সমিতিৰ কাৰ্যবাহী সদস্য যতীন লাহন, নাজিৰা জিলা শাখাৰ সভাপতি ধ্ৰুৱজ্যোতি খনিকৰ,নাজিৰা জিলা শাখাৰ বিষয়ববীয়া অৰুণ গগৈ , প্ৰমোদ তামুলী, স্বেচ্ছাসেৱী সংগঠন 'চেভড'ৰ সঞ্চালক দেৱজ্যোতি গগৈ, অন্যতম বিষয়ববীয়া চাকিল আহমেদৰ লগতে গড়গাঁও মহাবিদ্যালয়ৰ শিক্ষক, শিক্ষাৰ্থী, কৰ্মচাৰী আদি উপস্থিত থাকে।

# বিজয়নগৰত গুটখাৰ অবাধ বেহা

**ই-সংবাদ, মিৰ্জা, ১১ মাৰ্চঃ** দক্ষিণ কামৰূপৰ বিজয়নগৰত অসাধু ব্যৱসায়ীয়ে সৃষ্টি কৰা কৃত্ৰিম নাটনিৰ ফলত মূল্যবৃদ্ধি হৈছে গুটখাৰ। যাৰফলত খুচৰা বিক্ৰেতাসকলে অধিক দৰত পাইকাৰী বেপাৰীসকলৰপৰা গুটখা ক্ৰয় কৰিবলগীয়া হোৱাত প্ৰতি পেকেট গুটখাৰ মূল্য দহ টকাৰ পৰিৱৰ্তে ১২-১৫ টকাত বিক্ৰী কৰিব লগা হৈছে। অঞ্চলটোৰ উপৰহালীস্থিত গুটখা কোম্পানী এটাৰ লগত অসাধু পাইকাৰী ব্যৱসায়ীসকলে বুজাবুজি কৰি দক্ষিণ কামৰূপত গুটখাৰ ছিণ্ডিকেট আৰম্ভ কৰাৰ অভিযোগ খুচৰা বিক্ৰেতাৰ। আনহাতে, অত্যধিক গুটখা সেৱন কৰাৰ ফলত এই অঞ্চলৰ জনসাধাৰণ অচিন ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। গুটখাৰ এই অবাধ বেহা ৰোধৰ বাবে চৰকাৰে কি পদক্ষেপ লয় সেয়া হ'ব লক্ষণীয়। স্থানীয় ৰাইজে নৰপ্ৰজন্মক গুটখাৰ কবলৰ পৰা উদ্ধাৰ কৰিবলৈ শীঘ্ৰে প্ৰশাসনক ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

# নগাঁৱৰ ছাত্ৰীৰ বিশেষ সফলতা

**ই-সংবাদ, বেবেজীয়া, ১১ মাৰ্চঃ** সময়ে সময়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন নৃত্য প্ৰতিযোগিতাত নগাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে সফলতা কঢ়িয়াই অনাৰ সমান্তৰালভাৱে পুনৰ এগৰাকী নগাঁৱৰ ছাত্ৰীয়ে ৰাষ্ট্ৰীয়পৰ্যায়ত আয়োজিত নৃত্য প্ৰতিযোগিতাত সফলতা অৰ্জনেৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই প্ৰতিভাৱান ছাত্ৰীগৰাকী হৈছে নগাঁও জিলাৰ হাতীচোং মজলীয়া বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জোনালী দাস। বিশ্ব নাৰী দিৱস উপলক্ষে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আয়োজিত নৃত্য প্ৰতিযোগিতাত ভাগ লৈ জোনালী দাসে কৃতিত্ব কঢ়িয়াই আনিছে। জানিব পৰা মতে, আৰ এম এছ এছ—নাৰী শক্তি ট্ৰাষ্ট অব্ ইণ্ডিয়াৰ উদ্যোগত দেশৰ বিভিন্ন প্ৰান্তৰ শতাধিক জাতীয়-জনজাতীয় নৃত্যশিল্পীয়ে একে মঞ্চত প্ৰায় দুকুৰি শৈলীৰ উৎকৃষ্ট নৃত্য প্ৰদৰ্শনৰ জৰিয়তে চমক সৃষ্টি কৰা অভিলেখৰ বাবে ডব্লিউ আৰ অ'ইউৰপৰা ৱৰ্ল্ড ৰেকৰ্ড গীনিজ এৱাৰ্ড প্ৰদান



কৰা হয়। হাতীচোং কমাৰচুকৰ প্ৰয়াত জোন্টি দাস আৰু ৰূপা দাসৰ কন্যা জোনালী দাসৰ এই সফলতাই এতিয়া ছাত্ৰীগৰাকীৰ বিদ্যালয়খনৰ লগতে বৃহত্তৰ হাতীচোংবাসীক গৌৰৱান্বিত কৰি তুলিছে। ছাত্ৰীগৰাকীক হাতীচোং মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ লগতে অঞ্চলবাসীয়ে শুভেচ্ছা জনাইছে।

# নগাঁৱৰ বৰজহাত বিশেষ ভাগৱত পাঠৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ১১ মাৰ্চঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ বৰজহা গাঁৱত দুদিনীয়াকৈ ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠানৰ আয়োজন কৰা হৈছে। বৰজহা কীৰ্ত্তনঘৰ পৰিচালনা সমিতিৰ সমিতিৰ উদ্যোগত আৰু গাঁওবাসীৰ সহযোগত অহা ২৮ আৰু ২৯ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ অনুষ্ঠানটি বৰজহা কীৰ্ত্তনঘৰৰ উপৰি সামূহিক ভৱনতো ইয়াৰ কাৰ্যক্ৰম ৰূপায়িত হ'ব। এই ধৰ্মীয় অনুষ্ঠানটিৰ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে পংকজ বৰাক সভাপতি আৰু ধ্ৰুৱজ্যোতি বৰুৱাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন পাঠ পৰিচালনা উপ-সমিতিও গঠন কৰা হৈছে। প্ৰথমটো দিনৰ কাৰ্যসূচীৰ অংশৰূপে পুৱা প্ৰাতঃ প্ৰসংগ, ভাগৱত ভ্ৰমণ, নাম প্ৰসংগ, প্ৰসাদ বিতৰণ আৰু বিয়লি ৩ বজাৰ পৰা ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত অংশগ্ৰহণ নিশ্চিত কৰা ব্যাখ্যাকাৰসকল হৈছে ডিফলুৰ বিশ্বজ্যোতি ডেকা আৰু সোণমণি হাজৰিকা, বৰক'লাৰ নন্দেশ্বৰ ডেকাৰজা, ভালুকমাৰীৰ শুকৰাম ডেকা, কাৰ্বি আংলঙৰ চেৰেকানিৰ গাঁৱৰ নৃপেন বৰা, বৰজহাৰ গুণেন্দ্ৰ বৰা, গোলাপ বৰা আৰু হাতীগড়ৰ প্ৰভাত কাকতি। ইফালে, অনুষ্ঠানৰ দ্বিতীয়টো দিনৰ কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত ভাগৱত পাঠৰ সামৰণি অনুষ্ঠান, দিনৰ ১১ বজাৰ পৰা নাম প্ৰসংগ, বিয়লি ১ বজাত প্ৰসাদ বিতৰণ আৰু সন্ধিয়া ৬ বজাৰ পৰা মৰিগাঁৱৰ ভাগ্যশ্ৰী দেৱীৰ দলে দিহানামৰ অনুষ্ঠান পৰিৱেশন কৰিব। এইসমূহ কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কমিটিৰ ঘোষণা ডিব্ৰুগড়ত ফিটৰা নিৰ্ধাৰণ ৭০ টকাকৈ

**ই-সংবাদ, ডিব্ৰুগড়, ১১ মাৰ্চঃ** ইছলামধৰ্মী লোকসকলে পৱিত্ৰ ৰমজান মাহত দুখীয়াসকলৰ মাজত ফিটৰা বা দান দিয়াটো কৰ্তব্য। এই ফিটৰা নিৰ্ধাৰণ কৰাৰ বাবে প্ৰতিখন জিলা বা সদৰত একোখন কমিটী ৰাইজে গঠন কৰি দিয়ে। সেই মতে কমিটীয়ে বৰ্তমানৰ বজাৰ দামত আটা, ঘেঁহু, কিচমিচ আদি দামৰ ওপৰত নিৰ্ভৰ কৰি ফিটৰাৰ হাৰ নিৰ্ধাৰণ কৰে। সৰ্বসাধাৰণৰ বাবে ১,৬৩৩ গ্ৰাম আটা বা ঘেঁহুৰ স্থানীয় বজাৰ মূল্যৰ ওপৰত ভিত্তি কৰি এই ফিটৰা নিৰ্ধাৰণ কৰা হয়। সেই মতে এই বছৰ ডিব্ৰুগড় জিলাৰ হিলাল কমিটীৰ সভাপতি মৌলানা আলহজ্ব আইনান জুবেৰী আৰু সম্পাদক আলহজ্ব নাচিমুল গণিয়ে ডিব্ৰুগড়ৰ ইছলাম ধৰ্মী লোকৰ পৰিয়ালৰ প্ৰতিজন সদস্যৰ বাবে ৭০ টকাকৈ ধাৰ্য কৰা হৈছে বুলি জানিবলৈ দিয়ে। হিলাল কমিটীয়ে আৰু কয় যে তেওঁলোকে এই ফিটৰা বা দান আগন্তুক ঈদুল ফিটৰৰ পূৰ্বে পৰিশোধ কৰাৰ বাবে অনুৰোধ জনায়। উল্লেখ্য যে সমাজৰ ধনী ব্যক্তিসকলে কিচমিছ, খেজুৰ, যৱ, পণিৰ আদিৰ ৩২৬৬ গ্ৰামৰ ওপৰত স্থানীয় বজাৰ দামৰ ওপৰত নিৰ্ধাৰণ কৰি ফিটৰা আদায় দিব লাগে, যাতে সমাজৰ দুখীয়া, গৰীবসকল উপকৃত হৈ ঈদৰ দিনা ভোকে নাথাকি এসাঁজ তৃপ্তিৰে খাব পাৰে বা সন্তানক এযোৰ নতুন বস্ত্ৰ দিব পাৰে। এই মাহত ধনী মুছলমানসকলে জাকাত দিব লাগে। টকাটোৰ আঢ়ৈ শতাংশ হাৰত জাকাত বা দান হিচাপ কৰি সমাজৰ গৰীব-দুখীয়াৰ মাজত বণ্টন কৰাটো ফৰজ বা বাধ্যতামূলক। সেইদৰে সোণ, ৰূপ, পোহনীয়া জীৱ-জন্তু গৰু, ছাগলী, ভেড়া আদিৰ ওপৰতো ইছলামিক নিয়ম-নীতি অনুযায়ী জাকাত বা দান দিয়াটো কৰণীয় কৰ্তব্য।

# সৃষ্টিৰ গল্প আৰু কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**ই-সংবাদ, দুলীয়াজান, ১১ মাৰ্চঃ** দুলীয়াজানৰ অগ্ৰণী যুৱ সাহিত্য অনুষ্ঠান সৃষ্টিৰ উদ্যোগত সদৌ অসমভিত্তিত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডাঃ হৰিপ্ৰসাদ বৰুৱা আৰু কৃতী ছাত্ৰী, সাংবাদিক, অনাতাঁৰ শিল্পী, অনুবাদক তথা গৱেষিকা পল্লৱী বৰুৱাৰ সোঁৱৰণত তৃতীয়বাৰৰ বাবে আয়োজিত গল্প আৰু কবিতা প্ৰতিযোগিতাৰ ফলাফল আজি ঘোষণা হয়। উল্লেখ্য যে প্ৰতিযোগিতাৰ গল্পৰ শাখাত ক্ৰমে মাতিলে ৰণলৈকো যাবা, নামাতিলে ভোজলৈকো নাযাবা গল্পৰ বাবে যোৰহাট আইন মহাবিদ্যালয়ৰ সীমাশ্ৰী দত্তই প্ৰথম, ফ'বিয়া গল্পৰ বাবে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয় দেৱাশিস হাজৰিকাই দ্বিতীয় আৰু দেউতা মই হাৰি গ'লোঁ গল্পৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কণিকা কাকতিয়ে তৃতীয় স্থান লাভ কৰিছে। আনহাতে, কবিতাৰ শাখাত বিৱৰ্ণ বাস্তৱ কবিতাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাৰ্থনা সন্দিকৈয়ে প্ৰথম, ঔষধ কবিতাৰ বাবে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ জোনমণি দাসে দ্বিতীয় আৰু মই ৰাজপথে কৈছোঁ কবিতাৰ বাবে যোৰহাট আইন মহাবিদ্যালয়ৰ সীমাশ্ৰী দত্ত আৰু অন্য এক চম্পাৱতী কবিতাৰ বাবে ৰঙিয়া কলেজৰ কৰণ কলিতাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে বুলি অনুষ্ঠানটোৰ পৰিচালন সম্পাদক বিতু বুঢ়াগোহাঁয়ে এক বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে।

# নগাঁৱৰ ভোমোৰাগুৰিত নাৰ্ছাৰী স্থাপন

**ই-সংবাদ, বেবেজীয়া, ১১ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন সমস্যাৰাজিৰ ভিতৰত অন্যতম জ্বলন্ত সমস্যা হৈছে নিবনুৱা সমস্যা। কৰ্মসংস্থাপনৰ বাবে হামৰাও কাঢ়ি ফুৰা বহু নিবনুৱাই সময়ে সময়ে ঢাপলি মেলিছে বহিঃৰাজ্যলৈ। এনে এক পৰিস্থিতিৰ মাজতে কৰ্মসংস্থাপনৰ অভাৱত দুশ্চিন্তাত ভুগি থকা নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে স্বাৱলম্বিতাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ ভোমোৰাগুৰি অঞ্চলৰ দুই প্ৰকৃতিপ্ৰেমী ব্যক্তিয়ে। আচলতে, ভোমোৰাগুৰিৰ লোকেন্দ্ৰ নাথ আৰু ৰামানন্দ ৰাজখোৱা নামৰ ব্যক্তি দুজনে আৰম্ভ কৰিছে নাৰ্ছাৰীৰ ব্যৱসায়। প্ৰকৃতিপ্ৰেমী এই দুজন ব্যক্তিয়ে সু-পৰিকল্পিতভাৱে গ্ৰামাঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে ভোমোৰাগুৰিত 'সুবাসিনী মধুবন' নামৰ এখন নাৰ্ছাৰী স্থাপন কৰিছে। দেওবাৰে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এই নাৰ্ছাৰীখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বহুকেইজন গণ্য মান্য লোকৰ উপস্থিতিত বন্তি প্ৰজ্বলন আৰু ঘোষা পৰিৱেশনেৰে নাৰ্ছাৰীখন মুকলি কৰাৰ পিছতেই নাম-কীৰ্তন অনুষ্ঠিত হয়। নগাঁও-ধিং সংযোগী গড়কাপ্তানী পথৰ দাঁতিতে



ভোমোৰাগুৰিত স্থাপন কৰা এই নাৰ্ছাৰীখনত ফুল, ফল, শাক-পাচলিৰ লগতে মূল্যবান গছৰ পুলি আৰু গুটি সুলভ মূল্যত উপলব্ধ হ'ব বুলি জানিব পৰা গৈছে। আনকি ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় কেঁচু সাৰৰ লগতে ফুল ৰোৱাৰ বাবে টাব যোগান ধৰাৰো ব্যৱস্থা কৰিছে। সেয়ে নিবনুৱা সমস্যাৰ গৰাহত ককবকাই থকা নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে এয়া স্বাৱলম্বিতাৰ এক উৎকৃষ্ট নিদৰ্শন হিচাপে চিহ্নিত হৈছে।

# সাপেখাটিত মাল্টি স্পেচিয়েলিটি কেম্প সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১১ মাৰ্চঃ** আজি চৰাইদেউ জিলা ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ উদ্যোগত জিলাখনৰ সাপেখাটি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এক মাল্টি স্পেচিয়েলিটি কেম্প সুকলমে সম্পন্ন হয়। শিশুসকলৰ সামগ্ৰিক জীৱনৰ মান উন্নত কৰা আৰু সুস্বাস্থ্যৰ উদ্দেশ্যৰে এই স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰা হয়। পুৱাৰেপৰা আৰম্ভ হোৱা এই স্বাস্থ্য শিবিৰত শিশুৰোগ বিশেষজ্ঞ, দাঁতৰ বিশেষজ্ঞ, চকু বিশেষজ্ঞ, আয়ুৰ্বেদিক, হোমিঅ'পেথিক স্বাস্থ্য বিষয়াসকলে স্বাস্থ্য পৰীক্ষা কৰে। এই কাৰ্যসূচীত চৰাইদেউ জিলা অতিৰিক্ত আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া উপস্থিত হৈ এই স্বাস্থ্য শিবিৰটিৰ বুজ লয় আৰু স্বাস্থ্য প্ৰতিষ্ঠানটোৰ সভাকক্ষত শিবিৰলৈ অহা কিশোৰীসকলৰ সৈতে মতবিনিময় কৰে আৰু ঋতুস্ৰাৱৰ সময়ত ল'ব লগা যতন, পুষ্টিকৰ খাদ্যাভাস সম্পৰ্কে বক্তব্য আগবঢ়ায়। আনহাতে, জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই শিশু স্বাস্থ্যৰ যতন, পৰিপুষ্টি আৰু মানৰ স্বাস্থ্য সম্পৰ্কে আলোকপাত কৰে। আজিৰ এই স্বাস্থ্য শিবিৰত অসংক্ৰামক ৰোগৰ পৰীক্ষা আৰু বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু পৰামৰ্শ আগবঢ়োৱা হয়। শিবিৰত সাপেখাটী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া আৰু চিকিৎসক ডাঃ চন্দন বৰবৰা, বিশেষজ্ঞ চিকিৎসক ক্ৰমে ডাঃ সুজিৎ কুমাৰ শ্বাহ, ডাঃ ৰশ্মিৰেখা দত্ত, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান চৰাইদেউ জিলাৰ ক্ৰমে আঁচনি পৰিচালক অভিজিৎ শৰ্মা, মিডিয়া বিশেষজ্ঞ দীপজ্যোতি দত্ত, কমিউনিটি মবিলাইজাৰ ৰফিক আহমেদ, ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ চৰাইদেউ জিলা সমন্বয়ক মেঘালী ফুকন প্ৰমুখ্য কৰি স্বাস্থ্য বিষয়াসকল আৰু সাপেখাটী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসাকৰ্মী আৰু বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে অহা ১৭ ফেব্ৰুৱাৰীত পাটসাঁকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত এলহাজ জে আহমেদ সোঁৱৰণী উচ্চ মাধ্যমিক বিদ্যালয়ত এই শিবিৰ অনুষ্ঠিত হ'ব।

## আন্তঃক্লাব ক্ৰিকেট খেল
# ব্ৰহ্মপুত্ৰ ইলেভেন ষ্টাৰ, মাজৰআটিৰ জয়লাভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১১ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ লীগৰ গ্ৰুপ-ডিৰ খেলত ব্ৰহ্মপুত্ৰ ইলেভেন ষ্টাৰে নুৱেভা ক্লাবক ৬৩ ৰাণত আৰু গ্ৰুপ-চিৰ খেলত মাজৰআটি অৰুণোদয় সাংস্কৃতিক (এএছ) সমাজে টাইটানছ ক্লাবক ২৮ ৰাণত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। ইয়াৰে, পুৱাবেলাৰ গ্ৰুপ-ডিৰ খেলখনত ব্ৰহ্মপুত্ৰ ইলেভেন ষ্টাৰ দলটোৱে পোনতে বেট ধৰি মহচিন ৰকীৰ-৮৭, চুহেইল আহমেদৰ-৪২ আৰু ৰাহুল বৰদলৈৰ অপৰাজিত-৩৫ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ১৮ অভাৰত দুটা উইকেটৰ বিনিময়ত ১৯০ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নুৱেভা ক্লাবে অৰূপজ্যোতিৰ-৪৫ আৰু যজ্ঞজ্যোতি বৰাৰ অপৰাজিত-২৩ ৰাণৰ অৱদান স্বত্বেও ১৮ অভাৰত ছটা উইকেট হেৰুৱাই-১২৭ ৰাণহে কৰিবলৈ সক্ষম হয়। ইপিনে, বিয়লিৰ গ্ৰুপ-চিৰ খেলখনত মাজৰআটি এ এছ সমাজে বেট ধৰি ২০ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১৩৪ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত টাইটানছ ক্লাবে ২০ অভাৰত নটা উইকেট হেৰুৱাই ১০৬ ৰাণহে কৰে।

# সাক্ষীৰ বিয়াত একলগ হ'ব ধোনী, কোহলি, ৰোহিত

**নতুন দিল্লী, ১১ মাৰ্চঃ** ১১ দিনৰ পিছত আৰম্ভ হ'ব ভাৰতীয় ক্ৰিকেটৰ মহাৰণ আইপিএল। কিন্তু তাৰ পূৰ্বে একেখন মঞ্চতে দেখা যাব মহেন্দ্ৰ সিং ধোনী, ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক। ঋষভ পন্তৰ ভগ্নী সাক্ষীৰ বিয়াত উপস্থিত থাকিব পাৰে তিনি তাৰকা। উল্লেখ্য যে, মুছৌৰীত সম্পন্ন হ'ব ঋষভৰ ভগ্নী সাক্ষী আৰু ব্যৱসায়ী অংকিত চৌধুৰীৰ বিবাহ। ৯ বছৰীয়া প্ৰেমৰ অন্তত যোৱা বছৰ লণ্ডনত তেওঁলোকৰ এংগেজমেণ্ট হৈছিল, য'ত ধোনীও উপস্থিত আছিল। এইবাৰো ধোনী উপস্থিত থকাৰ সম্ভাৱনা আছে। চেম্পিয়নছ ট্ৰফী জয় কৰি ৰোহিত আৰু কোহলি ঘৰলৈ উভতি অহাৰ সময়ত কোনো ডাঙৰ উদযাপন নাছিল। শীঘ্ৰে আইপিএলৰ বাবে ফ্ৰেঞ্চাইজিত যোগদান কৰিব দুই তাৰকাই। আনহাতে ধোনীয়ে কেৱল আই পি এলত খেলে। এয়া হয়তো শেষবাৰৰ বাবে খেলপথাৰত দেখা পোৱা যাব।



ডব্লিউপিএলত গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে উইকেট দখলৰ পিছত উল্লাস মুম্বাই ইণ্ডিয়ানছৰ এমেলিয়া কেৰৰ

## আইপিএলত অধিনায়কত্বক লৈ বিমোৰত দিল্লী কেপিটেলছ
# ৰাহুলৰ অনীহা, অক্ষৰেই হ'ব পাৰে কেপিটেলছৰ শেষ ভৰষা!

**নতুন দিল্লী, ১১ মাৰ্চঃ** চেম্পিয়নছ ট্ৰফী শেষ হোৱাৰ লগে লগে আৰম্ভ হৈছে আইপিএলৰ উত্তেজনা। কিন্তু এই আইপিএলত অধিনায়কক লৈ বিমোৰত পৰিছে দিল্লী কেপিটেলছ। ১৪ কোটিৰে ক্ৰয় কৰা কে এল ৰাহুলে এইবাৰ ল'ব বিচৰা নাই অধিনায়কত্ব। ইয়াৰ পিছতে সম্ভাব্য বিকল্প হিচাপে অক্ষৰ পেটেলৰ নাম উন্মোচিত হৈছে। উল্লেখ্য যে, চেম্পিয়নছ ট্ৰফীত ৰাহুলে উন্নত ফৰ্ম প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। সমগ্ৰ টুৰ্ণামেণ্টত ১৪০ ৰান সংগ্ৰহ কৰাৰ লগতে ফাইনেলত ভাৰতৰ জয়ৰ অন্যতম নায়ক আছিল ৰাহুল। এই প্ৰদৰ্শনৰ পিছত ভাবিছিল যে দিল্লী কেপিটেলছে হয়তো তেওঁক অধিনায়ক হিচাপে নিযুক্তি দিব। কিন্তু সূত্ৰ অনুসৰি ৰাহুলে নেতৃত্বৰ প্ৰতি আগ্ৰহী নহয়, বৰঞ্চ ক্ৰিকেটাৰ হিচাপে খেলিবলৈ অধিক ইচ্ছা প্ৰকাশ কৰিছে। ফলত অক্ষৰ পেটেলক অধিনায়কৰ দায়িত্ব দিয়া হ'ব পাৰে। ২০১৯ চনৰ পৰা দিল্লীৰ হৈ খেলা অক্ষৰক ১৮ কোটি টকাৰ বিনিময়ত ফ্ৰেঞ্চাইজিয়ে ধৰি ৰাখিছে। এইবাৰ তেওঁ সেই আস্থা ঘূৰাই দিবলৈ দলৰ অধিনায়ক হ'ব পাৰে। সূত্ৰ অনুসৰি দিল্লী কেপিটেলছ কৰ্তৃপক্ষই ৰাহুলক নেতৃত্বৰ ভূমিকা প্ৰদান কৰিছিল যদিও তেওঁ নাকচ কৰে। ফলত অক্ষৰ ফ্ৰেঞ্চাইজিৰ নতুন অধিনায়ক হ'ব পাৰে। আই পি এলত দিল্লীৰ প্ৰথমখন খেল ২৪ মাৰ্চত লক্ষ্নৌ ছুপাৰ জায়েন্টছৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব। লক্ষ্নৌৰ অধিনায়ক এতিয়া সঞ্জীৱ গোৱেংকাৰ দলে ২৭ কোটি টকাত ক্ৰয় কৰা ঋষভ পন্ত। ইয়াৰ পূৰ্বে ৰাহুলে লক্ষ্নৌক নেতৃত্ব দি আছিল, আনহাতে পন্ত দিল্লীত আছিল। ফলত ৰাহুল যদি দিল্লীৰ অধিনায়ক হ'লহেঁতেন তেন্তে দুয়োটা দলৰ মাজত সংঘৰ্ষ অধিক ৰোমাঞ্চকৰ হ'লহেঁতেন। কিন্তু যিহেতু ৰাহুলে নেতৃত্বৰ দায়িত্ব লোৱা নাই।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি